C M Y K

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



প্ৰতিজন মানুহেই একোটি চন্দ্ৰসদৃশ আৰু সকলোৰে একোটি ক'লা অধ্যায় আছে, যাক তেওঁ আনক কেতিয়াও নেদেখুৱায়।

মাৰ্ক টোৱেইন
*মাৰ্কিন লেখক*

www.dainikagradoot.in

৭ দিল্লীত দৈনিক হেজাৰৰ অধিক কৰ'নাত সংক্ৰমিত
১৫ ভাৰত-দক্ষিণ আফ্ৰিকা শৃংখলাৰ সূচী প্ৰকাশ
৪ মুদ্ৰাস্ফীতিৰ জুয়ে পুৰিছে দেশ

RNI-Regd No. 62953/96 ■সপ্তবিংশতিতম বছৰ ● ১৯৪তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১১ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ২৫ এপ্ৰিল ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Monday 25 April 2022 মূল্য ঃ ৯.০০ টকা

## সক্ৰিয় হওক নাগৰিক সমাজ

■ প্ৰাঞ্জলসেন ডেকা

**সম্প্ৰতি** দেশৰ জনগণৰ চৰকাৰ নিৰ্ভৰতা দিনে দিনে বৃদ্ধি পোৱাটো লক্ষ্যণীয় হৈ পৰিছে। চৰকাৰ যিহেতু ৰাজনীতিকে পৰিচালনা কৰে আৰু ক্ষমতা দখলেই যিহেতু সাম্প্ৰতিক ৰাজনীতিৰ একমাত্ৰ লক্ষ্য আৰু উদ্দেশ্য— গতিকে ৰাজনীতিক অথবা চৰকাৰৰ সকলো কাৰ্যকলাপ ক্ষমতাৰ অংকত পৰিচালিত হোৱাটোৱে স্বাভাৱিক। কিন্তু এই ধাৰা অব্যাহত থাকিলে লাহে লাহে সমাজত নাগৰিকৰ কোনো বৌদ্ধিক ভূমিকাই নাথাকিব। দেশৰ অন্যান্য ১০ পৃষ্ঠাত চাওক

■ অভাৱনীয় সফলতাৰে বিজেপি-অগপ মিত্ৰজোঁটৰ দখলত ৫৮ টা ৱাৰ্ড ■ প্ৰথমবাৰলৈ এখনকৈ আসনত জয়লাভ আম আদমী পাৰ্টি-জাতীয় পৰিষদলৈ ■ প্ৰধানমন্ত্ৰী-কেজৰিৱালৰ শুভেচ্ছা

# মিত্ৰজোঁটৰ বিপুল জয় ঃ কংগ্ৰেছ শূন্য

■ ন'টাত ৮,০৯৭ টা ভোট পৰিল

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ এপ্ৰিল ঃ** সম্পূৰ্ণ একপক্ষীয়ভাৱে আজি গুৱাহাটী পৌৰ নিগম (জিএমচি) দখল কৰিলে শাসকীয় বিজেপি মিত্ৰজোঁটে। অসম জাতীয় পৰিষদ আৰু আম আদমী পাৰ্টিয়ে ৰাজ্যৰ ৰাজনীতিত খোপনি পোতাৰ চেষ্টাৰে এখনকৈ আসনত জয়লাভ কৰে। লক্ষ্যণীয়ভাৱে এই নিৰ্বাচনী যুঁজৰ পৰা খালী হাত লৈ উভতিবলগীয়া হয় ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছ। ৬০টা ৱাৰ্ড বিশিষ্ট জিএমচিৰ ৫২টা ৱাৰ্ডত বিজেপিয়ে, ছটাত অসম গণ পৰিষদে জয়লাভ কৰে। মিত্ৰদল হিচাপে দুয়োটা দলৰ দখললৈ যায় ৫৮টা ৱাৰ্ড। ইয়াৰ বিপৰীতে অসম জাতীয় পৰিষদ আৰু আম আদমী পাৰ্টিয়ে এটাকৈ ৱাৰ্ড দখল কৰে। জাতীয় পৰিষদে এক নম্বৰ আৰু আম আদমী পাৰ্টিয়ে ৪২ নম্বৰ ৱাৰ্ডত জয়লাভ কৰে। অসম গণ পৰিষদে জয়লাভ কৰে ১০, ১২, ১৩, ২৪, ৩২ আৰু ৫৯ নম্বৰ ৱাৰ্ডত। বাকীকেইটা ৱাৰ্ডত বিজেপিয়ে জয়লাভ কৰে। অসম গণ পৰিষদ আৰু বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰা মাত্ৰ এটাকৈ ৱাৰ্ডত পৰাজিত হয়। অগপই সাতটা আৰু বিজেপিয়ে ৫৩টা ১০ পৃষ্ঠাত চাওক





*গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনৰ বিজয়ী দুই মিত্ৰ দল বিজেপি আৰু অগপৰ একাংশ প্ৰাৰ্থী, দেওবাৰে।*

## অৱশেষত ধৰা পৰিল অভিযুক্ত

## প্ৰেমৰ বাবেই যুৱকক হত্যা, ২৭ দিনৰ মূৰত উদ্ধাৰ মৃতদেহ

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ২৪ এপ্ৰিল ঃ** ত্ৰিকোণ প্ৰেমৰ পৰিণতিত গোৱালপাৰা জিলাৰ ৰংজুলিত সংঘটিত হোৱা এক হত্যাকাণ্ড আজি পোহৰলৈ আহে। তদন্ত মৰ্মে আৰক্ষীয়ে অভিযুক্তক আটক কৰাৰ পাছতে এই হত্যাকাণ্ড সংঘটিত হোৱাৰ কথা তেওঁ স্বীকাৰ কৰে। ইয়াৰ পাছতে আজি ধৃত লোকজনৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে ঘটনাৰ ১০ পৃষ্ঠাত চাওক

■ আমাৰ দায়িত্ব অধিক বাঢ়িল ঃ নিৰ্বাচনৰ ফলাফলক লৈ মুখ্যমন্ত্ৰী

## একে ভোটবেংকৰ ওপৰত তিনি দলৰ খোৱা-কামোৰাত শূন্য হ'ল কংগ্ৰেছ



**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৪ এপ্ৰিল ঃ** গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনৰ ফলাফল বিজেপিৰ বাবে অভিলেখ ভংগকাৰী বুলি আজি ইয়াত মন্তব্য কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত ইয়াৰ পূৰ্বে কোনো দলে এনে বৃহৎ সংখ্যক সমষ্টিত জয়লাভ কৰা নাছিল। যেতিয়া ৩০ টা ৱাৰ্ড আছিল তেতিয়াও ১৫ টাতকৈ বেছি কোনো দলেই পোৱা নাছিল। ৱাৰ্ডৰ সংখ্যা ৬০ টা হোৱাৰ সময়তো ৩০ টাতকৈ ১০ পৃষ্ঠাত চাওক

## ৪২ নম্বৰ ৱাৰ্ডত কিমান অনুপ্ৰৱেশকাৰী আছে চৰকাৰে প্ৰমাণ কৰক

বিজয়ী প্ৰাৰ্থীক লৈ আম আদমীৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ এপ্ৰিল ঃ** 'আজি ঘোষিত গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত আম আদমী পাৰ্টিৰ এগৰাকী প্ৰাৰ্থীয়ে বিপুল ভোটত জয়লাভ কৰিছে যদিও তাক লৈ বিজেপিয়ে ভয় খোৱা নাই। শাসকীয় দলটো প্ৰকৃততে শংকিত হৈছে এই কথাটো দুই পৃষ্ঠাত চাওক

■ যোগীঘোপাত উদ্ধাৰ বৃহৎ পৰিমাণৰ ধনৰ লেনদেনৰ সাতখন একাউণ্ট বহী-আপত্তিজনক নথি পত্ৰ ■ এনআইএৰ দল উপস্থিত

## বঙাইগাৱঁত আনচাৰুল্লাহ বাংলা টীমৰ আৰু এজন জেহাদীক গ্ৰেপ্তাৰ



চাৰিজনক জেল হাজোতলৈ প্ৰেৰণ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৪ এপ্ৰিল ঃ** বঙাইগাঁও জিলাত বাহৰ পাতি জেহাদী নেটৱৰ্ক সম্প্ৰসাৰণ কৰা ত্ৰিপুৰাৰ ধৃত তিনি জেহাদীৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে যোৱা বৃহস্পতিবাৰে নিশা তেওঁলোকৰ আন এজন সহযোগীক গ্ৰেপ্তাৰ কৰে। জিলাখনৰ মাণিকপুৰ আৰক্ষী থানাৰ অধীনস্থ তিনি নম্বৰ ভাণ্ডাৰৰ এজন আশ্ৰয়দাতা জেহাদীক গ্ৰেপ্তাৰ কৰাৰ লগতে যোগীঘোপা আৰক্ষী থানাৰ অন্তৰ্গত কাৱাইটাৰীত এটা গেৰেজৰ পৰা বিভিন্ন আপত্তিজনক ১০ পৃষ্ঠাত চাওক

## বানৰ বাবে বন্ধ হ'ল লালুকৰ ৰঙালী বিহু

## সুপ্ত অৱস্থাতে পাহাৰৰ মাটি খহি হেঁচা মাৰি ধৰিলে মহিলাক

**অগ্ৰদূত বাৰ্তা**

**বান্দৰদেৱা, ২৪ এপ্ৰিল ঃ** লখিমপুৰ জিলাৰ বান্দৰদেৱাৰ সমীপৱৰ্তী তৰাজুলিৰ কেৰেকজুলিস্থ ইন্দুপুৰত আজি পুৱা হোৱা ভূমিস্খলনৰ ফলত এগৰাকী মহিলাৰ মৃত্যু হয়। যোৱা নিশাৰ পৰা হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত পাহাৰৰ মাটি সেমেকি পৰাৰ ফলতে এই ঘটনা সংঘটিত হয়। আজি পুৱা ধাৰাসাৰ বৰষুণৰ বাবে দুই পৃষ্ঠাত চাওক

■ পূৰ্বৰ মেয়ৰ মৃগেন শৰণীয়াৰ সম্ভাৱনা

## মেয়ৰ পদক লৈ আৰম্ভ চৰ্চা, মহিলাক অধিষ্ঠিত কৰিবলৈ আগ্ৰহী মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ এপ্ৰিল ঃ** বিজেপি মিত্ৰজোঁটে অভূতপূৰ্ব সফলতাৰে গুৱাহাটী পৌৰ নিগম দখল কৰাৰ পাছত মেয়ৰ আৰু উপ-মেয়ৰ পদ দুটাক লৈয়ো চৰ্চা আৰম্ভ হৈছে। কোন হ'ব গুৱাহাটী পৌৰ নিগমৰ নতুন মেয়ৰ? এই প্ৰশ্নৰ উত্তৰ অৱশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওপৰতহে নিৰ্ভৰ কৰিছে। কিয়নো মুখ্যমন্ত্ৰীয়েহে ইয়াৰ চূড়ান্ত সিদ্ধান্ত ল'ব। ৰাজ্যিক বিজেপিৰ শীৰ্ষ সূত্ৰই সদৰী কৰা অনুসৰি মুখ্যমন্ত্ৰীয়ে কোনো মহিলা পাৰিষদক এইবাৰ মেয়ৰ নিযুক্তি দিয়াত আগ্ৰহী। যদি সেয়াই হয় তেন্তে মহিলা প্ৰাৰ্থীসকলৰ মাজৰ পৰা কাৰ ভাগ্য খুলিব পাৰে। ১০ পৃষ্ঠাত চাওক





*বিজয়ী অজাপ-আপৰ প্ৰাৰ্থীদ্বয়।*

পৰাজয় স্বীকাৰ প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ

## নতুন চৰকাৰক ৰাইজে হয়তো সুযোগ দিব বিচাৰিছে ঃ ক'লে বৰাই

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ এপ্ৰিল ঃ** গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত কংগ্ৰেছে এটাও ৱাৰ্ডত জয়লাভ কৰিব নোৱৰাটো আজিৰ ফলাফলৰ এটা উল্লেখযোগ্য ঘটনাৰূপে পৰিগণিত হৈছে। ইতিপূৰ্বে বহুকেইবাৰ জিএমচি হস্তগত কৰা দলটোৱে এইবাৰ ৬০ টা ৱাৰ্ডৰ ৫৪ টাত প্ৰতিদ্বন্দ্বিতা কৰিছিল। দলটোত কে'বাগৰাকী উল্লেখযোগ্য প্ৰাৰ্থীও আছিল; কিন্তু ১০ পৃষ্ঠাত চাওক

## প্ৰতিৰক্ষাৰ ক্ষেত্ৰত ভাৰত ৰাছিয়াৰ ওপৰত নিৰ্ভৰশীল

আমেৰিকাত বহিয়ে ক'লে বিত্তমন্ত্ৰী সীতাৰমণে

■ **নিউজ ব্যুৰ'**

**ৱাশ্বিংটন ডিচি, ২৪ এপ্ৰিল ঃ** প্ৰতিৰক্ষা খণ্ডত ভাৰত ৰাছিয়াৰ ওপৰত নিৰ্ভৰশীল হোৱাটো পেণ্টাগনে নিবিচাৰে বুলি স্পষ্ট কৰাৰ পাছত প্ৰত্যুত্তৰ দিলে ভাৰতৰ বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে। ১০ পৃষ্ঠাত চাওক

■ আইপিল জুৱাই চানি ধৰিছে ৰাজ্য ■ মূল জুৱাৰীৰ বিপৰীতে স্থানীয় বুকীক গ্ৰেপ্তাৰ কৰিয়েই দায়িত্ব সামৰিছে আৰক্ষীয়ে

## পাঁচশ-এহেজাৰত লাখপতি হোৱাৰ সপোন দেখি সৰ্বস্বান্ত বহুজন

■ বেৰিয়া ভ্ৰাতৃদ্বয় পাঁচ মাহে নপৰিল জালত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ এপ্ৰিল ঃ** টি-২০ ক্ৰিকেট লীগ 'আইপিএল'ক কেন্দ্ৰ কৰি গঢ় লৈ উঠা জুৱাই ছানি ধৰিছে অসম। ইয়াৰ বিৰুদ্ধে অসম আৰক্ষীয়ে ঠায়ে ঠায়ে অভিযান অব্যাহত ৰাখিছে যদিও আইপিএলৰ জুৱাৰ মূল কাণ্ডাৰীক জালত পেলাবলৈ সক্ষম নোহোৱাত চক্ৰটোৱে নিতৌ নতুন নতুন এজেন্ট তথা বুকী সৃষ্টি কৰি নিৰ্বিঘ্নে এই জুৱাৰ জৰিয়তে কোটি কোটি টকা সংগ্ৰহ কৰি আহিছে। পাঁচশ-এহেজাৰ টকাৰ বিপৰীতে লাখপতি হোৱা সপোন দেখি এই জুৱাত অংশ লোৱা ১০ পৃষ্ঠাত চাওক




**মাহে ৰমজান**

| ইফটাৰ | |
|---|---|
| আজি আবেলি | ৫.৫২ বজা |
| ছেহেৰী | |
| কাইলৈ পুৱা | ৩.২৮ বজা |

* গুৱাহাটীৰ সময়



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২২° |
| ডিব্ৰুগড় | ২৩° | ১৯° |
| দিল্লী | ৩৯° | ২৬° |
| কলকাতা | ৪০° | ২৭° |
| মুম্বাই | ৩৩° | ২৮° |
| চেন্নাই | ৩৪° | ২৮° |
| বাংগালুৰু | ৩৪° | ২১° |
| শ্বিলং | ২৬° | ১৮° |

*২৪ এপ্ৰিল, ২০২২*

■ ২৮ এপ্ৰিলত ডিব্ৰুগড়ত উদ্বোধন কৰিব নৱনিৰ্মিত কৰ্কট হাস্পতাল

## প্ৰধানমন্ত্ৰী মোদীৰ সভাত দুই লাখ লোকক সমাবেশৰ যোজা চৰকাৰৰ

মানুহ আনিবলৈ ব্যৱস্থা কৰিছে কে'বাখনো ৰেলৰ

**বিশেষ সংবাদ দাতা**

**ডিব্ৰুগড়, ২৪ এপ্ৰিল ঃ** অহা ২৮ এপ্ৰিলত ডিব্ৰুগড়লৈ আহিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। ৰাজ্যত স্থাপন কৰা একাধিক কৰ্কট হাস্পতাল উদ্বোধন কৰাৰ লগতে প্ৰধানমন্ত্ৰীয়ে ডিব্ৰুগড়ত এখন জনসভাতো অংশ ল'ব। প্ৰধানমন্ত্ৰীৰ আগমনক কেন্দ্ৰ ১০ পৃষ্ঠাত চাওক



## তামুলপুৰত দুৰ্বৃত্তৰ চোকা অস্ত্ৰৰ আঘাতত এজনৰ মৃত্যু

এই পৰ্যন্ত সদৰী হোৱা নাই হত্যাকাণ্ডৰ কাৰণ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৪ এপ্ৰিল ঃ** তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তত কালি সন্ধিয়া এক হত্যাকাণ্ড সংঘটিত হয়। দৰংগামেলা আৰক্ষী চকীৰ অন্তৰ্গত মেনকা চাহ বাগিচাৰ সমীপত দুৰ্বৃত্তই এজন লোকক চোকা ১০ পৃষ্ঠাত চাওক

■ কোকৰাঝাৰত সভাপতি বৰাৰ নেতৃত্বত কংগ্ৰেছৰ প্ৰতিবাদী সমদল

## গুজৰাটৰ বিধায়ক মেৱানীক এনিশাৰ বাবে ন্যায়িক জিম্মাত জেললৈ প্ৰেৰণ



**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২৪ এপ্ৰিল ঃ** প্ৰধানমন্ত্ৰীৰ সন্দৰ্ভত এটা বিতৰ্কিত টুইট কৰি অসম আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱা গুজৰাটৰ দলিত নেতা তথা বিধায়ক জিগনেশ মেৱানীক এনিশাৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিলে আদালতে। আৰক্ষীয়ে বিচৰা জিম্মাৰ সন্দৰ্ভত কাইলৈ পুনৰ আদালতত শুনানি হ'ব। আজি অসম আৰক্ষীৰ তিনিদিনৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ লগে লগে সন্ধিয়া আৰক্ষীয়ে কোকৰাঝাৰৰ মুখ্য ন্যায়িক দুই পৃষ্ঠাত চাওক

**চেঙা তেল**



*ফলাফলৰ পাছতে এওঁৰ ৰূপ সলনি হ'ল যে! ভোটৰ আগতে দেখোন বৰ মৰমীয়াল আছিল!*

গোৱালপাৰাৰ চুনাৰীত ভূ-মাফিয়াৰ দপ্‌দপনি ■ প্ৰতি নিশাই নিৰ্মাণ কৰিছে একাধিক গৃহ

পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধৰ বালিচাপৰি সন্দেহজনক লোকৰ কবলত ■ নিৰ্বিকাৰ জিলা প্ৰশাসন

## শ শ বিঘা ধৰ্মীয় অনুষ্ঠান-খালী ভূমি বেদখল

**অগ্ৰদূত বাৰ্তা**

**লক্ষীপুৰ, ২৪ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ লক্ষীপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চুনাৰীত সম্প্ৰতি ভূ-মাফিয়াৰ দপ্‌দপনিৰ অভিযোগ উঠিছে। চুনাৰীৰ ধৰ্মীয় অনুষ্ঠানৰ উপৰি স্থানীয় লোকৰ ব্যক্তিগত মাটি-সম্পত্তি একাংশ সন্দেহজনক অচিনাক্ত লোকে বলপূৰ্বকভাৱে বে-দখল কৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় সচেতন লোকে। এই অচিনাক্ত লোকসকলে নিশাৰ ভাগত এটা-দুটাকৈ গৃহ নিৰ্মাণেৰে বসবাসৰ বসতি স্থাপন কৰাক কেন্দ্ৰ কৰি সম্প্ৰতি এক চেপা উত্তেজনাই বিৰাজ কৰিছে অঞ্চলটোত। আনকি জিলা প্ৰশাসনেও বিষয়টোত গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উঠিছে।

একাংশ স্থানীয় লোকে অভিযোগ মতে, বৃহত্তৰ চুনাৰী অঞ্চলত হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ লোকে মিলাপ্ৰীতিৰে বসবাস কৰি আহিছে। অৱশ্যে কে'বা বছৰৰ পূৰ্বে ব্ৰহ্মপুত্ৰৰ প্ৰবল গৰাখহনীয়া আৰু সংহাৰী বানৰ গৰাহত পৰি আৰ্থিকভাৱে জুৰুলা হৈ পৰিছিল বহু বানপীড়িত পৰিয়াল। ইয়াৰে কিছু পৰিয়ালে জীৱিকাৰ সন্ধানত বহিঃজিলালৈ যাবলগীয়া হৈছিল। ফলত চুনাৰী বজাৰৰ পাছফালে অৱস্থিত পুঠিমাৰী, কাছিমা, ১০ পৃষ্ঠাত চাওক



## জনপ্ৰতিনিধিৰ ওপৰত বিভিন্নজনৰ ক্ষোভ

# মানাহ ৰাষ্ট্ৰীয় উদ্যান সংযোগী পথত পুখুৰী সদৃশ গাঁত



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২৪ এপ্ৰিল ঃ** বাণিজ্যিক নগৰী বৰপেটা ৰোডৰ পৰা বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান সংযোগী পথৰ বংশীবাৰী-পূব ছাফাকামাৰত পথৰ দুৰাৱস্থাই জ্বলা-কলা দেখুৱাইছে পথচাৰীৰ লগতে দেশী-বিদেশী পৰ্যটকক। পথছোৱাৰ মাজত হৈ পৰিছে প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰীসদৃশ গাঁত। কিন্তু এইবোৰ দেখিও নেদেখাৰ ভাওত চৰকাৰ, বিভাগীয় কৰ্তৃপক্ষ, মন্ত্ৰী, বিধায়ক কিম্বা স্থানীয় জনপ্ৰতিনিধি ছয় পৃষ্ঠাত চাওক

# সাপটগ্ৰামত অবৈধ বালি কঢ়িওৱা ডাম্পাৰ-টেম্প'ৰ সংঘৰ্ষত নিহত দুই

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ২৪ এপ্ৰিল ঃ** বিলাসীপাৰা মহকুমাৰ সাপটগ্ৰাম আৰক্ষী থানাৰ অন্তৰ্গত খুদনামাৰীত আজি পুৱা অবৈধ বালি কঢ়িওৱা ডাম্পাৰ আৰু যাত্ৰীবাহী টেম্প'ৰ স'তে মুখামুখি সংঘৰ্ষত দুজন লোক নিহত হোৱাৰ লগতে গুৰুতৰভাৱে আহত হয় কে'বাজনো যাত্ৰী। থিতাতে নিহত হোৱা ব্যক্তিজন তুষপাৰা গাঁৱৰ ছায়েদ আলী (২৯)। আনহাতে, চিকিৎসালয়লৈ নিয়াৰ পথত নিহত হয় শৌলমাৰী গাঁৱৰ কহিনুৰ ছয় পৃষ্ঠাত চাওক

## লালুক-গহপুৰত বানত বুৰ গ'ল বহু পৰিয়ালৰ বাসগৃহ

# গাভৰু-ছত্ৰং নদীৰ বানৰ তাণ্ডৱ



**অগ্ৰদূত বাৰ্তা**

**লালুক/গহপুৰ, ২৪ এপ্ৰিল ঃ** বিগত কে'বাদিন ধৰি দি থকা নেৰানেপেৰা বৰষুণৰ ফলত ৰাইজৰ স্বাভাৱিক জীৱন যাপন ব্যাহত হৈছে। বাৰিষাৰ পূৰ্বে লালুকৰ কাষৰীয়া গাভৰু নদীৰ দ্বিতীয়টো বানে প্লাৱিত কৰিছে বিস্তীৰ্ণ অঞ্চল। ধাৰাসাৰ বৰষুণৰ ফলত লালুক অঞ্চলৰ সৰু বৰ নদীসমূহ পানীৰে উপচি পৰি বানপানীৰ সৃষ্টি কৰিছে। অঞ্চলটোৰ প্ৰৱল খৰস্ৰোতা পাহাৰীয়া নদীৰূপে খ্যাত গাভৰু নদীৰ বাঢ়নী পানীয়ে আজি পুৱা নিজলালুক আৰু উত্তৰ লালুক গাঁও পঞ্চায়তৰ বৰু অঞ্চল প্লাৱিত কৰে। সমান্তৰালভাৱে লালুকৰ আশে পাশে থকা, বগলী, মেনেহা, পাভ আদি নদীসমূহৰ জলপৃষ্ঠ ওফন্দি উঠি বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰি তুলিছে। গাভৰু নদীখনে আজি পুৱাই ভয়াবহ ৰূপ ধাৰণ কৰি লালুকৰ সমীপৰ পূব গড়মূৰ অঞ্চলত বহু পৰিয়ালৰ বাসগৃহ জলমগ্ন কৰে। নদীখনৰ বাঢ়নী পানীয়ে আজি পুৱাই পূব গড়মুৰ খ্ৰীষ্টান গাঁৱৰ ৰেল লাইনৰ সমীপত দুবছৰ পূৰ্বে নদীখনৰ বাঢ়নী পানীয়ে ভাঙি পেলোৱা ভগ্ন মথাউৰি অংশইদি বাঢ়নী পানী সোমাই আহি অঞ্চলটোৰ বহু পৰিয়ালৰ বাসগৃহ বাঢ়নী পানীয়ে বুৰাই পেলোৱাৰ ফলত নাজল নাথল পৰিস্থিতিৰ সৃষ্টি হয়। নদীখনৰ বাঢ়নী পানীয়ে পূব গড়মুৰৰ চেনিৰাম গগৈ, চন্দেশ্বৰ বৰা, জিতু বৰা, পবিত্ৰ গগৈ, গকুল হাজৰিকা, কমল গগৈ, দেউলী গগৈ, অঞ্জলী গগৈ আদিকে ধৰি বহু পৰিয়ালৰ বাসগৃহ আজি পুৱতি নিশাতে নদীখনৰ ধলপানীয়ে বুৰাই পেলোৱাৰ ফলত হাহাকাৰ পৰিস্থিতিৰ ছয় পৃষ্ঠাত চাওক

# ছাত্ৰ সংগঠনত ৰাজনৈতিক পয়োভৰ ঘটিবলৈ দিয়া নহ'ব ঃ ছেত্ৰী

## ৰঙাপৰাত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা শোণিতপুৰ জিলা সমিতিৰ ৩৮তম অধিৱেশন

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২৪ এপ্ৰিল ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা শোণিতপুৰ জিলা সমিতিৰ ৩৮ তম দ্বি-বাৰ্ষিক অধিৱেশনখনি আজি সফল সামৰণি পৰে। ১৯৪৬ত গঠন হোৱা শোণিতপুৰ জিলাৰ অধিৱেশনখনি বৰজুলি সমূহীয়া শ্ৰমিক উন্নয়ন কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। আজি পুৱা স্বচ্ছ অভিযানৰ শুভ উদ্বোধন কৰে কদমতল হাইস্কুলৰ সহকাৰী শিক্ষক নাৰদমুনি উপাধ্যায়ে। আনহাতে, বৃক্ষ ৰোপন কাৰ্যসূচীৰ আৰম্ভ কৰে ৰঙাপৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱেন বৰাই। দিনৰ ১১ বজাত শোভাযাত্ৰাত বিভিন্ন ঠাইৰ পৰা অহা যুৱক-যুৱতী আৰু পুৰুষ-মহিলাসকলে গোৰ্খা জাতীয় সাজ-পোচাক পৰিধানৰে অংশ লয় গ্ৰহণ কৰা নগৰখন পৰিক্ৰমা কৰে। ইয়াৰ পাছতে বৰজুলি সমূহীয়া শ্ৰমিক উন্নয়ন কেন্দ্ৰৰ প্ৰেক্ষাগৃহত জিলা সমিতিৰ সভাপতি দিপক চুৰ্ব্বাৰ সভাপতিত্বত মুকলি সভাখন অনুষ্ঠিত হয়। মুকলি সভাত আগছুৰ কেন্দ্ৰীয় সমিতি সভাপতি অৰ্জুন ছেত্ৰী, বিশিষ্ট সাহিত্যিক ছত্ৰমান চুৰ্ব্বা, কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য সুনিল ছেত্ৰী, প্ৰাক্তন সাধাৰণ সম্পাদক গোপাল আচাৰ্য্য, গোৰ্খা সন্মিলনৰ উপ-সভাপতি তুলসী শৰ্মা, গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাং আদিকে ধৰি বিশ্বনাথ আৰু লক্ষীমপুৰ জিলাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। কেন্দ্ৰীয় সমিতিৰ সভাপতি সুনিল ছেত্ৰীয়ে কয় যে গোৰ্খাসকলক আগুৱাই নিবলৈ হ'লে গোৰ্খা ছাত্ৰ সন্থাই নিষ্ঠা সহকাৰে কাম কৰিব লাগিব। নতুন জিলা সমিতিখনে সাংগঠনিক দিশটো শক্তিশালী কৰি ৰাইজৰ হকে কাম-কাজ কৰি লাগিব। গোৰ্খাসকলে নিজৰ ভাষা, সাহিত্য, সংস্কৃতি জীয়াই ৰাখিলেহে জাতিটো জীয়াই থাকিব। পুনৰ ছেত্ৰীয়ে কয় ছয় পৃষ্ঠাত চাওক

# সম্প্ৰীতিৰ নিদৰ্শনৰে ৰঙালী বিহু উদ্‌যাপন যুৱ ছাত্ৰ পৰিষদৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২৪ এপ্ৰিল ঃ** বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্ম-বৰ্ণ আৰু সম্পদায়ৰ মাজৰ সংকীৰ্ণতা আঁতৰাই কালি যোৰহাট নগৰৰ অন্যতম ব্যৱসায়িক অঞ্চল জেপি আৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় প্ৰথম বাৰ্ষিক ৰঙালী বিহু সন্মিলন। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ যোৰহাট জিলা আৰু মহানগৰ সমিতিৰ উদ্যোগত আৰু জেপিআৰ বাসী ৰাইজ আৰু ব্যৱসায়ীসকলৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত জেপিআৰৰ বিহু সন্মিলনৰ পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি দিলীপ আগৰৱালাই আৰু পৰিষদৰ পতাকা উত্তোলন কৰে জিলা সভাপতি প্ৰণৱজ্যোতি হাজৰিকাই। জিলা সমিতিৰ সাধাৰণ সম্পাদক বাবু দত্তই ছহিদ তৰ্পণ কৰাৰ পাছতে বিয়লি মুকলি বিহু মঞ্চ উদ্বোধন কৰে কেন্দ্ৰীয় বিষয়ববীয়া শিৱ কলিতাই। উল্লেখ্য যে ঘন জনবসতিপূৰ্ণ ব্যৱসায়িক তথা বিভিন্ন সম্প্ৰদায় আৰু ধৰ্মীয় লোকৰ ঠাই জেপিআৰত প্ৰথম বাৰৰ বাবে অনুষ্ঠিত বিহু সন্মিলনৰ দিনৰ কাৰ্যসূচীত সন্মানীয় ছয় পৃষ্ঠাত চাওক

## দৈগ্ৰোঙত বোৱাৰীৰ ৰহস্যজনক মৃত্যু

# স্বামী গৃহৰ চোতালতে দাহ কৰিলে মৃতদেহ

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ২৪ এপ্ৰিলঃ** নুমলীগড় আৰক্ষী চকীৰ অধীনৰ মৰঙিৰ দৈগ্ৰোং পাটকটীয়া গাঁৱত এগৰাকী বোৱাৰীৰ মৃত্যুক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। সেয়া নিশা বৈষ্ণৱী দাস বৰা নামৰ মেৰাপানীৰ পৰা পাটকটীয়া গাঁৱলৈ এবছৰ আগতে বিয়া কৰাই অনা বোৱাৰী গৰাকীক স্বামী মুনীন বৰা আৰু শাহুৰেকে হত্যা কৰি ঘৰৰ ভিতৰত ওলমাই থোৱাৰ অভিযোগ উত্থাপন কৰিছে বৈষ্ণৱীৰ পৰিয়ালে। নুমলীগড় আৰক্ষীয়ে নিশাই মৃতদেহ উদ্ধাৰ কৰি গোলাঘাটৰ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষাৰ অন্তত আজি পৰিয়ালৰ ছয় পৃষ্ঠাত চাওক

## ■ খেতিয়কতকৈ লাভবান হয় বেপাৰী ■ ৩৫ টকাৰ জিকা ৬০ টকাত ■ ২০ টকাৰ বেঙেনা ৫০ টকাত বিক্ৰী ■ আপেলতকৈ ভাতকেৰেলাৰ দাম বেছি

# শাক-পাচলিৰ অস্বাভাৱিক মূল্যবৃদ্ধি

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ২৪ এপ্ৰিল ঃ** নগাঁও জিলাৰ বজাৰসমূহত খুচুৰা আৰু পাইকাৰী বজাৰ দৰৰ মাজত বৃহৎ ব্যৱধান কৰি কেতবোৰ খুচুৰা ব্যৱসায়ীয়ে অস্বাভাৱিক দৰত শাক-পাচলি বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হৈছে। বিগত বৰ্ষৰ ১৬ নৱেম্বৰত ৰাজ্যৰ যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বজাৰে বজাৰে মূল্যবৃদ্ধি ৰোধৰ বাবে টাস্ক ফ'ৰ্চ গঠন কৰি ব্যৱস্থা লোৱা হ'ব বুলি ঘোষণা কৰাত দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকৰ মুখত হাঁহি বিৰিঙাইছিল যদিও মন্ত্ৰীৰ এনে ঘোষণা ফুটুকাৰ ফেনত পৰিণত হোৱাত বেপাৰীয়ে কেৰেপ নকৰাকৈ নগাঁও জিলাৰ কেতবোৰ বজাৰত সম্প্ৰতি লুটৰাজ চলাই আছে। ফলত কপালৰ ঘাম মাটিত পেলাই খেতি কৰা কৃষকতকৈ লাভবান হৈছে কেতবোৰ খুচুৰা ব্যৱসায়ী। এনেকুৱা অৱস্থাত শাক-পাচলিৰ অস্বাভাৱিক মূল্যবৃদ্ধিত দৰিদ্ৰ আৰু মধ্যবিত্ত লোকসকলে বজাৰত দাম সুধিয়েই সন্তুষ্টি লভিব লগা অৱস্থা হৈছে। চামগুৰি বিধানসভা সমষ্টিৰ কনুৱামাৰীৰ হানিফা আলী নামৰ এজন খেতিয়কে উল্লেখ কৰা মতে, বৌ বজাৰৰ পাইকাৰী বজাৰত আজি স্থানীয়ভাৱে উৎপাদন কৰা জিকা ৩৫ টকা প্ৰতি কিলোগ্ৰামত বিক্ৰী হয়, ভাতকেৰেলা ১২০ টকা, কিন্তু বজাৰত এক কিলোগ্ৰাম জিকাৰ দাম ৬০ টকা, ভাতকেৰেলা ১৬০ টকা প্ৰতি কিলোগ্ৰাম। একেদৰে ভূৰবন্ধাৰ হানিফা নামৰ এজন খেতিয়কে উল্লেখ কৰা মতে, তেওঁলোকে উৎপাদন কৰা বিলাহী আজি বিক্ৰী হয় ১৫ টকাকৈ, ভোল বিক্ৰী হয় ৪০ টকা, মাইক্ৰ' জলকীয়া ৩০ টকা, সৰু দীঘল বেঙেনা ২০ টকা, স্কোৱাচ ৩৫ টকা প্ৰতি কিলোগ্ৰামত বিক্ৰী হয়। ইয়াৰ পৰিৱৰ্তে উৎসৰ দামৰ লগত বৃহৎ ব্যৱধান ঘটাই আজি চামগুৰিৰ সাপ্তাহিক বজাৰত জিকাৰ খুচুৰা মূল্য ৬০ টকা, মাইক্ৰ' জলকীয়া ৮০ টকা, বিলাহীৰ দাম ৩০ টকা, বেঙেনাৰ দাম হয় চামগুৰিত ৫০ টকা, স্কোৱাচ ৫০ টকা প্ৰতি কিলোগ্ৰামত বিক্ৰী কৰে বেপাৰীয়ে। উৎসৰ পাইকাৰী মূল্য আৰু খুচুৰা মূল্যৰ মাজত বৃহৎ ব্যৱধান ঘটাই সাধাৰণ লোকৰ মূৰৰ ওপৰত মূল্যবৃদ্ধি জাপি দি লুটৰাজ চলাই থকা সত্ত্বেও চৰকাৰে খুচুৰা ব্যৱসায়ীসকলক নিয়ন্ত্ৰণ নকৰাত যাৰ যি মন সেইদৰে মূল্যবৃদ্ধি ঘটাই আছে এইসকল লাভখোৰ বেপাৰীয়ে। আজি চামগুৰি সাপ্তাহিক বজাৰত বজাৰ কৰিবলৈ অহা দীপক দাস বুলি পৰিচয় দিয়া লোক এজনে নিয়ন্ত্ৰণহীন মূল্যবৃদ্ধিৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া ছয় পৃষ্ঠাত চাওক

# নগাঁৱত মহিলা ড্ৰাগছ মাফিয়া গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৪ এপ্ৰিল ঃ** নগাঁও সদৰ আৰক্ষী থানাৰ আৰক্ষীয়ে আজি সন্ধিয়া নগাঁও চহৰৰ খ্ৰীষ্টানপট্টীত অভিযান চলাই এগৰাকী মহিলা ড্ৰাগছ মাফিয়াক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ড্ৰাগছ মাফিয়া মহিলা গৰাকীৰ পৰা ১৮০ টা হেৰ'ইন ভৰ্তি কন্টেইনাৰ জব্দ কৰে। আৰক্ষীয়ে মহিলাগৰাকীৰ পৰা নগদ ২৩ হেজাৰ টকা উদ্ধাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা মহিলাগৰাকীৰ নাম হ'ল ৰেশমা বেগম (৩৩)। উল্লেখ্য যে মহিলাগৰাকীয়ে ছয় পৃষ্ঠাত চাওক

## অৰুণাচলৰ পৰা আহিল ১০ বছৰৰ পূৰ্বেই বিক্ৰী কৰা যুৱতী

# জামুগুৰিহাটত সক্ৰিয় শিশু সৰবৰাহকাৰী

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২৪ এপ্ৰিল ঃ** শোণিতপুৰ জিলাৰ জামগুৰিহাটৰ মংগলবৰীয়াৰ দুটি শিশু ১০ বছৰৰ পূৰ্বে নিজৰ পিতৃ তথা ভিনিহিয়েকে অৰুণাচলত বিক্ৰী কৰাৰ তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে একাংশ দুখীয়া দৰিদ্ৰ লোকক ধনৰ প্ৰলোভন দি শিশু সৰবৰাহ কৰি থকা ঘটনাৰ খবৰ বিয়পি থকাৰ মাজতে ১০ বছৰৰ পাছত জামুগুৰিহাটলৈ আহিল এটি নতুন খবৰ। ১০ বছৰ পূৰ্বেই দুটি ফুলকুমলীয়া শিশুক এক লাখ টকাত অৰুণাচলৰ এগৰাকী ব্যক্তিক বিক্ৰী কৰি দিয়া ঘটনা শেহতীয়াকৈ পোহৰলৈ আহিছে। জামুগুৰিহাটৰ উত্তৰাঞ্চলৰ মংগলবৰীয়াৰ চাৰি নম্বৰ জয়পুৰ গাঁৱৰ ৰাজকুমাৰ ভাতুৰী নামৰ লোকজনে তেওঁৰ খুলশালী আৰু নিজৰেই কন্যাক অৰুণাচলৰ এজন লোকক ১০ বছৰ পূৰ্বে বিক্ৰী কৰি পলায়ন কৰিছিল। দীৰ্ঘদিন ধৰি দুই শিশুক বেলেগ বেলেগ স্থানত ৰাখি অৰুণাচলী লোকজনে চলাই আহিছিল মানসিক-শাৰীৰিক নিৰ্যাতন। অৰুণাচলী লোকজনৰ নিৰ্যাতন সহ্য কৰিব নোৱাৰি অৱশেষত পূৰ্বেই বিক্ৰী কৰি দিয়াৰ পাছত বৰ্তমানৰ ১৭/১৮ বছৰীয়া যুৱতী মনেমতি- ভাতুৰীয়ে কৌশলেৰে অৰুণাচলী লোকজনৰ কবলৰ পৰা পলাই আহি হঠাৎ কালি হাৰমতীৰ আৰক্ষীৰ সহায় বিচাৰে। হাৰমতি আৰক্ষীয়ে যুৱতীগৰাকীক আদিবাসী ছাত্ৰ সন্থাৰ বিষয়ববীয়াৰ হাতত গতাই দিয়াৰ পাছত তেওঁলোকে উত্তৰ নদুৱাৰ আঞ্চলিক আদিবাসী ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু পৰিয়ালৰ ছয় পৃষ্ঠাত চাওক

# মৰিগাঁৱত গাঞ্জাসহ বাবাজীক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২৪ এপ্ৰিল ঃ** মৰিগাঁও জিলাৰ নিকটৱৰ্তী অঞ্চল ছাটনগুৰিত আজি গাঞ্জাসহ এজন ভণ্ড বাবাক পূব-ছাটনগুৰি গাঁওৰক্ষী বাহিনীয়ে স্থানীয় ৰাইজৰ সহযোগত হাতে-লোটে কৰায়ত্ত কৰি মৰিগাঁও ছয় পৃষ্ঠাত চাওক

## তেজপুৰত বিষুৱা উৎসৱ ঃ স্মৃতিগ্ৰন্থ উন্মোচন

# সকলোৱে নিজৰ সংস্কৃতি জাতীয় বৈশিষ্ট্য বৰ্তাই ৰাখিব লাগিব




**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৪ এপ্ৰিল ঃ** 'এখন স্মৃতিগ্ৰন্থ পৰৱৰ্তী সময়ত এক ঐতিহাসিক সমল হৈ পৰে। অসমীয়া এক সংমিশ্ৰিত জাতি। অষ্ট্ৰিক, মংগোলীয় তথা আৰ্যসকল বিভিন্ন দিশৰ পৰা এসময়ত অসমলৈ আহিছিল। ইয়ালৈ এনেদৰেই বিভিন্ন সংস্কৃতিৰো আগমন ঘটিছিল। এই সকলো কৃষি নিৰ্ভৰ সংস্কৃতি। সংস্কৃতি এক বোঁৱতী নৈ। সময়ত ইয়ালৈ পৰিৱৰ্তন আহে। ইয়াৰ মাজতে আমি সকলোৱে নিজৰ সাংস্কৃতিক জাতীয় বৈশিষ্ট্য বৰ্তাই ৰাখিব লাগিব।' এই মন্তব্য তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° ভূপেন শইকীয়াৰ। উল্লেখযোগ্য যে তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰত আজি বৃহত্তৰ শোণিতপুৰ জিলা কোচ ৰাজবংশী সমন্বয় সমিতিয়ে আয়োজন কৰা বিষুৱা উৎসৱ উপলক্ষে সুলেখিকা গকুল ৰয়ৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ বিষুৱা উন্মোচন কৰি ড° শইকীয়াই এইদৰে কয়। ৰাজ্যখনৰ অন্যতম জনগোষ্ঠী কোচ ৰাজবংশীসকলৰ এই কৃষিভিত্তিক উৎসৱৰ মুকলি সভাত নিৰ্দিষ্ট বক্তা চাৰিদুৱাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰাজেশ দত্তই তেওঁৰ ভাষণত কবি নৱকান্ত বৰুৱাৰ উক্তি স্মৰণ কৰি কয় যে উৎসৱ কেৱল মানুহৰহে ছয় পৃষ্ঠাত চাওক

# বাদুলিপাৰত দুই আইপিএল জুৱাৰ এজেন্টক গ্ৰেপ্তাৰ

## আৰক্ষীৰ মাৰাথন জেৰাত বিস্ফোৰক স্বীকাৰোক্তি ধৃত দুই এজেন্টৰ

**খুমটাই, ২৪ এপ্ৰিল ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত বাদুলিপাৰৰ লগতে পাৰ্শ্বৱৰ্তী কে'বাটাও অঞ্চলত ব্যাপক হাৰত আইপিএল ক্ৰিকেটৰ জুৱা বৃদ্ধি পাইছে। বাদুলিপাৰৰ পৰাই জিলাখনৰ ২০টাতকৈ অধিক অঞ্চলত আইপিএল জুৱা পৰিচালিত হৈ থকাৰ অভিযোগ উত্থাপিত হৈ থকাৰ সময়তে যোৱা নিশা দেৰগাঁও আৰক্ষীয়ে বাদুলিপাৰৰ পৰা দুজন আইপিএল ক্ৰিকেটৰ জুৱাৰ এজেন্টক গ্ৰেপ্তাৰ কৰে। দেৰগাঁও আৰক্ষীৰ এটা দলে গোপন খবৰৰ ভিত্তিত বাদুলিপাৰৰ মুন্না মোদী আৰু বুবুল গঞ্জুক হাতে-লোটে কৰায়ত্ত কৰে। অভিযান কালত আৰক্ষীৰ অভিযানকাৰী দলটোৱে দুয়োজন আইপিএল জুৱাৰ এজেন্টৰ পৰা নম্বৰ পঞ্জীয়ন বহী, দুটা এণ্ড্ৰইড ম'বাইল, নগদ ধন, আইপিএল জুৱাৰ ৰছিদ আদি জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে বাদুলিপাৰত দীৰ্ঘদিন ধৰি দুজন লোকৰ নেতৃত্বত কৌশলগতভাৱে চলাই আহিছিল এই বৃহৎ জুৱা। আৰক্ষী সূত্ৰই সদৰী কৰা অনুসৰি, বাদুলিপাৰৰ দুই এজেন্ট মুন্না আৰু বুবুলক গ্ৰেপ্তাৰ কৰাৰ পাছতেই আৰক্ষীৰ মাৰাথন জেৰাত আইপিএল জুৱা চক্ৰৰ সন্দৰ্ভত বহুতো বিস্ফোৰক স্বীকাৰোক্তি প্ৰদান কৰিছে।

# নগাঁৱত ভুৱা আধাৰ কাৰ্ড, পানকাৰ্ডসহ প্ৰৱঞ্চক গ্ৰেপ্তাৰ

## বহু মূল্যৱান সামগ্ৰী-বিলাসী বাহন জব্দ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৪ এপ্ৰিল ঃ** কালি নিশা প্ৰায় আঠ বজাত এক উৎস। তথ্যৰ ওপৰত ভিত্তি কৰি হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া তৰংগ পাটোৱাৰী আৰু এছ আই উৎপল বৈশ্যৰ নেতৃত্বত এটা আৰক্ষীৰ দলে অভিযান চলাই বহু সংখ্যক ভুৱা পান কাৰ্ড, ভুৱা আধাৰ কাৰ্ড, ভুৱা চীম কাৰ্ডসহ এজন প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰে। ধৃত প্ৰৱঞ্চকজনৰ নাম আবু চালমা (২৬)। তেওঁৰ ঘৰ মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত শিলপুখুৰীত। তেওঁৰ হাতৰ পৰা আৰক্ষীয়ে ১০ খন ভুৱা চীম কাৰ্ড, পাঁচখন ভুৱা আধাৰ কাৰ্ড, পাঁচখন ভুৱা পান কাৰ্ড জব্দ কৰাৰ উপৰি তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিত আন এক স্থানত অভিযান চলাই এটা এচি, তিনিটা ৰেফ্ৰিজাৰেটৰ, তিনিটা এনড্ৰইড ম'বাইল হেণ্ডছেট, চাৰিটা ব্যৱহাৰ কৰা ম'বাইল আৰু ডেবিট কাৰ্ডো জাব্দ কৰে। তেওঁ ব্যৱহাৰ কৰা এএছ-০৪ ৱাই- ৯১৯৯ নম্বৰৰ এখন টাটা টিয়াগো গাড়ীও আৰক্ষীয়ে জব্দ কৰে। আৰক্ষী সূত্ৰই ছয় পৃষ্ঠাত চাওক

# যোৰহাটত চিপ লোৱা অৱস্থাত মহিলাৰ মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২৪ এপ্ৰিল ঃ** পুলিবৰ আৰক্ষী থানাৰ অন্তৰ্গত উজনি-নামনি গায়ন গাঁৱৰ মাজৰ ভোগদৈ নৈৰ পাৰৰ এজোপা গছত অচিনাক্ত মহিলাৰ এটা মৃতদেহ আজি চিপ লোৱা অৱস্থাত উদ্ধাৰ হয়। স্থানীয় এজন যুৱকে বাঁহনিত বাঁহ কাটিবলৈ যোৱা সময়তে ৫০ বছৰীয়া মহিলাগৰাকীৰ মৃতদেহ গছত ওলমি থকা প্ৰত্যক্ষ কৰে। পাছত আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। ছয় পৃষ্ঠাত চাওক

# লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহ ঃ আঠখন গ্ৰন্থ উন্মোচন



**অগ্ৰদুত বাৰ্তা**

**শিঙৰী, ২৪ এপ্ৰিল ঃ** শোণিতপুৰ জিলাৰ ছহিদ নগৰী ঢেকিয়াজুলিৰ লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ দ্বিতীয় দিনাৰ কাৰ্যসূচী আজি অনুষ্ঠিত হয়। সোণালী জয়ন্তী উৎসৱক কেন্দ্ৰ কৰি মহাবিদ্যালয়খনত উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হৈছে। সোণালী জয়ন্তী উৎসৱৰ আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীত মহাবিদ্যালয়খনৰ বহু সংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক-ৰাইজ আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। দ্বিতীয় দিনাৰ কাৰ্যসূচীত আজি পুৱা ন বজাত গছপুলি ৰোপণ কৰা হয়। দিনৰ ১১ বজাত ন-পুৰণি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীৰ অন্তৰংগ আলাপ অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত বিভিন্ন বৰ্ষৰ ছাত্ৰ-ছাত্ৰীয়ে দলীয়ভাৱে অনুষ্ঠান পৰিৱেশন কৰে। মিছামাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কনক চন্দ্ৰ বৰদলৈৰ পৰিচালনাত অনুষ্ঠিত অন্তৰংগ আলাপ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° হেমচন্দ্ৰ গৌতম, অৱসৰপ্ৰাপ্ত অধ্যাপক ৰিয়াজউদ্দিন আনচাৰী, গিৰীন্দ্ৰ বৰা, শচীন্দ্ৰ বৈশ্য, দুলাল দাস, পদোৰাম বড়ো, কাজল বৰা, মিলন দত্ত, গৌতম ৰাজবংশী, অৰুণিমা কলিতা, তৃষ্ণা দাস ভৰালী, স্বপ্না বৰুৱাৰ কথা-গীত-মাত আৰু নৃত্য পৰিৱেশন কৰে । উক্ত অনুষ্ঠানত বিশিষ্ট লেখক দিগন্ত বিশ্ব শৰ্মাই বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে। ভাষণ প্ৰদান কৰি তেওঁ কয়, মহাবিদ্যালয়সমূহ কেৱল চাৰ্টিফিকেট তথা ডিগ্ৰী, ডিপ্ল'মা দিয়া ছয় পৃষ্ঠাত চাওক

# এপল'ক অ'এনজিচিয়ে ঠিকা দিয়াক কেন্দ্ৰ কৰি ক্ষোভ কেমিষ্ট এণ্ড ড্ৰাগিষ্ট এছ'চিয়েছনৰ

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ২৪ এপ্ৰিল ঃ** অ'এনজিচিৰ একাংশ বিষয়া-কৰ্মচাৰীৰ মইমতালিৰ স্থানীয় ব্যৱসায়ীসকলক অ'এনজিচিৰ বিভিন্ন কাম-কাজত বাধা দি ভাতে মৰাৰ চেষ্টা চলাইছে। শেহতীয়াকৈ এপল'ক অ'এনজিচিয়ে দৰৱ বিতৰণৰ ঠিকা প্ৰদান কৰাক কেন্দ্ৰ কৰি ক্ষুব্ধ হৈছে উজনি অসম কেমিষ্ট এণ্ড ড্ৰাগিষ্ট এছ'চিয়েছন। শিৱসাগৰত এছ'চিয়েছনৰ উজনি অসমৰ সাংগঠনিক সম্পাদক সঞ্জীৱ বৰা আৰু সহ সচিব চন্দ্ৰশেখৰ শৰ্মাই কয় যে শিৱসাগৰ জিলাৰ একাংশ খুচুৰা দৰৱ বিক্ৰেতাই বিগত ৪০ বছৰ ধৰি অ'এনজিচি কৰ্তৃপক্ষক দৰৱৰ যোগান ধৰি অহাৰ পাছতো সেইসকলক বঞ্চিত কৰি এপল'ক উক্ত ঠিকা প্ৰদান কৰিছে। সংস্থাটোৰ সদস্যসকলে অনলাইন ফাৰ্মাচী আৰু অনলাইন দৰৱ বিক্ৰী প্ৰতিষ্ঠানক অসহযোগ কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰে। এই ক্ষেত্ৰত তেওঁলোকে অনলাইন সেৱা আগবঢ়োৱা কোনো প্ৰতিষ্ঠানৰ উপৰি বহুজাতিক কোম্পানীক দৰৱ বিক্ৰী নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সকলো খুচুৰা দৰৱ বিক্ৰেতাৰ হিতৰ কথা চিন্তা কৰি সংস্থাটোৱে এই কথা দোহাৰি সকলো সদস্যক এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনায়। কোনো সমাধান সূত্ৰ নোলোৱা পৰ্যন্ত এই অসহযোগ কাৰ্যসূচী চলি থাকিব বুলিও তেওঁলোকে ঘোষণা কৰে। উল্লেখ্য যে শিৱসাগৰ জিলাৰ ১৩খন ঔষধ যোগান ছয় পৃষ্ঠাত চাওক

দৈনিক
অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ১১ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ২৫ এপ্ৰিল ২০২২



# আশাবাদৰ অভিব্যক্তি

মানুহ জন্মগতভাৱেই আশাবাদী আৰু সেয়ে মানৱ সমাজ প্ৰগতিৰ দিশত আগুৱাই গৈছে। মানুহৰ বিভিন্ন কামৰ মাজেদি, সাংস্কৃতিক কাৰ্যকলাপ, ধৰ্মবিশ্বাস আদিৰ মাজেদি আশাবাদ প্ৰকাশ পাইছে। মানুহে যদি ধৰ্ম মন্দিৰলৈ গৈছে, গিৰ্জা তথা মছজিদলৈ গৈছে, ঈশ্বৰক প্ৰাৰ্থনা কৰিছে— সেই সকলোতে প্ৰকৃততে আশাবাদেই নিহিত হৈ আছে। ভৱিষ্যৎ মংগলময় হ'ব, ভাল হ'ব, শুভ হ'ব— এই বিশ্বাস আশাবাদী মানুহৰ মনৰ পৰাই উদ্ভৱ হৈছে।

ঈশ্বৰ বিশ্বাস নাইবা ধৰ্মবিশ্বাস হ'ল আশাবাদৰ অভিব্যক্তি। ধৰ্ম বা ঈশ্বৰত অগাধ বিশ্বাস থকা ভক্ত বা ধাৰ্মিক লোকসকলৰ জীৱন কালৰ সন্দৰ্ভত বিশেষভাৱে গৱেষণা বা অধ্যয়ন চলাইছে নে নাই, সেই বিষয়ে তথ্যৰ অভাৱ; কিন্তু আশা কৰা হৈছে ধাৰ্মিক বা ভক্তসকলৰ গড় আয়ুস আন বহুততকৈ বেছি। অৱশ্যে আধুনিক সাহিত্যত নিৰাশাবাদ নাইবা আশাবাদৰ ওপৰত অনাস্থা যথেষ্ট পৰিমাণে দেখা যায়। আধুনিক সাহিত্যত ধৰ্ম, ঈশ্বৰৰ ওপৰত সন্দেহ, আশাবাদৰ ওপৰত সন্দেহ স্পষ্ট। ধ্ৰুপদী সাহিত্য আৰু ৰোমান্টিক সাহিত্য আৰু দৰ্শনত মানুহৰ আশাবাদ শক্তিশালী ৰূপত দেখা গৈছিল; কিন্তু আধুনিক সাহিত্য আৰু দৰ্শনত আশাবাদৰ ওপৰত প্ৰশ্ন আৰু সন্দেহ কৰিছে লেখকসকলে। অৱশ্যে কে'বাশ বছৰৰ আগেয়ে উইলিয়াম শ্বেক্সপীয়েৰৰ নাটকতো বিশেষকৈ তেওঁৰ ট্ৰেজিক নাটসমূহত আশাবাদে বিশেষ গুৰুত্ব পোৱা নাছিল।

প্ৰশ্ন হয়, যদিহে আশাবাদে মানুহৰ আয়ু বা জীৱন কাল বঢ়াব পাৰে, অৰ্থাৎ মানুহক জীয়াই থকাত অৰিহণা যোগাব পাৰে, তেন্তে শিল্প-সাহিত্যত আশাবাদী দৃষ্টিভংগীয়েই প্ৰতিফলিত হোৱা উচিত; কিন্তু আধুনিক যুগৰ সকলো শিল্পী-সাহিত্যিক এই কথাত একমত নহয়। তেওঁলোকৰ সাহিত্য-কলাত আশাবাদৰ জয়গান দেখা নাযায়। শূন্যতা আৰু নিৰাশাৰ পৃথিৱী এখনহে এই সাহিত্যিকসকলে দাঙি ধৰে নাইবা দাঙি ধৰিব বিচাৰে। উদ্ভট নাটকসমূহত এনে শূন্যতাত নাট্যকাৰসকলে আশ্ৰয় লোৱা দেখা যায়। ছেমুৱেল বেকেটৰ 'গ'ড'ৰ প্ৰতীক্ষাত' (ৱেইটিং ফৰ গ'ড') নাটকত প্ৰধান চৰিত্ৰ দুটাই সদায় প্ৰতীক্ষাহে কৰে; কিন্তু যাৰ বাবে প্ৰতীক্ষা কৰে, তেওঁ কোনোদিনেই দেখা নিদিয়ে বা আহি উপস্থিত নহয়। ইয়াত আশা কোনোদিনেই পূৰণ হোৱা নাই। এই নাটকত প্ৰতীক্ষা হ'ল আশাবাদ; কিন্তু প্ৰতীক্ষা কোনোদিনেই পূৰণ নোহোৱাটো হ'ল শূন্যতা। আধুনিক মানৱ তথা আধুনিক মানুহৰ ভৱিষ্যতক কেন্দ্ৰ কৰি ৰচিত এই নাটকতো আশাবাদৰ জয়গান নাই; কিন্তু আধুনিক বিশ্ব সাহিত্যত এই নাটক অতি উচ্চ মানৰ আৰু মৌলিক বুলি প্ৰশংসিত হৈ, চৰ্চিত হৈ আহিছে। আধুনিক চিত্ৰকলাতো আশাবাদৰ বাণীৰ প্ৰতিফলন কম দেখা যায়। আধুনিক চিত্ৰকলাত বিমূৰ্তকৰণৰ যোগেদি মানৱ অৱয়ৱৰ অৱসান ঘটোৱা হৈছে। আশাবাদৰ বাণীৰ অভাৱ ঘটিছে; কিন্তু এই শ্ৰেণীৰ মহান সাহিত্য-শিল্পই মানুহৰ বয়সৰ ওপৰত কি প্ৰভাৱ পেলাইছে, সেই প্ৰশ্নৰ উত্তৰ কোনে দিব?

সাহিত্য-কলা আশাবাদীয়েই হওক নাইবা নিৰাশাবাদীয়েই হওক, সকলোৱেই গুৰুত্বপূৰ্ণ আৰু মূল্যৱান বুলি বিবেচিত হৈছে। আধুনিক শিল্পী-সাহিত্যিকে সৰল আশাবাদক আঁকোৱালি লোৱা নাই। ইয়াৰ বিপৰীতে বিজ্ঞানীসকলৰ গৱেষণাৰ তথ্যসমূহে মানুহক আশাবাদী হ'বলৈ পৰামৰ্শ দিছে। আধুনিক শিল্পী-সাহিত্যিকসকলে সৰল আশাবাদী দৃষ্টিভংগী গ্ৰহণ কৰা নাই নাইবা কৰিব পৰা নাই; কিন্তু এনে সাহিত্য-শিল্পৰ মানুহৰ জীৱনৰ ওপৰত, বয়সৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলোৱা বুলি দাবী কৰিব পৰা নাযায়। সৰল আশাবাদ নাথাকিলেও এনে শিল্প-সাহিত্যই মানৱ সমাজৰ চিন্তাৰ জগতখন বহলাইছে। আনহাতে, বিজ্ঞানীসকলৰ গৱেষণাৰ পৰা লাভ কৰা তথ্যবোৰকো আওকাণ কৰিব নোৱাৰি। মানৱ সভ্যতাৰ ভৱিষ্যতে কি আছে— ধ্বংসই অন্তিম সত্য নেকি— সেই বিষয়ে স্পষ্টভাৱে কোনেও একো ক'ব বা দাবী কৰিব পৰা নাই। এটা বৃহৎ গ্ৰহাণুৱে যিকোনো এদিন পৃথিৱী ধ্বংস কৰিব নাইবা মানৱ প্ৰজাতি নিঃশেষ কৰিব পাৰে। সৰল আশাবাদী হোৱাটো সেয়ে চিন্তাশীল মানৱৰ কাৰণে সম্ভৱ নহ'বও পাৰে; কিন্তু মানুহ মূলতঃ আশাবাদী প্ৰাণী। নিৰাশা বা হতাশা থাকিলেও মানুহে আশা কৰি, সপোন দেখি ভাল পায়। হয়তো এয়াই মানুহৰ প্ৰকৃতি। আদিম অৱস্থাৰ পৰা মানুহৰ প্ৰগতিৰ দিশেৰে হোৱা পৰিৱৰ্তনৰ অন্তৰালত এই আশাবাদেই ক্ৰিয়া কৰি আহিছে।

## খো লা ম ঞ্চ

# ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা কেনেকৈ পাম?



**ভ্ৰষ্টাচাৰ** আৰু ৰাজনীতি এই দুয়োটা একেটা মুদ্ৰাৰ ইপিঠি- সিপিঠি বুলি ক'ব পাৰি। ৰাজনীতিৰ স'তে ভ্ৰষ্টাচাৰৰ সম্পৰ্ক ওতঃপ্ৰোত নোহোৱা হ'লে ভাৰতবৰ্ষৰ ইতিহাসত ৰামায়ণ আৰু মহাভাৰতৰ দৰে মহাকাব্যৰ সৃষ্টিয়েই নহ'লহেঁতেন। সেইবাবেই ৰাজনৈতিক নেতৃত্বৰ মাজতো ভ্ৰষ্টাচাৰীৰ চৰিত্ৰ থকাটো নোহোৱা-নোপজা কথা নহয়। সেয়া লাগিলে ৰাজতন্ত্ৰৰ ৰাজনৈতিক নেতৃত্বই হওক বা সাম্যবাদেই হওক বা গণতন্ত্ৰৰ ৰাজনৈতিক নেতৃত্বই হওক। পূৰ্বৰ ৰাজনৈতিক নেতাৰ মাজতো ভ্ৰষ্টাচাৰী নেতা আছিল। কিন্তু সাধাৰণ মানুহৰ মন-মগজুত সেই ভ্ৰষ্টাচাৰে সংক্ৰমণ কৰিব পৰা নাছিল বাবেই তাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া প্ৰভাৱশালী হৈ উঠিব পৰা নাছিল। ৰাজতন্ত্ৰ বা সাম্যবাদৰ বিষয়টোক একাষৰীয়া কৰি থৈ আমি যদি বৰ্তমানৰ বহুল প্ৰায়োগিক ৰাজনৈতিক ব্যৱস্থাৰ কথালৈ অৰ্থাৎ গণতন্ত্ৰৰ ৰাজনৈতিক ব্যৱস্থালৈ লক্ষ্য কৰো তেন্তে দেখিম যে আনবোৰৰ তুলনাত গণতন্ত্ৰৰ ৰাজনৈতিক নেতৃত্বই ভ্ৰষ্টাচাৰৰ বীজাণুৰে অতি ভয়ানক ৰূপত সংক্ৰমিত হৈছে। ভাৰতীয় প্ৰেক্ষাপটত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সকলোকে সামৰি সামগ্ৰিক ছবিখনলৈ মন কৰিলে দেখা যায় যে সামাজিক মাধ্যম আৰু সংবাদ মাধ্যমৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ফলত ৰাজনীতিৰ প্ৰতি প্ৰায় সকলোৰে আগ্ৰহ অত্যুৎসাহী হৈ পৰিছে। কিন্তু তাত নীতি-আদৰ্শৰ প্ৰশ্ন, সচেতনতা আৰু মূল্যবোধক অপ্ৰয়োজনীয় বুলি গণ্য কৰা হয়। ফলত ৰাজনৈতিক নেতৃত্বই ভ্ৰষ্টাচাৰৰ সহায়ত নিজা নিজা ৰাজনৈতিক ব্যৱসায়ৰ মুনাফা আদায়ত ব্যস্ত হ'ব পাৰিছে। অৰ্থাৎ ৰাজনীতিৰ প্ৰকৃত নীতি কি হোৱা উচিত সেই সম্পৰ্কে জনসাধাৰণৰ সচেতনতা আৰু প্ৰয়োজনীয় জ্ঞান নথকাৰ বাবেই ৰাজনৈতিক নেতৃত্ব ভ্ৰষ্টাচাৰী হ'বলৈ সুবিধা পাইছে। কাৰণ ৰাজনৈতিক নেতৃত্বত বিশেষকৈ গণতন্ত্ৰত ভ্ৰষ্টাচাৰৰ এক অন্যতম আহিলাই হৈছে প্ৰলোভন। প্ৰলোভনৰ কবলত সৰ্বসাধাৰণ ৰাইজৰ মন-মগজু আৰু চিন্তা শক্তি সহজেই বিক্ৰী যায় আৰু ৰাজনীতিৰ ব্যৱসায়ত ইয়াৰ সুবিধা নেতা ব্যৱসায়ীসকলে লয়। পিছে এই সচেতনতা ক'ৰ পৰা আহিব? প্ৰচলিত পৰিস্থিতিত ৰাজনীতি সম্পৰ্কে সৰ্বসাধাৰণ ৰাইজে য'ৰ পৰা জ্ঞান লাভ কৰিব খোজে বা যি উৎসৰ দ্বাৰা নিজৰ ধ্যান-ধাৰণাৰ বিকাশ কৰিব খোজে সেয়া উপযুক্ত আৰু সত্য সমলযুক্ত হয় জানো। প্ৰকৃততে ৰাজনীতি আৰু ৰাজনৈতিক নেতৃত্বত থকা ভ্ৰষ্টাচাৰৰ ই এটা প্ৰধান কাৰণ। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভই একাষৰীয়া কৰি কোনোবা মাধ্যমে দেখুওৱা ছবিখনকে সত্য বুলি ধৰি লৈ নিজৰ ভূমিকা নিৰ্ণয় কৰে। ৰাজনীতিৰ পথাৰত ধানৰ সলনি পতান উৎপাদনৰ বাবে ই এক দুৰ্ভাগ্যজনক কাৰক আৰু ৰাজনৈতিক নেতৃত্বৰ ভ্ৰষ্ট ব্যৱসায়িক মুনাফা আদায়ৰ বাবে সোণোৱালী সুযোগ। সংবাদ মাধ্যমে যদি জনসাধাৰণক চিন্তাৰ সমল যোগাব পৰা পৰিৱেশৰ সৃষ্টি কৰি দিব পাৰে আৰু জনসাধাৰণে যদি সেই সমলেৰে ৰাজনীতি পথাৰত মূল্যবোধৰ বীজ সিঁচিব পাৰে, প্ৰলোভন নেওচি ৰাজনৈতিক সিদ্ধান্ত ল'ব পাৰে তেন্তে নেতৃত্বত ভ্ৰষ্টাচাৰে প্ৰভাৱ খটুৱাব নিশ্চয় নোৱাৰে। এই ক্ষেত্ৰত মন-মগজুক আৰু চিন্তা শক্তিক প্ৰলোভনমুক্ত কৰি ৰাখিব পৰাটো প্ৰতিজন নাগৰিকৰ প্ৰথম দায়িত্ব।

**ৰূপলেখা তামুলী**, লেখিকা

ফোন: ৯৯৫৪৩৫৫১৭৬

জনসাধাৰণৰ হাতত প্ৰত্যক্ষভাৱে ধন যোৱা কাৰ্যসূচী গ্ৰহণ কৰাৰ বিপৰীতে যোৱা বাজেটত মহাত্মা গান্ধী জাতীয় গ্ৰামীণ কৰ্মসংস্থান আঁচনিতো ধন আবণ্টন প্ৰায় ৫০ হেজাৰ কোটি হ্ৰাস কৰিছে। মুদ্ৰাস্ফীতিয়ে মানুহক অকল উপযুক্ত খাদ্যসামগ্ৰী, শিক্ষা, স্বাস্থ্য আদিৰ সুবিধাৰ পৰাই বঞ্চিত নকৰে ইয়ে দেশৰ অধিকাংশ লোকক কৰ্মহীন কৰিব। দেশৰ অধিকাংশ লোকেই প্ৰয়োজনীয় ন্যূনতম খাদ্য সামগ্ৰীখিনিয়ে কিনাৰ সামৰ্থতা হেৰুৱাব।



# মুদ্ৰাস্ফীতিৰ জুয়ে পুৰিছে দেশ

## পেটৰ অগনিয়ে সবাকো দংশিব

**দেশত** মূল্যবৃদ্ধিৰ জুই জ্বলিছে। অধিকাংশ লোকে তেওঁলোকৰ নিত্য অত্যাৱশ্যকীয় সামগ্ৰীখিনিও কিনিব পৰা নাই। যিসকলৰ অলপ ক্ৰয় ক্ষমতা আছিল তেওঁলোকে তেওঁলোকৰ সামগ্ৰী ক্ৰয়ৰ বাজেট অধিক হাৰত কৰ্তন কৰিবলগীয়া হৈছে। দেশত মূলতঃ ইন্ধনৰ মূল্যবৃদ্ধিয়ে পৰোক্ষভাৱে সকলো সামগ্ৰীৰ দাম বৃদ্ধি কৰিছে। সৌসিদিনা সংসদত ইন্ধনৰ মূল্যবৃদ্ধিৰ বাবে বিৰোধী দলৰ সাংসদসকলৰ চৰকাৰক আক্ৰমণৰ উত্তৰ হিচাপে কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীয়ে যুক্তিপূৰ্ণ কোনো উত্তৰ দিব নোৱাৰি কয় যে উন্নত দেশবোৰৰ তুলনাত ভাৰতত ইন্ধনৰ মূল্যবৃদ্ধিৰ শতাংশ অতি কম আৰু ইন্ধনৰ মূল্যবৃদ্ধি ন্যায্য। যিসময়ত ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজত যুদ্ধৰ প্ৰভাৱত আন্তৰ্জাতিক বজাৰতো খাৰুৱা তেলৰ দাম বৃদ্ধি হৈছে, সেই সময়ত চৰকাৰে ইন্ধনবোৰৰ ওপৰত আৰোপ কৰা অত্যধিক কৰসমূহ হ্ৰাস কৰি পেট্ৰ'ল, ডিজেল, ৰন্ধনগেছকে ধৰি সকলো ইন্ধনৰ দাম স্থিতাৱস্থাত বা হ্ৰাস কৰি ৰাখিব পাৰিলেহেঁতেন। যদিও খাৰুৱা তেলৰ দাম বৃদ্ধি হৈছে, তথাপি প্ৰতি লিটাৰ পেট্ৰ'ল আৰু ডিজেলত কোম্পানীৰ দাম ৪০ টকাৰ বেছি হোৱা নাই, বাকীখিনি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কৰহে। যোৱা ২১ অক্টোবৰৰ (২০২১) হিচাপমতে প্ৰতিলিটাৰ পেট্ৰ'লত আৱকাৰী কৰ আছিল ৩২.৯৭ টকা আৰু ডিজেলত আছিল ৩১.৮৩ টকা। কিন্তু কোম্পানীৰ মূল্য বাঢ়িলে কৰৰ পৰিমাণো বাঢ়ি যায়, কাৰণ কৰ হিচাপ কৰে শতাংশ হিচাপত। এই কেন্দ্ৰীয় কৰৰ লগত ৰাজ্য চৰকাৰৰ ভেট কৰৰ পৰিমাণো বৃদ্ধি হৈ থাকে। ২০১৩-১৪ বৰ্ষত অৰ্থাৎ ইউ-পি-এ চৰকাৰৰ সময়ত খাৰুৱা তেলৰ মূল্যও আজিৰ নিচিনাই প্ৰতি বেৰেলত গড়ে ১০৫.২২ ডলাৰ আছিল, কিন্তু কোম্পানী দামৰ ওপৰত আৱকাৰী শুল্ক ক্ৰমে প্ৰতি লিটাৰ পেট্ৰ'লৰ ওপৰত ৯.২০ টকা আৰু ডিজেলৰ ওপৰত ৩.৪৬ টকা আছিল কাৰণে পেট্ৰ'লৰ প্ৰতি লিটাৰৰ দাম আছিল ৭১.৪১ টকা আৰু ডিজেলৰ প্ৰতি লিটাৰৰ দাম আছিল ৫৫.৪৯ টকা। আৰু ৰন্ধন গেছৰ চিলিণ্ডাৰ প্ৰতিটোৰ দাম আছিল ৪১০ টকা। এতিয়া বিজেপি চৰকাৰে পেট্ৰ'ল-ডিজেলৰ ওপৰত কৰ বৃদ্ধি কৰি ২০২১-২২ বৰ্ষতে ৪,১৬,৭৯৯ কোটি টকা সংগ্ৰহ কৰিছে। এই কৰ ২০১৪-১৫ত সংগ্ৰহৰ পৰিমাণ আছিল ১,৭২,০৬৫ কোটি টকা। ইউ-পি-এ চৰকাৰৰ দিনত এই কৰ সংগ্ৰহ আৰু কম আছিল। পেট্ৰ'লত আৰু ডিজেলত প্ৰতি লিটাৰৰ ৰাস্তাৰ উন্নয়নৰ বাবে ১১ টকা আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে ১০ টকা সংগ্ৰহ কৰে। ইয়াৰ উপৰিও কৃষিৰ আন্তঃগাঁথনি উন্নয়নৰ চেচৰ নামত ২.৫০ টকা সংগ্ৰহ কৰে। পথ উন্নয়নৰ বাবে পেট্ৰ'ল-ডিজেলৰ দামৰ ভিতৰতে কৰ লয়। আনফালে ৰাস্তাৰে বাহন ভ্ৰমণ কৰিলে টোলটেক্স লয়। যোৱা বছৰ ভাৰত চৰকাৰে টোলটেক্সৰ পৰা ৩৮,০০০ কোটি টকা সংগ্ৰহ কৰিছে। আনফালে ১৯ কিলোগ্ৰাম ওজনৰ বাণিজ্যিক এল-পি-জি চিলিণ্ডাৰৰ দাম ২,২৫৩ টকালৈ বৃদ্ধি কৰিছে।

পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছৰ মূল্যবৃদ্ধিৰ বাবে বাহনৰ মালিকৰ মূৰত মাধমাৰ মাৰাতকৈ যিসকলৰ গাড়ী বা কোনো বাহন নাই সেইসকলৰ মূৰতহে মাধমাৰ পৰিছে জোৰকৈ, কাৰণ গাড়ীৰ ভাৰাকে ধৰি পৰিবহন খৰচ বৃদ্ধিৰ ফলত দেশত সকলো সামগ্ৰীৰে দাম বৃদ্ধি হৈছে। ইন্ধনৰ দাম বৃদ্ধিত বিভিন্ন সামগ্ৰীৰ উৎপাদন খৰচো বৃদ্ধি হৈছে। বিজেপি চৰকাৰ আৰু বিজেপিৰ মুখপাত্ৰসকলে জনসাধাৰণক কয় যে উপায় নাই, যুদ্ধৰ বাবে আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ দাম বৃদ্ধি হৈছে, গতিকে ভাৰতত পেট্ৰ'ল-ডিজেল-গেছৰ দাম বাঢ়িবই। জনসাধাৰণে অৰ্থনীতি ভালকৈ বুজি নাপায়, কিন্তু ২০১৪ৰ আগত বৰ্তমানৰ সময়ৰ নিচিনাকৈ ১০৮ ডলাৰ প্ৰতি বেৰেল খাৰুৱা তেলৰ মূল্য আছিল। বিজেপি চৰকাৰৰ যোৱা তিনি বছৰত (২০১৯-২১) খাৰুৱা তেলৰ মূল্য গড়ে ৬০ ডলাৰ আছিল। কিন্তু পেট্ৰ'ল-ডিজেলৰ মূল্য প্ৰতি লিটাৰত ৮০ টকাৰ তলত হোৱা নাছিল। বিভিন্ন কাৰণত বৰ্তমান বিশেষকৈ অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম সামান্য বৃদ্ধি হয়তো হ'ব পাৰে, কিন্তু তথাকথিত কল্যাণকামী বিজেপি চৰকাৰখনে পেট্ৰ'ল, ডিজেল, গেছৰ মূল্যবৃদ্ধি কৰি জ্বলা জুইত ঘিউ ঢালি দিছে। পেট্ৰ'লিয়াম মন্ত্ৰীয়ে সংসদত কৈছে বিশ্বৰ উন্নত দেশবোৰৰ তুলনাত ভাৰতত পেট্ৰ'ল, ডিজেল, গেছৰ দাম কম। 'দ্য টাইমছ অব্ ইণ্ডিয়া'ৰ যোৱা আঠ এপ্ৰিল সংখ্যাৰ প্ৰথম পৃষ্ঠাত প্ৰকাশিত বাতৰি এটাৰ শিৰোনাম এইদৰে দিছে, 'LPG cost in India highest in world at PPP, Petrol 3rd'। আনফালে উন্নত দেশৰ নাগৰিকসকলৰ আয়ৰ লগত ভাৰতৰ জনসাধাৰণৰ আয়ৰ তুলনাই নহয়। তদুপৰি উন্নয়নশীল দেশবোৰত এই ইন্ধনবোৰৰ দাম ভাৰততকৈ সস্তা। মূল্যবৃদ্ধিৰ চৰকাৰী তথ্য অনুযায়ী পাইকাৰী সামগ্ৰীৰ সূচকমতে ১৩.২০ শতাংশ আৰু খুচুৰা সামগ্ৰীৰ সূচকমতে ৬.৮ শতাংশ। কিন্তু খাদ্যসামগ্ৰীৰ মূল্য ১০০ শতাংশতকৈ অধিক হাৰত বৃদ্ধি হৈছে। যোৱা এপ্ৰিলৰ এক তাৰিখৰ পৰা জীৱনদায়িনী ঔষধকে ধৰি ৮০০ বিধ ঔষধৰ দাম দহ শতাংশ বৃদ্ধি কৰিছে। ঔষধৰ পাইকাৰী দামৰ সূচকৰ বৃদ্ধি হৈছে ১০.৭৬ শতাংশ। জনসাধাৰণৰ আচ্ছেদিন অনা চৰকাৰখনৰ ৰাজত্বত ঔষধৰ মূল্য ১৯৯৭ৰ পাছত এইবাৰেই অধিকতম হাৰত বৃদ্ধি হৈছে।



**দৃষ্টিপাত**
**অনন্ত কলিতা**



ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ বাবে যোগান প্ৰক্ৰিয়াও ব্যাহত হৈছে। ঘেঁহু, সূৰ্যমুখী ফুলৰ তেলৰ পৰা মোবাইল ফোনৰ নিচিনা হাইটেক আদি সকলো সামগ্ৰী আমদানিত অসুবিধাৰ সৃষ্টি হৈছে। ভাৰতবৰ্ষত উদ্যোগ খণ্ডৰ কেঁচামাল, যেনে— সাৰৰ পৰা নিয়ন (Neon), ছেমিকণ্ডাক্টৰ তৈয়াৰ কৰা ৫০ শতাংশ চিপছ আদি ৰাছিয়া-ইউক্ৰেইনৰ পৰা আহিছিল। খাৰুৱা তেলক বাদ দিও অন্যান্য সামগ্ৰী তীখা, এলুমিনিয়াম, তাম, নিকেল, প্লেটিনামৰ মূল্যও অধিক হাৰত বাঢ়িছে। ইতিমধ্যে তীখাৰ দাম প্ৰতি টনত ৩,০০০ টকাৰ পৰা ৪,০০০ টকালৈ বৃদ্ধি হৈছে। ভাৰতে অনেক পৰিমাণৰ কয়লা আমদানি কৰে, ইয়াৰো মূল্য ইতিমধ্যে বৃদ্ধি পাইছে।

ৰাছিয়া আৰু ইউক্ৰেইনে বিশ্বৰ মুঠ ঘেঁহুৰ ২৫ শতাংশ উৎপাদন কৰি বিশ্বৰ শস্যভঁৰাল বুলি খ্যাত হৈছিল। এই পটভূমিত ভাৰতে ঘেঁহু ৰপ্তানি কৰিব পাৰিলেহেঁতেন, কিন্তু ভাৰতত সাৰৰ মূল্য অতিপাত বৃদ্ধি হৈ গ'ল। অধিকভাৱে ব্যৱহৃত ইউৰিয়া সাৰৰ মূল্য দুগুণতকৈ (১১০ শতাংশ) অধিক বৃদ্ধি হৈছে। চীন দেশকে ধৰি বিভিন্ন দেশৰ পৰা ভাৰতে বছৰি পাঁচ নিযুত টন ফ'ছফেটিক সাৰ (Phosphatic Fertilisers) আৰু ডি-এ-পি সাৰ (DAP) আমদানি কৰে। চীন দেশে বৰ্তমান সাৰ ভাৰতলৈ ৰপ্তানি কৰাত নিয়ন্ত্ৰণ কৰিছে। অৰ্থনৈতিক সংস্কাৰৰ পূৰ্ববৰ্তী কালত জৱাহৰলাল নেহৰু, ইন্দিৰা গান্ধীয়ে ১৯৮০লৈ সাৰ উৎপাদনৰ যিসমূহ উদ্যোগ প্ৰতিষ্ঠা কৰিছিল (Specially mineral based and nutrients) সেইবোৰ যদি বন্ধ নকৰি চলাই থাকিলেহেঁতেন আৰু সেইবোৰৰ উন্নতি সাধন কৰিলেহেঁতেন ভাৰতে আজি সাৰৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'ব পাৰিলেহেঁতেন। নব্য-উদাৰ অৰ্থনীতিৰ তত্ত্ব অনুযায়ী ৰাজহুৱা খণ্ডবোৰ উন্নতি নকৰি বন্ধ কৰি দি বা বিক্ৰী কৰি দি সাৰ আমদানি কৰাৰ ফলতে দেশে আজি সাৰৰ ক্ষেত্ৰত এই সংকটৰ সন্মুখীন হ'ব লগা হৈছে। আজি সাৰৰ দাম আকাশলংঘী হোৱা হেতুকে কৃষকে সাৰ ক্ৰয় কৰি খেতি কৰাৰ কথা ভাবিবই নোৱাৰা হৈছে। কৃষি উৎপাদনৰ খৰচ অত্যধিক বৃদ্ধি হৈছে। তদুপৰি আজি কৃষি সামগ্ৰীৰ দাম বজাৰবোৰত দ্বিগুণ-তিনিগুণ হৈছে। কিন্তু পৰিতাপৰ কথা যে কৃষকসকলে বজাৰত এই বিক্ৰী দামৰ আধাভাগো দাম নাপায়। ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰে কৃষকৰ কৃষিপণ্যৰ উচিত মূল্য পোৱাৰ কোনো মেচিনাৰী আজিলৈ তৈয়াৰ নকৰিলে। চৰকাৰৰ বন্ধু বা শাসকীয় দলৰ বন্ধুসকলে নিয়ন্ত্ৰণ কৰে কৃষিপণ্যৰ বজাৰখন। মধ্যভোগী ছিণ্ডিকেট আদিয়ে কৃষকসকলক বঞ্চিত কৰে তেওঁলোকৰ প্ৰাপ্য দামৰ পৰা। মধ্যভোগী, ব্যৱসায়ী আদিৰ স্বাৰ্থৰক্ষা কৰিবলৈ ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰে কৃষকসকলক তেওঁলোকৰ পণ্যৰ উচিত মূল্যৰ পৰা বঞ্চিতকৰণৰ প্ৰক্ৰিয়াত সহযোগিতা কৰে। বিৰোধী দলবোৰেও এই কৃষকসকলক তেওঁলোকৰ পণ্যৰ উচিত মূল্যৰ পৰা বঞ্চিতকৰণৰ প্ৰক্ৰিয়াৰ বিৰুদ্ধে কোনো বাধাৰ সৃষ্টি কৰিব পৰা নাই।

দেশৰ অৰ্থনীতিৰ বৰ্তমান প্ৰৱণতা হ'ল বিকাশৰ নিম্নগামিতা, মূল্যবৃদ্ধিৰ ঊৰ্ধ্বগামিতা। ভাৰতৰ মূল্যবৃদ্ধিৰ দ্ৰুতগতি আৰম্ভ হৈছে ইউক্ৰেইনৰ যুদ্ধৰ আগৰে পৰা, সেয়ে এই মূল্যবৃদ্ধি অকল যুদ্ধৰ কাৰণেই নহয়। চৰকাৰে মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ বিপৰীতে ইন্ধনৰ ওপৰত অত্যধিক কৰ আৰোপ কৰিছে আৰু ঔষধৰ মূল্যবৃদ্ধিৰ বাবে কোম্পানীবোৰক চৰকাৰী লাইচেন্স দি জনসাধাৰণৰ আচ্ছেদিনৰ কথা আওৰাইছে। সামগ্ৰীবোৰৰ মূল্যবৃদ্ধিৰ বাবে জনসাধাৰণৰ ক্ৰয়ক্ষমতা হ্ৰাস হোৱা বাবে খাদ্য অনা-খাদ্য সামগ্ৰী অৰ্থাৎ সমস্ত উৎপাদিত সামগ্ৰীৰ বজাৰ চাহিদা হ্ৰাস পাইছে। যিটো সমস্যা অৰ্থনীতিৰ বাবে বিপদজনক। ইয়াৰ ফলত নতুনকৈ কোনো বিনিয়োগ নহ'ব, উৎপাদিত সামগ্ৰীবোৰ বিক্ৰী নোহোৱা বাবে উদ্যোগ-প্ৰতিষ্ঠানবোৰে উৎপাদন ক্ষমতাৰ পূৰ্ণ ব্যৱহাৰ নকৰিব, পৰিণতিত নতুন কৰ্ম-সংস্থাপন সৃষ্টি দূৰৰ কথা পুৰণি শ্ৰমিক-কৰ্মচাৰীৰ অনেক অংশই কাম হেৰুৱাব। আমেৰিকা যুক্তৰাষ্ট্ৰত সামগ্ৰীবোৰৰ বজাৰ চাহিদা হ্ৰাস পোৱা বাবে বজাৰ চাহিদা বৃদ্ধি কৰিবলৈ সম্প্ৰতি ৰাষ্ট্ৰপতি বাইডেনে এক লাখ নব্বৈ হেজাৰ কোটি ডলাৰৰ উজ্জীৱিত পেকেজ অৰ্থাৎ জনসাধাৰণৰ হাতত পইচা যোৱা পেকেজ প্ৰৱৰ্তন কৰিছে, যিটোৰ ফলত আমেৰিকাৰ বজাৰত চাহিদা তীব্ৰ হাৰত বৃদ্ধি পাব। ভাৰতত জনসাধাৰণৰ হাতত প্ৰত্যক্ষভাৱে ধন যোৱা কাৰ্যসূচী গ্ৰহণ কৰাৰ বিপৰীতে যোৱা বাজেটত মহাত্মা গান্ধী জাতীয় গ্ৰামীণ কৰ্মসংস্থান আঁচনিতো ধন আবণ্টন প্ৰায় ৫০ হেজাৰ কোটি হ্ৰাস কৰিছে। মুদ্ৰাস্ফীতিয়ে মানুহক অকল উপযুক্ত খাদ্যসামগ্ৰী, শিক্ষা, স্বাস্থ্য আদিৰ সুবিধাৰ পৰাই বঞ্চিত নকৰে ইয়ে দেশৰ অধিকাংশ লোকক কৰ্মহীন কৰিব। দেশৰ অধিকাংশ লোকেই প্ৰয়োজনীয় ন্যূনতম খাদ্য সামগ্ৰীখিনিয়ে কিনাৰ সামৰ্থতা হেৰুৱাব। পেটৰ অগনিয়ে সবাকো দংশিব। পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছৰ ওপৰত অতিৰিক্ত কৰ বহুৱাই অধিক পৰিমাণে ৰাজহ সংগ্ৰহ কৰিছে, আনফালে স্থানীয় কোম্পানীসমূহৰ কৰ্প'ৰেট কৰ ৩০ শতাংশৰ পৰা ২২ শতাংশলৈ হ্ৰাস কৰিছে। ন্যূনতম বিকল্প কৰ ১৮.৫ শতাংশৰ পৰা ১৫ শতাংশলৈ হ্ৰাস কৰিছে। ইতিমধ্যে চৰকাৰখন ঋণাগ্ৰস্ত হৈ পৰিছে। চৰকাৰখনৰ মুঠ ঋণ প্ৰায় দেশৰ জি-ডি-পিৰ সমান। বৰ্তমান দেশৰ জি-ডি-পি ১৩৫.১০ লাখ কোটি টকাৰ বিপৰীতে আভ্যন্তৰীণ ঋণ ১,৩১,৫৮,৪৯০.৩৭ কোটি টকা আৰু বহিঃঋণ ৪,২৯,৪০২.৭৯ কোটি টকা মুঠ ১,৩৫,৮৭,৮৯৩.১৫ কোটি টকাৰ ঋণ। দেশৰ অৰ্থনীতি শ্ৰীলংকাৰ পৰিস্থিতিৰ নিচিনা নহ'লে ৰক্ষা। যোৱা বছৰৰ পৰা দেশৰ ৰপ্তানি বৃদ্ধি হৈছে, কিন্তু আমদানিৰ পৰিমাণো বৃদ্ধিৰ ফলত দিনে দিনে বৃদ্ধি হৈ গৈ আছে কাৰেণ্ট একাউণ্ট ঘাটি। ২০২১ৰ শেহতীয়া ত্ৰৈমাসিকত যোৱা ন বছৰৰ অধিকতম কাৰেণ্ট একাউণ্ট ঘাটি হৈ ২৩ বিলিয়ন ডলাৰ হৈছে। খাৰুৱা তেলৰ মূল্যবৃদ্ধিত অধিক ডলাৰ ওলাই গৈ বাণিজ্য ঘাটি আৰু অধিক পৰিমাণৰ হ'ব। দেশৰ অৰ্থনীতিৰ এই পৰিস্থিতিত দেশৰ বৃহৎ পুঁজিপতিসকল সমৃদ্ধিশালী হ'লেও ৮০ শতাংশ জনসাধাৰণৰ দুখ-দুৰ্দশা বৃদ্ধি পাইছে। বৃহৎ পুঁজিপতিৰ উন্নতিয়ে দেশৰ উন্নতিত পৰিণত হৈছে।

ফোন: ৯৪৩৫০৪১২০৩

# দুৰ্ভিক্ষৰ গ্ৰাসত ৰাৱণৰ স্বৰ্ণলংকা

**অভিমত**

**যোৱা** চাৰি এপ্ৰিল সংখ্যা 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'দুৰ্ভিক্ষৰ গ্ৰাসত ৰাৱণৰ স্বৰ্ণলংকা' শীৰ্ষক নিবন্ধটোৰ নিবন্ধকাৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাই শ্ৰীলংকাৰ আৰ্থিক দুৰৱস্থাৰ জৰিয়তে ভাৰতকো আসন্ন বিপদৰ বাবে সাজু হ'বলৈ সকীয়নি বাণী প্ৰদান কৰিছে। এই নিবন্ধটোৰ আঁত ধৰি মোৰ মনৰ ভাৱ প্ৰকাশ কৰিলো।

অৰ্থনীতিৰ সূত্ৰবোৰ এখন ঘৰ চলোৱা, এখন ৰাজ্য পৰিচালনা কৰা আৰু এখন দেশ পৰিচালনা কৰা সকলোতে সমানে প্ৰযোজ্য হয়। বস্তুৰ দাম বাঢ়িলে চাহিদা কমে, বস্তুৰ দাম কমিলে চাহিদা বাঢ়ে। চাহিদাৰ অনুপাতে যদি বস্তুৰ যোগান ধৰা হয়, তেনেহ'লে বস্তুৰ মূল্য স্থিৰ অৱস্থাত থাকে, চাহিদা অনুপাতে যোগান কমিলে, বস্তুৰ দাম বাঢ়ে আৰু চাহিদা অনুপাতে যোগান বাঢ়িলে বস্তুৰ মূল্য হ্ৰাস পায়। কিন্তু এনে কিছুমান বস্তু আছে, যাৰ দাম বাঢ়িলেও চাহিদা কমাবৰ উপায় নাই। তাৰ উপৰি আয় বাঢ়িলে, ব্যয় কৰিবৰ ইচ্ছা হয়। আয় কমিলে ব্যয়ৰ পৰিমাণ হ্ৰাস কৰা হয়। কিন্তু কেতিয়াবা উপায়ান্তৰ হৈ আয় কমিলেও ব্যয় কৰিব লগা হয়। আৰু তেতিয়াই ঋণৰ প্ৰয়োজনীয়তা আহি পৰে। ঋণ লোৱাৰ পূৰ্বে ঋণৰ কিস্তি পৰিশোধ কৰাৰ উৎস আছে নে নাই বিচাৰ কৰিব লাগিব। ঋণ লোৱা ধন ৰাশি বিলাসী জীৱন কটোৱা বা অনুৎপাদিত আঁচনিত ব্যৱহাৰ কৰিলে ঋণ পৰিশোধৰ ক্ষমতা হ্ৰাস পায়।

শ্ৰীলংকা দুৰ্ভিক্ষৰ কবলত পৰাৰ মূল কাৰণসমূহ বিশ্লেষণ কৰিলে দেখা যায় অৰ্থনৈতিক পৰিকল্পনাৰ অভাৱ, দক্ষ পৰিচালকৰ অভাৱ, পৰৰাষ্ট্ৰৰ উচটনি আদিয়ে প্ৰধান। ঋণ লৈ অনুৎপাদিত আঁচনিত অধিক ঋণ খৰচ কৰাৰ বাবে ঋণৰ কিস্তি পৰিশোধ কৰিব পৰা নাছিল। সেয়ে নিত্য ব্যৱহাৰিক বস্তুৰ ওপৰত অধিক কৰ আৰোপিত কৰি আয় বৃদ্ধি কৰি, ঋণৰ কিস্তি পৰিশোধ কৰাৰ পৰিকল্পনা কৰা হৈছিল। কিন্তু হিতেই বিপৰীত হ'ল।

বস্তুৰ দাম বাঢ়ি গ'ল, ফলত সৰ্বসাধাৰণ জনতাৰ ক্ৰয় ক্ষমতা কমি আহিল। তাৰ উপৰি ঋণৰ সুত পৰিশোধ কৰিবলৈ অধিক ঋণৰ বোজা বহন কৰিব লগা হ'ল। চীনে শ্ৰীলংকাৰ অৰ্থনৈতিক মন্দাৱস্থাৰ সুযোগ গ্ৰহণ কৰি ব্যৱসায় চলাই থাকিলহু, কিন্তু শ্ৰীলংকাৰ অৰ্থনৈতিক উন্নয়নৰ বাবে কোনো ধৰণৰ সঁহাৰি নজনালে।

শ্ৰীলংকাৰ সমস্যাৰ পৰা শিক্ষা গ্ৰহণ কৰি ভাৰতবৰ্ষ তথা অসমত সজাগ হ'বৰ হ'ল। অনুৎপাদিত আঁচনিসমূহ বন্ধ কৰি উৎপাদনশীল, আয়বৰ্ধক আঁচনিত গুৰুত্ব প্ৰদান কৰিব লাগিব। নতুন চিন্তা-ভাৱনাৰে অৰ্থনৈতিক পৰিকল্পনা যুগুত কৰি নিয়োগ সৃষ্টিৰ বাবে গুৰুত্ব প্ৰদান কৰা উচিত।

**জ্যোতিষ চন্দ্ৰ দত্ত**
**হাতীগাঁও, গুৱাহাটী**
ফোন: ৯৮৫৪০-৪১৮১৫

# কংগ্ৰেছ মৰিলে ৰাইজৰ ক্ষতি কি?

**কংগ্ৰেছৰ** ভৱিষ্যতক লৈ আটাইতকৈ বেছি উদ্বিগ্ন হৈ পৰিছে অসমৰ বিজেপি নেতাসকল। ৰাজনৈতিক পণ্ডিত আৰু কিছুমান বুদ্ধিহীন বুদ্ধিজীৱিও আতংকিত হৈ পৰিছে। এই বিষয়টোকে লৈ সংবাদ মাধ্যমত পানী ঘোলা কৰি থকা হৈছে। একেবোৰ বাৰে বাংকাৰ কথা পঢ়ি পাঠক আৰু শ্ৰোতাৰূপে আমাৰো আমনি লাগিছে। এই পৃথিৱীত স্থায়ী বুলি কোনো বস্তু নাই। ভাৰতবৰ্ষত কিমান ৰাজনৈতিক দলৰ মৃত্যু হ'ল— ৰাজনৈতিক খবৰ ৰখা ব্যক্তিসকলে জানে। সেই বুলি ভাৰতবৰ্ষ ধ্বংস হ'ল নেকি? ৰাইজৰ কিবা ক্ষতি হ'ল নেকি? তেন্তে কংগ্ৰেছক লৈ ইমান হৈ-চৈ কৰাৰ কাৰণ কি? কংগ্ৰেছ এটা পৰিয়ালতান্ত্ৰিক দল। নাও ডুবিলেও ছোনিয়া-ৰাহুল গান্ধীয়ে টিঙৰ পৰা নানামে। মল্লিকাৰ্জুন খাৰ্গে, কমল নাথ, অশোক গেহলট, অম্বিকা ছোনি ইত্যাদি স্তাৱক আৰু মোচাহেবসকলে ছোনিয়াক পদৰ পৰা বিতাড়িত কৰিব নোখোজে। কংগ্ৰেছ ৰাইজৰ মাজত নাই, আছে মোচাহেবসকলৰ মাজত। এনে এটা গোড়া অঁকৰা মৈত উঠা, দল মৰিলে ৰাইজৰ কোনো ক্ষতি নহয়। আন বহুতো দল আছে। কংগ্ৰেছক লৈ মূৰ ঘমোৱাৰ প্ৰয়োজন নাই। মূল্যবৃদ্ধি, নিবনুৱা সমস্যা, নাৰী নিৰ্যাতন সীমা সমস্যা ইত্যাদিৰ কথা সকলোৱে ভাৱক।

**গুণেশ্বৰ কৈৱৰ্ত**, নলবাৰী
ফোন: ৭৮৯৬৯-২৫৩৮৮



**কেৱল** হাত, ভৰি, নাক, কাণ থকাজনকে মানুহ বুলি ক'ব নোৱাৰি। মানুহ বুলি পৰিচয় দিব লাগিলে মানুহৰ মানৱীয় গুণ থকাটো জৰুৰী। এই পৃথিৱীত বিভিন্ন ধৰণৰ মানুহ আছে। এচামে মাথোঁ খাই বৈ জীয়াই থকাটোকে জীৱন বোলে। আন এচামে আনৰ মূৰত কঁঠাল ভাঙি খাই জীৱন নিৰ্বাহ কৰিব বিচাৰে। আন এচামে নিজৰ কাম সিজাবলৈ অনৈতিক কাম-কাজক নৈতিক বুলি প্ৰতিপন্ন কৰিবলৈ উঠি পৰি লাগে আৰু খাবলৈহে জীয়াই

# তিনি শ্ৰেণীৰ মানুহৰ লগত আল্লাহৰ বিবাদ

থাকে। খুৱ কম সংখ্যকেহে সমাজ নীতি মানি জীয়াই থাকিবলৈ খায় আৰু আনৰ কাৰণে কান্দিবও জানে।

বুখাৰী শ্বৰীফত উল্লেখ আছে--- আল্লাহৰ ৰছুলে জনাইছে যে স্বয়ং আল্লাহ তা'লাই কৈছে--'কিয়ামতৰ দিনা তিনি শ্ৰেণীৰ মানুহৰ লগত মোৰ বিবাদ হ'ব। প্ৰথম শ্ৰেণীৰ হ'ল--যি মানুহে মোৰ নামত কোনো কথাত চুক্তিবদ্ধ হয় আৰু তাৰ পিছত ইয়াক ভাঙি পেলায়। দ্বিতীয়---যি মানুহে কোনো স্বাধীন লোকক ধৰি নি আনৰ ওচৰত বিক্ৰী কৰে আৰু উক্ত বিক্ৰীলব্ধ ধন ভক্ষণ কৰে।

তৃতীয়--যি মানুহে কোনো শ্ৰমিকক নিজৰ কামত নিয়োগ কৰে আৰু তাৰ দ্বাৰাই সম্পূৰ্ণ কাম কৰাই লয়, কিন্তু তাক তাৰ প্ৰাপ্য পাৰিশ্ৰমিক প্ৰদান নকৰে।

তিনি প্ৰকাৰৰ মানুহৰ বাবে বেহেস্ত হাৰাম--- আল্লাহৰ ৰছুলে কৈছে-- 'তিনি প্ৰকাৰ মানুহৰ বাবে আল্লাহ তা'লাই বেহেস্ত হাৰাম কৰিছে।

এক---যি মানুহে অনবৰতে সুৰা পান কৰে।

দুই--যি মানুহে পিতৃ-মাতৃৰ অবাধ্য হয়। তিনি-- যিয়ে নিজৰ স্ত্ৰীৰ দ্বাৰা ব্যভিচাৰ কৰায়।

মুছলিম শ্বৰীফত উল্লেখ আছে--- আল্লাহৰ ৰছুলে কৈছে-- শ্বহীদৰ সকলো গুণাহ (অপৰাধ) মাফ কৰা হ'ব। কিন্তু মাফ নহ'ব ঋণ পৰিশোধ নকৰাৰ গুণাহ।

বুখাৰী আৰু মুছলিম শ্বৰীফত উল্লেখ আছে--আল্লাহৰ ৰছুলে কৈছে-- যি মানুহে পৃথিৱীত দুই মুখ ধাৰণ কৰে, কিয়ামতৰ দিন সেইজন মানুহৰ জুইৰে পৰিপূৰ্ণ দুখন মুখ থাকিব।

আবুদাউদৰ এটি বৰ্ণনাত আছে-- কিয়ামতৰ দিনা প্ৰতাৰকবোৰৰ দুটাকৈ জিভা থাকিব। এই লেখাৰ দ্বাৰাই ক'ব বিচাৰো যে হৃদয়ত মানৱতাবোধৰ জন্ম হ'লেহে মানুহ সুস্থ, সামাজিক আৰু ভাল মানুহ হ'ব। বুদ্ধি, বিবেচনা, সতৰ্কতা, সচেতনতা আৰু সাৱধানতা --এই কেইটা গুণেই হ'ল মানুহ বিপদৰ বন্ধু। মানুহক লাগে মানুহৰ বাবে অকণ চিন্তা। ব্যক্তি আৰু সমাজৰ ক্ষতি নকৰাকৈ নিজৰ কাম কৰাটো প্ৰকৃত ধৰ্ম। আমাৰ দৈনন্দিন স্বৰ্থচিন্তাবোৰ আনৰ ক্ষতি নকৰাকৈ কেনেকৈ পৰিচালিত কৰিব পাৰি আমি ভাবি উলিয়াব পাৰিলেহে প্ৰকৃতাৰ্থত মানুহৰ শাৰীত ঠিয় হ'ব পাৰিম। অমানুহবোৰ চয়তানৰ তুল্য। যাৰ মানৱতা নাই তেওঁৰ কোনো ধৰ্ম নাই।

**ৰমিছা বেগম**

দৈনিক অগ্ৰদূত

# দেশ-দেশান্তৰ

গুৱাহাটী, ২৫ এপ্ৰিল, ২০২২ সোমবাৰ, পৃষ্ঠা ৭

## হনুমান চালিচাক লৈ সংঘাত ঃ বিধায়ক স্বামীসহ সাংসদ নৱনীতক ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ



**নিউজ ব্যুৰ', মুম্বাই, ২৪ এপ্ৰিল ঃ** মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ বাসগৃহৰ বাহিৰত হনুমান চালিচা পাঠ কৰাৰ বাবে অটল অমৰাৱতীৰ সাংসদ নৱনীত ৰাণা আৰু তেওঁৰ বিধায়ক স্বামী ৰবি ৰাণাক বান্দ্ৰা আদালতে ১৪ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিলে। নৱনীত আৰু ৰবিৰ জামিন আবেদনৰ সন্দৰ্ভত আদালতে পৰৱৰ্তী শুনানি অহা ২৯ এপ্ৰিলত গ্ৰহণ কৰিব। উল্লেখ্য যে কালি থাকৰেৰ বাসগৃহৰ বাহিৰত হনুমান চালিচা পাঠ কৰিবলৈ আয়োজন চলোৱা নৱনীত আৰু তেওঁৰ স্বামী ৰবিক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল।

## ভাৰতলৈ অহা বিদেশী নেতাই কেৱল গুজৰাটলৈহে যায়, অভিযোগ পাৱাৰৰ



**নিউজ ব্যুৰ', মুম্বাই, ২৪ এপ্ৰিল ঃ** এন চি পিৰ মুৰব্বী শাৰদ পাৱাৰে আকৌ এবাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰক কঠোৰভাৱে সমালোচনা কৰিলে। ভাৰত ভ্ৰমণলৈ অলপতে অহা ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে গুজৰাট ভ্ৰমণ কৰাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এন চি পিৰ মুৰব্বীয়ে কয় যে ভাৰতলৈ অহা প্ৰতিজন বিদেশী নেতাই এতিয়া কেৱল গুজৰাট ভ্ৰমণ কৰিবলৈ যায়। পাৱাৰে অভিযোগ কৰি কয়, 'মই ইন্দিৰা, ৰাজীৱ গান্ধী, নৰসিংহ ৰাও, মনমোহন সকলোৰে কাৰ্যকাল প্ৰত্যক্ষ কৰিছো। যেতিয়া আন দেশৰ পৰা কোনো নেতা ভাৰতলৈ আহিছিল তেতিয়া তেওঁলোকে দিল্লীলৈ আহিছিল। হায়দৰাবাদ বা কলকাতালৈকো গৈছিল। কিন্তু এতিয়া পৰিস্থিতি সম্পূৰ্ণ হ'ল। হিন্দুস্তানলৈ কোনো বিদেশী নেতা আহিলে তেওঁলোকে কেৱল গুজৰাটলৈ যায়।' উল্লেখ্য যে গুজৰাট হৈছে প্ৰধানমন্ত্ৰী মোদীৰ গৃহৰাজ্য। ব্ৰিটিছ প্ৰধানমন্ত্ৰী জনছনৰ দৰে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পেও ভাৰত ভ্ৰমণসূচীত গুজৰাটলৈ গৈছিল।

## আমেৰিকাৰ বৈদেশিক-প্ৰতিৰক্ষা মন্ত্ৰীক সাক্ষাৎকাৰ জেলেনস্কিৰ



**নিউজ ব্যুৰ', কীভ, ২৪ এপ্ৰিল ঃ** ৰাছিয়াই ইউক্ৰেইনৰ বিৰুদ্ধে আক্ৰমণ অব্যাহত ৰখাৰ মাজতে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ জেলেনস্কিয়ে আজি ঘোষণা কৰি কয় যে তেওঁ ৰাজধানী কীভত আমেৰিকাৰ বৈদেশিক মন্ত্ৰী এণ্টনি ব্লিংকন আৰু প্ৰতিৰক্ষা লয়ড অষ্টিনক সাক্ষাৎ কৰিব। উল্লেখ্য যে আজি কীভত উপস্থিত হৈছে আমেৰিকাৰ এই দুই প্ৰতিনিধিয়ে। জেলেনস্কিয়ে এখন সংবাদমেলত আমেৰিকাৰ প্ৰতিনিধিক সাক্ষাৎ কৰাৰ প্ৰসংগত মন্তব্য প্ৰকাশ কৰিবলৈ অস্বীকাৰ কৰে। অৱশ্যে ৰাষ্ট্ৰপতিজনে কীভলৈ আমেৰিকাৰ বিদেশ আৰু প্ৰতিৰক্ষা মন্ত্ৰী অহাৰ কথা সংবাদ মাধ্যমৰ আগত স্বীকাৰ কৰিছে। ৰাছিয়াৰ আক্ৰমণ প্ৰতিৰোধৰ সন্দৰ্ভত মাৰ্কিন প্ৰতিনিধিয়ে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিৰ স'তে আলোচনা কৰিব।

## পাকিস্তানৰ ডিগ্ৰী স্বীকৃত নহ'ব ভাৰতত, ইউ জি চি-এ আই চি টি ইৰ ঘোষণা



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ এপ্ৰিল ঃ** এইবাৰ শিক্ষা ক্ষেত্ৰত পাকিস্তানৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলে ভাৰতে। কোনো ভাৰতীয় অথবা বা প্ৰবাসী ভাৰতীয় ছাত্ৰই যাতে পাকিস্তানৰ শিক্ষানুষ্ঠানৰ পৰা ডিগ্ৰী গ্ৰহণ নকৰে, তাৰ বাবে নিৰ্দেশনা জাৰি কৰিলে বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউ জি চি) আৰু এ আই চি টি ইয়ে। পাকিস্তানৰ শিক্ষানুষ্ঠানৰ ডিগ্ৰী-ডিপ্ল'মা ভাৰতত স্বীকৃতি নহ'ব বুলি ইউ জি চি-এ আই চি টি ইয়ে ঘোষণা কৰিলে। পাকিস্তানৰ শিক্ষানুষ্ঠানৰ পৰা লাভ কৰা ডিগ্ৰী ভাৰতত চাকৰি লাভ বা উচ্চ শিক্ষাৰ ক্ষেত্ৰত গ্ৰহণীয় নহ'ব।

## বাতিল হ'ল ৰিলায়েন্স, ফিউচাৰৰ ২৪,৭৩৬ কোটি টকাৰ চুক্তি



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ এপ্ৰিল ঃ** ৰিলায়েন্স আৰু ফিউচাৰ গ্ৰুপৰ মাজত পূৰ্বে সম্পন্ন হোৱা প্ৰায় ২৪,৭৩৬ কোটি টকাৰ বাণিজ্যিক চুক্তি বাতিল হ'ল। ফিউচাৰ ৰিটেইল লিমিটেডৰ মাজত থকা 'আনচিকিউৰড' গোষ্ঠীৰ অংশই ৰিলায়েন্সৰ স'তে চুক্তিৰ বাবে সন্মত হ'লেও 'চিকিউৰড' বিনিয়োগকাৰীসকলৰ সংখ্যাগৰিষ্ঠই এই চুক্তি নিবিচৰা হেতুকে ফিউচাৰ-ৰিলায়েন্সৰ বাণিজ্যিক চুক্তি বাতিল কৰা হ'ল। ফলত ফিউচাৰ গ্ৰুপৰ বিগ বাজাৰৰ মালিকানা লাভৰ পৰা বঞ্চিত হ'ল ৰিলায়েন্সৰ মুৰব্বী মুকেশ আম্বানী।

### দেশৰ ৰাজধানীত আৰম্ভ হ'ল নেকি চতুৰ্থ ঢৌ ? ২৭ এপ্ৰিলত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীৰে বৈঠক প্ৰধানমন্ত্ৰীৰ

# দিল্লীত দৈনিক হেজাৰৰ অধিক লোক কৰ'নাত সংক্ৰমিত



**নিউজ ব্যুৰ' নতুন দিল্লী, ২৪ এপ্ৰিল ঃ** দেশৰ ৰাজধানী দিল্লীত শনিবাৰে পুনৰ এহেজাৰৰ অধিক লোক কৰ'নাত আক্ৰান্ত হ'ল। ১০ ফেব্ৰুৱাৰী ২০২২ৰ পাছত দিল্লীত সম্প্ৰতি ক'ভিডৰ সংক্ৰমণ সৰ্বাধিক হৈছে। শুকুৰবাৰৰ তুলনাত শনিবাৰে দিল্লীত ৫২ জন অধিক ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল। দিল্লীত সম্প্ৰতি ৩,৭০৫ জন সক্ৰিয় ক'ভিড ৰোগী আছে। শনিবাৰে ৰাজধানী চহৰখনত দুজন কৰ'না ৰোগীৰ মৃত্যু হ'ল। বৰ্তমানলৈকে দিল্লীত ক'ভিডত ২৬,১৬৬ জন লোকে প্ৰাণ হেৰুৱালে। আই আই টি মাদ্ৰাজৰ গৱেষকৰ তথ্য অনুসৰি সম্প্ৰতি দিল্লীত এজন ক'ভিড আক্ৰান্তৰ পৰা আন দুজন লোক সংক্ৰমিত হৈছিল। দিল্লীত কৰ'নাৰ সংক্ৰমণৰ চতুৰ্থটো ঢৌ আৰম্ভ হ'ল নেকি বুলি এক প্ৰশ্ন উত্থাপিত হৈছে। আই আই টি মাদ্ৰাজৰ গৱেষকৰ মতে, দিল্লীত কৰ'নাৰ চতুৰ্থ সংক্ৰমণৰ ঢৌ আৰম্ভ হোৱাৰ বিষয়ত নিশ্চিত হ'বলৈ আৰু কিছুদিন অপেক্ষা কৰিব লাগিব।



যোৱা ১৫ এপ্ৰিলত দিল্লীত ৩৬৬ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। তাৰ পাছৰে পৰা ৰাজধানী চহৰখনত প্ৰতিদিনে ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পাই আহিছে। ১৬ এপ্ৰিলত ৪৬১, ১৭ এপ্ৰিলত ৫১৭, ১৮ এপ্ৰিলত ৫০১, ১৯ এপ্ৰিলত ৬৩২, ২০ এপ্ৰিলত ১০০৯, ২১ এপ্ৰিলত ৯৬৫, ২২ এপ্ৰিলত ১০৪২ আৰু ২৩ এপ্ৰিলত ১০৯৪ জন লোক দিল্লীত কৰ'নাত আক্ৰান্ত হ'ল। ৰাজধানী চহৰখনৰ লগতে দেশৰ আন কে'বাখনো ৰাজ্যত কৰ'নাৰ সংক্ৰমণ পুনৰ উৰ্ধ্বমুখী হ'ব ধৰিছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৭ এপ্ৰিলত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীৰ স'তে এখন বৈঠকত অংশ ল'ব। ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে মুখ্যমন্ত্ৰীসকলৰ লগত ক'ভিড পৰিস্থিতিক লৈ আলোচনা কৰিব। ইফালে, গুড়গাঁৱত কালি ২৯১ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। গুড়গাঁৱত সম্প্ৰতি ১,২১৮ জন সক্ৰিয় ক'ভিড ৰোগী আছে। নয়ডাত কালি ১২৭ জন ক'ভিড ৰোগী চিনাক্ত কৰা হৈছিল। এইসকল ৰোগীৰ ১৭ জন হৈছে ছাত্ৰ। কালি গাজিয়াবাদত ৪৬ জন আৰু ফৰিদাবাদত ২৩ জন লোকৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ ধৰা পৰিছিল।

## পুনৰ বৃদ্ধি দেশৰ দৈনিক সংক্ৰমণ, ৪৪ জনৰ মৃত্যু



**নিউজ ব্যুৰ' নতুন দিল্লী, ২৪ এপ্ৰিল ঃ** ভাৰতত যোৱা বৃহস্পতিবাৰৰ পৰা ক'ভিডৰ নতুন সংক্ৰমণ প্ৰতিদিনে বৃদ্ধি পাই আহিছে। যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ২,৫৯৩ জন লোক। প্ৰতি ২৪ ঘণ্টাত দেশত ৬০-৭০ জনকৈ ক'ভিড আক্ৰান্ত লোকৰ সংখ্যা ধাৰাবাহিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। ইফালে, যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ২৪ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। বৰ্তমানে দেশত ১৫,৮৭৩ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

## হিমাচল প্ৰদেশতো বাধ্যতামূলক হ'ল মাস্কৰ পৰিধান

**নিউজ ব্যুৰ' ছিমলা, ২৪ এপ্ৰিল ঃ** কৰ'না প্ৰতিৰোধৰ ক্ষেত্ৰত পুনৰ কঠোৰ ক'ভিড বিধি প্ৰৱৰ্তন কৰিলে হিমাচল প্ৰদেশ চৰকাৰে। দেশৰ বিভিন্ন ৰাজ্যত শেহতীয়াভাৱে ক'ভিডৰ সংক্ৰমণ পুনৰ উৰ্ধ্বমুখী হোৱাৰ প্ৰতি লক্ষ্য ৰাখি হিমাচল চৰকাৰে ৰাজ্যখনত ৰাজহুৱা স্থানত মাস্কৰ পৰিধান বাধ্যতামূলক ঘোষণা কৰিলে। হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী জয়ৰাম ঠাকুৰে আজি এই কথা ঘোষণা কৰি কয় যে ৰাজ্যখনৰ ক'ভিড পৰিস্থিতি সম্পূৰ্ণ নিয়ন্ত্ৰণত আছে যদিও প্ৰতিবেশী ৰাজ্যত ক'ভিড সংক্ৰমণ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

## তলাবন্ধৰ পাছতো অনিয়ন্ত্ৰিত ক'ভিড সংক্ৰমণ, ছাংঘাইত তিনিগুণ বৃদ্ধি মৃত্যু

**নিউজ ব্যুৰ', বেইজিং, ২৪ এপ্ৰিল ঃ** চীনৰ ৰাজধানী বেইজিঙত ক'ভিড অতিমাৰীৰ সন্দৰ্ভত ইতিমধ্যে 'হাই এলাৰ্ট' জাৰি কৰা হৈছে। সংক্ৰমণ বৃদ্ধিৰ ফলত পৰিস্থিতিয়ে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। দেশখনৰ অন্যতম বিত্তীয় কেন্দ্ৰ ছাংঘাইত ক'ভিডত পুনৰ ৩৯ জন লোকৰ মৃত্যু হ'ল। দৈনিক মৃত্যুৰ ক্ষেত্ৰত এই সংখ্যা হৈছে বৰ্তমানলৈকে সৰ্বাধিক। এদিন পূৰ্বে ছাংঘাইত ১২ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। মাত্ৰ ২৪ ঘণ্টাতে চীনৰ এইখন চহৰত ক'ভিডত মৃতকৰ সংখ্যা তিনিগুণ বৃদ্ধি পালে। ছাংঘাইত বিগত পাঁচ সপ্তাহ ধৰি কঠোৰ তলাবন্ধ অব্যাহত থকাৰ পাছতো চহৰখনত কৰ'নাৰ সংক্ৰমণ আৰু মৃত্যুৰ সংখ্যা উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। চীনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য আয়োগে প্ৰকাশ কৰা অনুসৰি যোৱা শনিবাৰে দেশখনত ২৯,৭৯৬ জন ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল। এইসকল ৰোগীৰ ১,৫৬৬ জনৰ শৰীৰত ক'ভিডৰ উপসৰ্গ আছিল যদিও অন্যান্য ৰোগীৰ দেহত সংক্ৰমণৰ লক্ষণ প্ৰকট হোৱা নাছিল। সম্প্ৰতি দেশখনৰ ছাংঘাইত সৰ্বাধিক সংখ্যক লোক কৰ'নাত সংক্ৰমিত হৈছে। বেইজিঙতো কালি ২২ জন ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল।



## ইউক্ৰেইনক ড্ৰ'ন, এণ্টিটেংক অস্ত্ৰ প্ৰদান কৰিব ব্ৰিটেইনে



**নিউজ ব্যুৰ', কীভ, ২৪ এপ্ৰিল ঃ** ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ জেলেনস্কিৰ স'তে ফোনযোগে হোৱা বাৰ্তালাপত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে কয় যে তেওঁৰ দেশে যুদ্ধ বিধ্বস্ত ইউক্ৰেইনক অধিক সামৰিক সহায় প্ৰদান কৰিবলৈ সাজু আছে। বি বি চিৰ বাতৰি অনুসৰি, ডাউনিং ষ্ট্ৰীটে এক বিবৃতিত উল্লেখ কৰা মতে, কালি জনছন আৰু জেলেনস্কিয়ে ফোনযোগে আলোচনা কৰিছিল আৰু এই আলোচনাত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীয়ে জেলেনস্কিক প্ৰতিশ্ৰুতি দি কয় যে ব্ৰিটেইনে শীঘ্ৰে ড্ৰ'ন, টেংক প্ৰতিৰোধী 'এণ্টি টেংক' অস্ত্ৰ আৰু সামৰিক বাহন ইউক্ৰেইনলৈ প্ৰেৰণ কৰিব। ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে অহা সপ্তাহত কীভত ব্ৰিটিছ দূতাবাস পুনৰ মুকলি কৰিব বুলিও জেলেনস্কিক জানিবলৈ দিলে।

## নাইজেৰিয়াৰ ইম'ত তেলৰ অবৈধ শোধনাগাৰত বৃহৎ বিস্ফোৰণত শতাধিকৰ মৃত্যু



**নিউজ ব্যুৰ', ইম', ২৪ এপ্ৰিল ঃ** নাইজেৰিয়াৰ দক্ষিণৰ ৰাজ্য ইম'ত এটা অবৈধ তেল শোধনাগাৰত সংঘটিত হোৱা ভয়াৱহ বিস্ফোৰণত এশজনৰো অধিক লোকৰ মৃত্যু হ'ল। প্ৰত্যক্ষদৰ্শীয়ে স্থানীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি প্ৰকাণ্ড বিস্ফোৰণৰ শব্দ বহু দূৰলৈকে শুনা গৈছিল আৰু প্ৰবল জুই, ধোঁৱাই আকাশ ছানি ধৰিছিল। মাজনিশা এই অবৈধ তেল শোধনাগাৰত বিস্ফোৰণ সংঘটিত হৈছিল। স্থানীয় আৰক্ষীয়ে জনোৱা অনুসৰি বিস্ফোৰণত ফলত শোধনাগাৰত উপস্থিত থকা শতাধিক লোকৰ ঘটনাস্থলীতে মৃত্যু হয়। মৃতকৰ সংখ্যা অধিক বৃদ্ধিৰ সম্ভাৱনা আছে। কি কাৰণত শোধনাগাৰত উক্ত বিস্ফোৰণ সংঘটিত হৈছিল সেয়া এতিয়াও স্পষ্ট হোৱা নাই। অঞ্চলটোৰ পৰা আজি পুৱালৈকে ১০৮ টা অগ্নিদগ্ধ মৃতদেহ উদ্ধাৰ কৰা হৈছে।

## আমেৰিকাক ধ্বংস কৰিছে বাইডেনে, নৰকত পৰিণত আমাৰ দেশ ঃ অভিযোগ ট্ৰাম্পৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৪ এপ্ৰিল ঃ** আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে বৰ্তমানৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ বিৰুদ্ধে দেশক ধ্বংস কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিলে। ট্ৰাম্পে কয় যে ডেম'ক্ৰেটসকলে আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি বাইডেনৰ প্ৰশাসনে আমেৰিকাৰ সৰ্বনাশ কৰিছে। অহায়'ত আয়োজিত এখন ৰেলীত অংশ লোৱাৰ সময়ত ট্ৰাম্পে কয়, 'সত্যটো হৈছে নিৰ্বাচনত জালিয়াতি হৈছিল, ভোট চুৰি হৈছিল। এতিয়া আমাৰ দেশক ধ্বংস কৰা হৈছে। আমাৰ দেশৰ সৰ্বনাশ হৈছে আৰু আমাৰ দেশ নৰকত পৰিণত হ'বলৈ ধৰিছে। আমি পূৰ্বে এনে অৱস্থা প্ৰত্যক্ষ কৰা নাছিলো। আমাৰ দেশত এজন ৰাষ্ট্ৰপতি আছে, কিন্তু কি হৈ আছে সেয়া তেওঁ নাজানে। তেওঁ বতাহৰ স'তে হাত মিলাইছে।' ট্ৰাম্পে লগতে আমেৰিকাত পেট্ৰ'লৰ অত্যধিক মূল্য অভিলেখ ৰচনা কৰা মুদ্ৰাস্ফীতিৰ বাবে বাইডেন প্ৰশাসনক জগৰীয়া কৰে।

# ইয়েছ বেংকৰ শীৰ্ষ বিষয়াৰ অভিযোগ ঃ প্ৰিয়ংকা গান্ধীৰ পৰা দুই কোটিটকীয়া পেইণ্টিং কিনিবলৈ বাধ্য কৰোৱা হৈছিল



**নিউজ ব্যুৰ' নতুন দিল্লী, ২৪ এপ্ৰিল ঃ** গান্ধী পৰিয়ালৰ বিৰুদ্ধে চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিলে ইয়েছ বেংকৰ অন্যতম প্ৰতিষ্ঠাপক ৰাণা কপুৰে। প্ৰিয়ংকা গান্ধী ভদ্ৰাৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি কপুৰে কয় যে প্ৰিয়ংকাৰ পৰা মকবুল ফিদা হুছেইনে অংকণ কৰা এখন পেইণ্টিং দুই কোটি টকাত ক্ৰয় কৰিবলৈ তেওঁক বাধ্য কৰোৱা হৈছিল। এই ধনৰে নিউয়ৰ্কত কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধীৰ চিকিৎসা কৰোৱা হৈছিল। ২০২০ বৰ্ষৰ পৰা ধন সৰৱৰাহৰ এক গোচৰত কপুৰ ন্যায়িক জিম্মাত আছে। এই গোচৰৰে অভিযোগনামাত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ কপুৰে দুই কোটি টকাৰে প্ৰিয়ংকাৰ পৰা পেইণ্টিং ক্ৰয় কৰাৰ তথ্য উল্লেখ আছে। কপুৰে ই ডিক জনোৱা অনুসৰি তদানীন্তন পেট্ৰ'লিয়াম মন্ত্ৰী মুৰুলি দেওৰাই তেওঁক কৈছিল যে পেইণ্টিংখন ক্ৰয় কৰিলে তেওঁ গান্ধী পৰিয়ালৰ স'তে সুসম্পৰ্ক গঢ়ি তোলাৰ লগতে পদ্মভূষণ সন্মানো লাভ কৰিব পাৰিব। দেওৰাৰ পুত্ৰ মিলিন্দ দেওৰাই পাছত কপুৰক জনাইছিল যে পেইণ্টিংখনৰ বিনিময়ত তেওঁ আদায় দিয়া দুই কোটি টকা গান্ধী পৰিয়ালে নিউয়ৰ্কত ছোনিয়াৰ চিকিৎসাত ব্যয় কৰিছিল। দুই কোটি টকা চেকৰ মাধ্যমৰে আদায় দিয়া বুলিও কপুৰে ই ডিৰ আগত প্ৰকাশ কৰিছে। স্মৰ্তব্য যে ২০১৯ বৰ্ষৰ পৰা ইয়েছ বেংকৰ পতন আৰম্ভ হৈছিল আৰু ২০২০ বৰ্ষত এই বেংকৰ অৱস্থা শোচনীয় হৈছিল। বেংকৰ শ্বেয়াৰৰ মূল্য ধাৰাবাহিকভাৱে হ্ৰাস পাইছিল। এনে পৰিস্থিতিতে ইয়েছ বেংকৰ অন্যতম প্ৰতিষ্ঠাপক কপুৰৰ বাসগৃহত ই ডিয়ে অভিযান চলাইছিল। পাছত কপুৰক ই ডিৰ মুম্বাই কাৰ্যালয়লৈ নিয়া হৈছিল আৰু দীঘলীয়া জেৰাৰ অন্তত তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল।

## দিল্লী বিশ্ববিদ্যালয়ৰ চৌহদত আন্দোলনৰ বাবে ল'ব লাগিব কৰ্তৃপক্ষৰ পূৰ্ব অনুমতি



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ এপ্ৰিল ঃ** দিল্লী বিশ্ববিদ্যালয়ে এক জাননী জাৰি কৰি শিক্ষাৰ্থীসকলৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় চৌহদত কোনো প্ৰতিবাদী আন্দোলনৰ কাৰ্যসূচীৰ বাবে পূৰ্ব অনুমতি লোৱাটো বাধ্যতামূলক ঘোষণা কৰিলে। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই জনোৱা অনুসৰি বিগত কিছুদিনৰ ছাত্ৰ-ছাত্ৰীৰ কাম-কাজৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশনা জাৰি কৰা হৈছে। এতিয়াৰে পৰা দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে কোনো বিক্ষোভ কাৰ্যসূচী বা আন্দোলনৰ বাবে কৰ্তৃপক্ষৰ পূৰ্ব অনুমতি গ্ৰহণ কৰিব লাগিব। এই সন্দৰ্ভত বিশ্ববিদ্যালয়ৰ ৱেবছাইটত ইতিমধ্যে জাননী প্ৰকাশ কৰা হৈছে আৰু ছাত্ৰ সংগঠনসমূহলৈকো জাননী প্ৰেৰণ কৰা হৈছে। বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই লগতে কয় যে তেওঁলোকে শিক্ষাৰ্থীক আন্দোলনৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব বিচৰা নাই, বৰঞ্চ ছাত্ৰ-ছাত্ৰীৰ নিৰাপত্তা আৰু ৰাজহুৱা সম্পত্তি ৰক্ষণাবেক্ষণৰ উদ্দেশ্যৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

## কংগ্ৰেছক উদ্ধাৰৰ দায়িত্ব ল'বলৈ চৰ্ত সাপেক্ষে সাজু প্ৰশান্ত কিশোৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৪ এপ্ৰিল ঃ** নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে কংগ্ৰেছত যোগদান কৰাটো প্ৰায় নিশ্চিত হৈছে। কংগ্ৰেছৰ এক সূত্ৰই আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি যোৱা শুকুৰবাৰে ১০ জনপথত এখন বৈঠক অনুষ্ঠিত হৈছিল আৰু এই বৈঠকত কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভদ্ৰা আৰু জ্যেষ্ঠ নেতা কে চি বেণুগোপালৰ স'তে আলোচনাত অংশ লৈছিল কিশোৰে। এই বৈঠকতে কিশোৰে কংগ্ৰেছত চৰ্ত সাপেক্ষে যোগদানৰ প্ৰস্তাৱ দিয়ে। কিশোৰৰ চৰ্ত আৰু পৰামৰ্শৰ সন্দৰ্ভত কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধী আৰু সাংসদ ৰাহুল গান্ধীয়ে আলোচনা কৰি চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব। উল্লেখ্য যে বিগত কিছুদিন ধৰি কিশোৰে কংগ্ৰেছত যোগদান কৰিব বুলি বাতৰি চৰ্চিত হৈ আহিছে। এনে পৰিস্থিতিতে সন্মুখত থকা কে'বাখনো ৰাজ্যই বিধানসভাৰ নিৰ্বাচন আৰু ২০২৪ৰ লোকসভা নিৰ্বাচনক লৈ কংগ্ৰেছে এক প্ৰতিবেদন যুগুত কৰিলে। এই প্ৰতিবেদনত দলে কিশোৰক সদস্যভুক্ত কৰাৰ প্ৰস্তাৱ কৰিছে। তদুপৰি অন্যান্য ৰাজনৈতিক দলৰ স'তে কিশোৰক দূৰত্ব বৰ্তাই ৰাখিবলৈকো কংগ্ৰেছে চৰ্ত আৰোপ কৰিছে। নাম প্ৰকাশত অনিচ্ছুক এজন কংগ্ৰেছ নেতাই এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত এইদৰে কয়, 'প্ৰশান্ত কিশোৰৰ একাধিক ৰাজনৈতিক দলৰ স'তে কাম কৰে। ইয়াৰ মাজত তৃণমূল কংগ্ৰেছ আৰু তেলেংগানা ৰাষ্ট্ৰীয় সমিতি আছে। আমি তেওঁক এককভাৱে দলত বিচাৰিছো। যাতে তেওঁ কেৱল কংগ্ৰেছৰ হৈ কাম কৰে। এই বিষয়ত অতি শীঘ্ৰে কংগ্ৰেছ সভানেত্ৰীয়ে ঘোষণা কৰিব। ৰাহুল গান্ধীৰ স'তে আলোচনাৰ পাছতে নিৰ্ধাৰণ কৰা হ'ব কংগ্ৰেছৰ ভিতৰচ'ৰাত কিশোৰৰ ভূমিকা কি হ'ব?' কংগ্ৰেছৰ উক্ত সূত্ৰই লগতে প্ৰকাশ কৰা অনুসৰি নিৰ্বাচন ৰণনীতিজ্ঞ কিশোৰে দলৰ কাম-কাজত স্বাধীনতা দাবী কৰিছে। তেওঁ গ্ৰহণ কৰা পৰিকল্পনা ৰূপায়ণৰ ক্ষেত্ৰত যাতে কোনো বাধাৰ সৃষ্টি নহয় সেই কথাৰ নিশ্চয়তা কংগ্ৰেছৰ পৰা বিচাৰিছে কিশোৰে। কাম-কাজৰ সন্দৰ্ভত কিশোৰে কেৱল দলৰ সভাপতিকহে প্ৰতিবেদন দাখিল কৰিব। কংগ্ৰেছৰ আন কোনো নেতাৰ প্ৰতি তেওঁ জবাবদিহি নহ'ব বুলিও কিশোৰে চৰ্ত আৰোপ কৰিছে।



## কৰিনাৰ বিৰুদ্ধে হিন্দুৰ ধৰ্মীয় ভাবাবেগত আঘাত হনাৰ অভিযোগ



**নিউজ ব্যুৰ', মুম্বাই, ২৪ এপ্ৰিল ঃ** বলিউডৰ অভিনেত্ৰী কৰিনা কপুৰ খানৰ বিৰুদ্ধে হিন্দুৰ ধৰ্মীয় ভাবাবেগত আঘাত হনাৰ অভিযোগ উত্থাপিত হ'ল। অক্ষয় তৃতীয়া উপলক্ষে মালাবাৰ গ'ল্ডে সম্প্ৰতি এটা বিজ্ঞাপন প্ৰচাৰ কৰিছে আৰু এই বিজ্ঞাপনত কৰিনাই অংশ লৈছে। কিন্তু বিজ্ঞাপনত কৰিনাই কপালত ফোট বা বিন্দি ব্যৱহাৰ নকৰাৰ বাবে অভিনেত্ৰীগৰাকীক একাংশ লোকে সামাজিক মাধ্যমত কটাক্ষ কৰিছে। বিবাহিত হিন্দু মহিলাৰ কপালত বিন্দি নথকাটো অপসংস্কৃতি বুলি অভিযোগ কৰি এইসকল লোকে কৰিনাই হিন্দুৰ ধৰ্মীয় ভাবাবেগত আঘাত হানিলে বুলি মত প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত 'হেশ্বটেগ বয়কট কৰিনা কপুৰ খান' নামৰে এক অভিযানো অব্যাহত আছে।

# বেংকত তাকৰীয়া কৰ্মচাৰীৰ সংখ্যাৰ বাবে সমস্যা




## এপেক্স বেংক এমপ্লয়িজ ইউনিয়নৰ অধিবেশনৰ সামৰণি

**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ২৪ এপ্ৰিল ঃ** সীমিত সংখ্যক কৰ্মচাৰীৰ দ্বাৰা চলাই অহা এপেক্স বেংকত কৰ্মচাৰীৰ সংখ্যা বৃদ্ধি অবিহনে বেংক পৰিচালনা কৰা অসম্ভৱ। যথেষ্ট কষ্টৰে গ্ৰাহকক সেৱা আগবঢ়াই অহাৰ লগতে গ্ৰাহকসকলে যথেষ্ট সহযোগিতা আগবঢ়াই অহাৰ বাবে বেংক চলি আছে। অৱসৰ গ্ৰহণৰ পাছত ৰিক্ত হৈ থকা পদসমূহ পূৰণ নকৰাকৈ বেংক চলাই থকা অসম্ভৱ। ৪৯ সংখ্যক এপেক্স বেংক এমপ্লয়িজ ইউনিয়নৰ অধিবেশনত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে এপেক্স বেংক এমপ্লয়িজ ইউনিয়নৰ সম্পাদক উপেন ভূঞাই। মাজগাঁওস্থিত শ্ৰীশ্ৰী শংকৰ মন্দিৰ অনুষ্ঠানত কাৰ্যকৰী সভাপতি দীপক দাসৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত ৰৰ্কাৰ্ছ ইউনিয়নৰ প্ৰাক্তন সভাপতি ভূপেন গোস্বামী, দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশমনি শইকীয়া নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। বক্তাসকলে এপেক্স বেংকক আদৰি লোৱাৰ বাবে যথেষ্ট সমস্যাৰ মাজৰে চলি অহা বুলি কয়। বেংকটোৰ প্ৰতি থকা আস্থাৰ বাবে চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানসমূহেও গ্ৰহণ কৰিছে। সভাত তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ জ্যোতি কমল হাজৰিকাই ত্ৰি-বিংশতিতম সংখ্যা 'উত্তৰকাল' উন্মোচন কৰে। সভাই আগন্তুক দ্বি-বৰ্ষৰ বাবে ৰমেন্দ্ৰ নাৰায়ণ কলিতাক সভাপতি, বিনয় কৃষ্ণ কাকতি কাৰ্যকৰী-সভাপতি আৰু উপেন্দ্ৰ নাথ ভূঞাক সম্পাদকৰূপে লৈ ২৪ জনীয়া শক্তিশালী সমিতি গঠন কৰে। দুদিনীয়াকৈ অনুষ্ঠিত হোৱা এই অধিবেশনৰ আজি পুৱা পতাকা উত্তোলন কৰে কাৰ্যকৰী সভাপতি দিপক দাসে। ইয়াৰ পাছতে শংকৰ মন্দিৰ অনুষ্ঠানৰ পৰা উলিওৱা এক বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়।

# বেজেৰা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ২৪ এপ্ৰিল ঃ** দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা বেজেৰা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ যোৱা ২১ এপ্ৰিলৰ নিশা সামৰণি পৰে। সন্মিলনৰ কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা সন্মিলনৰ মুখ্য সভাপতি জমিৰুৰ ৰহমানে পতাকা উত্তোলনৰে আৰম্ভ হোৱা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ স্মৃতি তৰ্পণ কৰে বিহু উদ্‌যাপন সমিতিৰ কাৰ্যকৰী কাৰ্যকৰী সভাপতি দণ্ডধৰ ভূঞাই। ইয়াৰ পাছত গছপুলি ৰোপণ আৰু সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে মান্দাকাটা হাইস্কুলৰ শিক্ষক অচ্যুৎ দাসে। উক্ত শোভাযাত্ৰাত অংশগ্ৰহণ কৰে ভ্ৰাম্যমাণৰ যুৱ অভিনেতা ভৈৰৱজ্যোতি ভূঞা আৰু ঐ খাপলাৰ 'চেনী' খ্যাত জনপ্ৰিয় অভিনেত্ৰী ৰেখশ্ৰুতি নাথে। কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত প্ৰণৱ দত্ত গোস্বামীয়ে স্থানীয় আত্মসহায়ক গোটৰ এক প্ৰদৰ্শনী বিপনী উদ্বোধন কৰে। ইয়াৰ পাছত খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰে গোপালনাথ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰমেন্দ্ৰ নাথ শৰ্মাই। সন্ধিয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী মুকলি কৰে বিশিষ্ট কবি উৰ্ব্বশী চৌধুৰীয়ে। ভেশচন প্ৰতিযোগিতাৰ পাছতে 'অসমৰ সংস্কৃতিত ৰঙালী বিহু' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হয়। পূব কামৰূপ সাহিত্য সভাৰ সভাপতি গনেশ চন্দ্ৰ ডেকাই আঁতধৰা অনুষ্ঠানত পূব কামৰূপ অঞ্চলটোৰ জ্যেষ্ঠলোকসকল উপস্থিত থাকে। সন্ধিয়া প্ৰয়াত ৰমণী মোহন ডেকা সোঁৱৰণী সাংস্কৃতিক সন্ধিয়াৰ মঞ্চত স্মৃতিগ্ৰন্থ 'কপৌপাহি' তৃতীয় সংখ্যা উন্মোচন কৰা হয়। তত্বাৱধায়ক দ্বিজেন্দ্ৰ নাৰায়ণ ডেকা আৰু সম্পাদকদ্বয় তপন ডেকা, হীৰকজ্যোতি ডেকাৰ সম্পাদনাত যুগুত কৰি উলিওৱা স্মৃতিগ্ৰন্থ 'কপৌপাহি' উন্মোচন কৰে কালিচান্দ সেনে।

# শাওতলি পঞ্চায়তত গাঁওসভা-বিত্তীয় সাক্ষৰতাৰ ওপৰত সজাগতা সভা সম্পন্ন



**খুমটাই, ২৪ এপ্ৰিল ঃ** গোলাঘাট জিলাৰ কঁঠালগুৰি উন্নয়ন খণ্ডৰ অধীনস্থ শাঁওতলি গাঁও পঞ্চায়তত আজি পঞ্চায়তৰাজ দিৱস উপলক্ষে এখন গাঁওসভা অনুষ্ঠিত হয়। পঞ্চায়তটোৰ সভাপতি বিমলা ৰবিদাস সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত পঞ্চায়তখনৰ সচিব বিশ্বজিৎ দত্তই চৰকাৰী আঁচনিসমূহৰ বিষয়ে ব্যাখ্যা কৰে। আনহাতে, পঞ্চায়ত দিৱসৰ স'তে সংগতি ৰাখি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ চিএফএল প্ৰকল্পৰ অভিযানত কাকডোঙা বিত্তীয় সাক্ষৰতা কেন্দ্ৰৰ উদ্যোগত বিত্তীয় সাক্ষৰতাৰ সন্দৰ্ভত সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাত উপস্থিত ৰাইজৰ মাজত বিত্তীয় সাক্ষৰতা প্ৰদান কৰা আৰু অন্তৰ্ভুক্তিক উৎসাহিত কৰাৰ লগতে হিতাধিকাৰীসকলক সমাজৰ কল্যাণ আঁচনি যেনে সঞ্চয়, সুকন্যা, সমৃদ্ধি যোজনা, প্ৰধানমন্ত্ৰী জীৱনজ্যোতি বীমা যোজনা লগতে বেংকৰ বিভিন্ন উন্নয়নমূলক আঁচনিসমূহৰ বিষয়ে বিত্তীয় সাক্ষৰতা কেন্দ্ৰৰ ক্ষেত্ৰ সমন্বয়ক পূজা দেৱী নাথে ব্যাখ্যা কৰে। উক্ত সভাত শাওতলি গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০টা ৱাৰ্ডৰ ৱাৰ্ড সদস্যসকল, হিতাধিকাৰীসকল আৰু স্থানীয় কে'বাজনো বিশিষ্ট লোক উপস্থিত থাকে।

# মালিবাৰী-বালিঝাৰত চোৰাং কাঠ জব্দ

**আলোপতি, ২৪ এপ্ৰিল ঃ** পশ্চিম কামৰূপ বন সংমণ্ডৰ অধীনস্থ বকোৰ মালিবাৰী আৰু বালিঝাৰত বন বিভাগে পৃথকে পৃথকে অভিযান চলাই বুজন পৰিমাণৰ চোৰাং কাঠ জব্দ কৰে। বন বিভাগে জনোৱা মতে নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয়ৰ বনকৰ্মী নৃপেন কলিতাৰ নেতৃত্বত এটা দলে মালিবাৰীৰ কাটাকালী নদীৰ পৰা ১৬ টা চোৰাং কাঠৰ কুণ্ডা জব্দ কৰিবলৈ সক্ষম হয়। তথ্যমতে, চোৰাং ব্যৱসায়ীয়ে কাটাখালি নদীত মজুত কৰি ৰাখিছিল। ইপিনে, বন বিভাগৰ একেটা অভিযানকাৰী দলে বকোৰ বালিঝাৰতো অভিযান চলাই চোৰাং ফলা কাঠ জব্দ কৰে। জব্দকৃত চোৰাং ফলা কাঠখিনিৰ বজাৰ মূল্য প্ৰায় ৭০ হেজাৰ টকা হ'ব বুলি অনুমান কৰা হৈছে। পাছত জব্দ কৰা চোৰাং কাঠখিনি নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয়লৈ অনা হয়।

# বজালী জিলা লৈ অসমৰ শ্ৰেষ্ঠ উন্নয়ন খণ্ডৰ বঁটা

## দুখনকৈ গাঁও পঞ্চায়তক গাঁও পঞ্চায়ত উন্নয়ন আঁচনিৰ শ্ৰেষ্ঠ বঁটা প্ৰদান

**বিশেষ সংবাদদাতা**

**পাঠশালা, ২৪ এপ্ৰিল ঃ** 'সৰ্বভাৰতীয় পৰ্যায়ত ৰাজ্যৰ ভিতৰতে বজালী জিলাৰ বজালী উন্নয়ন খণ্ডই এক বিশেষ গৌৰৱ বুটলিবলৈ সক্ষম হৈছে। নতুন জিলা হিচাপে পৰিচিতি লাভ কৰি বজালী জিলাই গৌৰৱ কঢ়িয়াই প্ৰশংসাৰ যি ধ্বজা উৰুৱাবলৈ সক্ষম হৈছে সেই গৌৰৱে বজালী বাসীক আমোদিত কৰিছে।' এই মন্তব্য মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ। উল্লেখ্য যে আজি এক গৌৰৱময় মুহূৰ্তৰ সাক্ষী হৈ জম্মু কাশ্মীৰৰ চাম্বা জিলাৰ পল্লী গাঁও পঞ্চায়তত ৰাষ্ট্ৰীয় পঞ্চায়তী ৰাজ দিৱস এনপিআৰডি-২০২২ৰ স'তে সংগতি ৰাখি অনুষ্ঠিত গাঁও সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰীয় চৰকাৰৰ 'দীনদয়াল উপাধ্যায় পঞ্চায়ত স-শক্তিকৰণ পুৰস্কাৰ ২০২২' প্ৰদান কৰে। এই পুৰস্কাৰসমূহৰ ভিতৰত পাটাছাৰকুছি সমষ্টিৰ ১১ নম্বৰ বজালী আঞ্চলিক পঞ্চায়তে নগদ ২৫ লাখ টকাসহ শ্ৰেষ্ঠ আঞ্চলিক পঞ্চায়তৰ পুৰস্কাৰ লাভ কৰাৰ লগতে বজালী উন্নয়ন খণ্ডৰ অন্তৰ্গত মুগুৰীয়া গাঁও পঞ্চায়তে 'শিশু-বান্ধৱ গাঁও পঞ্চায়ত বঁটা ২০২২' লাভ কৰি নগদ পাঁচ লাখ টকাৰে পুৰস্কৃত হৈছে। ইপিনে, 'গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনা জিপিডিপি বঁটা ২০২২' লাভ কৰি টিহু-দে-খাটা পঞ্চায়তে গাঁও পঞ্চায়ত উন্নয়ন আঁচনিৰ শ্ৰেষ্ঠ বঁটা লাভ কৰি নগদ ১০ লাখ টকাৰে পুৰস্কৃত হৈছে। আজি ৰাষ্ট্ৰীয় পঞ্চায়তী ৰাজ দিৱস উপলক্ষে বজালী জিলাৰ বজালী উন্নয়ন খণ্ডত আয়োজিত বঁটা বিতৰণী সভাত উপস্থিত থাকি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে বঁটা লাভ কৰা পঞ্চায়তসমূহক আনুষ্ঠানিকভাৱে এই বঁটাসমূহ প্ৰদান কৰি 'সেৱাই পঞ্চায়ত' মূলমন্ত্ৰক সাৰোগত কৰি সকলোকে নিজ নিজ পঞ্চায়তত সেৱামূলক তথা সমৰ্পিত মনোভাৱেৰে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি যাবলৈ আহ্বান জনায়। ৰাজ্যৰ ভিতৰতে এনেধৰণে সন্মান লাভ কৰা পঞ্চায়তৰ বিষয়ববীয়া, কাৰ্যকৰ্তাসকলক মন্ত্ৰীগৰাকীয়ে ধন্যবাদ জ্ঞাপন কৰি ধেমাজি জিলাই সৰ্বশ্ৰেষ্ঠ জিলা আৰু বজালী উন্নয়ন খণ্ডৰ লগতে ডিব্ৰুগড় জিলাৰ জয়পুৰ উন্নয়ন খণ্ডই শ্ৰেষ্ঠ উন্নয়ন খণ্ডৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হোৱাত ধেমাজি জিলাৰ লগতে জয়পুৰ উন্নয়ন খণ্ড আৰু যিসমূহ পঞ্চায়তে পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে তেওঁলোককো আন্তৰিক অভিনন্দন জ্ঞাপন কৰে।

# দৰং আকাংক্ষিত জিলা প্ৰকল্পৰ পৰ্যালোচনা মুখ্য সচিবৰ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৪ এপ্ৰিল ঃ** মঙলদৈ আৱৰ্ত ভৱনত আজি অনুষ্ঠিত এখন সভাত ৰাজ্যৰ মুখ্য সচিব জিষ্ণু বৰুৱাই দৰং আকাংক্ষিত জিলা প্ৰকল্পৰ পৰ্যালোচনা কৰে। উল্লেখ্য যে আকাংক্ষিত জিলা প্ৰকল্পৰ দ্বাৰা দেশৰ পিছ পৰি থকা জিলাসমূহৰ সামগ্ৰিক উন্নয়নৰ পথ সুচল কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। ইয়াৰ অধীনত জিলাসমূহৰ মাজত প্ৰতিযোগিতামূলক ভাৱৰ জৰিয়তে পাঁচটা অৰ্থ-সামাজিক ক্ষেত্ৰত যেনে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু জলসম্পদ, অৰ্থনৈতিক অন্তৰ্ভুক্তি আৰু কৌশল বিকাশ, আন্তঃগাঁথনিৰ ৪৯ টা মূল প্ৰদৰ্শন সূচাংকৰ ডেল্টা ৰেংকিংত উন্নয়ন সাধন কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰে। বিভিন্ন শিতানত দৰং জিলাই সাধন কৰিবলৈ সক্ষম হোৱা উন্নয়নৰ প্ৰশংসা কৰি মুখ্য সচিবজনে কয় যে জিলাখনক দেশৰ ভিতৰতে এক উন্নত জিলা হিচাপে পৰিগণিত কৰিবৰ বাবে জিলা প্ৰশাসন আৰু সকলো বিভাগে উন্নয়নমূলক আঁচনিসমূহক ত্বৰানিত গতিৰে ৰূপায়ণ কৰিব লাগিব। আকাংক্ষিত জিলা প্ৰকল্পৰ সময়সাপেক্ষ ৰূপায়ণৰ ফলত জিলাখনৰ সকলো স্তৰৰ বাসিন্দাসকল লাভান্বিত হ'ব বুলি তেওঁ কয়। ইয়াৰ লগতে তেওঁ পিছ পৰি থকা দিশসমূহৰ প্ৰদৰ্শনৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। সভাখনত দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, জিলা উন্নয়ন আয়ুক্ত শুভলক্ষ্মী ডেকা প্ৰমুখ্যে বিভিন্ন বিভাগৰ জিলা মুৰব্বীসকল উপস্থিত থাকে।

# ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবলাৰ চাবিনা মিঞ্জৰ আদ্যশ্ৰাদ্ধ সম্পন্ন

## স্মৰণিকা উন্মোচন, আধাৰশিলা স্থাপন মন্ত্ৰী বড়াৰ



**অগ্ৰদূত বাৰ্তা**

**ৰাজগড়, ২৪ এপ্ৰিল ঃ** ১১৯ নম্বৰ টিংখাং বিধানসভা সমষ্টিৰ তিনঠেঙীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত হালমাৰী চাহ বাগিচাৰ প্ৰয়াত বেনেদীক মিঞ্জ আৰু শান্তি মিঞ্জৰ সুযোগ্যা কন্যা তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবল খেলুৱৈ চাবিনা মিঞ্জৰ আজি আদ্যশ্ৰাদ্ধত উপস্থিত হৈ বিমল বড়াই শোক প্ৰকাশ কৰে। উল্লেখ্য যে এক পথ দুৰ্ঘটনাত পতিত হৈ চিকিৎসাধীন অৱস্থাতে যোৱা ১২ মাৰ্চত মৃত্যু ঘটিছিল ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিভাৱান খেলুৱৈগৰাকীৰ। আজি তেওঁৰ আদ্য শ্ৰাদ্ধানুষ্ঠানৰ স'তে সংগতি ৰাখি অনুষ্ঠিত স্মৃতিচাৰণ আৰু স্মৰণিকা উন্মোচন অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি এপাহ ফুল পূৰ্ণৰূপত প্ৰস্ফুটিত হোৱাৰ পূৰ্বেই যেন আমাৰ মাজৰ পৰা হেৰাই গ'ল বুলি মন্তব্য কৰে মন্ত্ৰী বড়াই। তদুপৰি ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবলাৰ গৰাকীৰ স্মৃতিত তেওঁৰ প্ৰতিমূৰ্তিৰ আধাৰশিলা স্থাপন কৰে। ১৯৮৯ত জন্মগ্ৰহণ কৰি পৰৱৰ্তী সময়ত কঠোৰ অনুশীলনৰে ভিতৰুৱা এখন গাঁৱৰ পৰা জিলা পৰ্যায়ৰ পাছত ৰাজ্যিক স্তৰত উপনীত হোৱা প্ৰতিভাৱান ফুটবল খেলুৱৈ গৰাকীৰ অকাল সমবেদনা জ্ঞাপন কৰাৰ লগতে প্ৰয়াত চাবিনা মিঞ্জৰ আত্মাৰ চিৰশান্তি কামনা কৰে।

# বাগ্‌সাৰ জালাহত জিলা ভিত্তিত প্ৰাক্তন আছু কৰ্মীৰ অন্তৰংগ আলাপ

## ■ প্ৰাক্তন আছু কৰ্মীৰ বাগ্‌সা জিলা সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ২৪ এপ্ৰিল ঃ** বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সুদৃঢ় কৰাৰ লক্ষ্যৰে বাগ্‌সা জিলাৰ জালাহৰ লক্ষ্মী মন্দিৰ প্ৰাংগণত কালি বাগ্‌সা জিলাৰ প্ৰাক্তন আছু কৰ্মীসকলৰ এটি অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰাক্তন আছুৰ কেন্দ্ৰীয় কমিটীৰ শীৰ্ষ নেতা ফণী পাঠকৰ সভাপতিত্বত অনুষ্ঠিত অন্তৰংগ আলাপ অনুষ্ঠানত প্ৰাক্তন আছু কৰ্মীৰ বিভিন্ন সমস্যাসমূহৰ বিষয়ে আলোচনা কৰা হয়। অনুষ্ঠানত প্ৰাক্তন আছু কৰ্মীৰ বাগ্‌সা জিলা সমিতি এখন গঠন কৰা হয়। উক্ত সভাত ভূমিধৰ ৰয়ক সভাপতি, ৰাম দাস (বৰমা) কাৰ্যকৰী সভাপতি, কুসুম বৰ্মন, নিৰঞ্জন পাঠক, ৰমাকান্ত নাথ, ৰাতুল নাথ আৰু ডালিম দাস উপ-সভাপতি, সত্যজিৎ দাস আৰু পংকজ দাস সাধাৰণ সম্পাদক, কল্যাণ মেধি, শৰৎ পাঠক, মনোৰঞ্জন কলিতা, অজয় চক্ৰৱৰ্তী, অতুল তালুকদাৰ আৰু প্ৰদীপ দাসক সম্পাদক, উদ্ধৱ তালুকদাৰ, প্ৰৱেণ মজুমদাৰ, গুণজিৎ দাস, বলেন দাস আৰু বিবেক নাথক সাংগঠনিক সম্পাদক হিচাপে লৈ ২১জনীয়া বাগ্‌সা জিলা প্ৰাক্তন আছু কৰ্মীৰ সমিতিখন গঠন কৰা হয়। সভাখনত আছুৰ প্ৰাক্তন সভাপতি প্ৰবীণ বড়ো, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সবাপতি শংকৰ প্ৰসাদ ৰায়, ৰাজ্যিক পৰ্যায়ত প্ৰাক্তন আছু কৰ্মীৰ সমিতি গঠনৰ প্ৰস্তুতি কমিটীৰ সভাপতি কমলেশ ডেকা, প্ৰস্তুতি সমিতিৰ উপদেষ্টা অমল ডেকা, প্ৰস্তুতি সমিতিৰ উপ-সভাপতি হৰেন্দ্ৰ নাথ ৰাভা, উপ-সভাপতি ধনঞ্জয় বৰপূজাৰী, প্ৰস্তুতি সমিতিৰ শীৰ্ষ নেতা যোগেশ তালুকদাৰকে আদি কৰি কে'বাগৰাকী প্ৰাক্তন ছাত্ৰ নেতাই অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰি সদৌ অসম ছাত্ৰ নস্থাৰ প্ৰাক্তন সভাপতি প্ৰবীণ বড়োৱে কয়, 'প্ৰাক্তন আছু কৰ্মীৰ কাৰণে আমি এখন অৰাজনৈতিক মঞ্চ নিৰ্মাণ কৰিব বিচাৰিছো। আমি এটা ট্ৰাষ্ট বনাম যাৰ দ্বাৰা আৰ্থিকভাৱে জুৰুলা প্ৰাক্তন আছু কৰ্মীক সহায় কৰিব পৰা যায়। দ্বিতীয়তে এই ট্ৰাষ্টৰ জৰিয়তে সমগ্ৰ অসমত এক অৰ্থনৈতিক বুনিয়াদ গঢ়ি তুলিব বিচাৰিছো। তৃতীয়তে আমাৰ মাজত এক মানৱীয় সম্পৰ্ক গঢ়ি তুলিব বিচাৰিছো।'

# বৰপেটাত সাধুচৰণ দাস আতাৰ জীৱন-কৃতি বিষয়ক গ্ৰন্থ উন্মোচন



**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৪ এপ্ৰিল ঃ** মহাপুৰুষীয়া ধৰ্মৰ একনিষ্ঠ সেৱক, একশৰণ ভাগৱতী সমাজ অসমৰ উপাচাৰ্য সাধুচৰণ দাস আতাৰ বৰ্ণাঢ্য জীৱন আৰু কৃতিৰ আধাৰত তেওঁৰ বিভিন্ন ৰচনা আৰু স্মৃতিচাৰণমূলক লেখাৰে সমৃদ্ধ সাধুচৰণ দাস আতাৰ জীৱন আৰু কৃতি বিষয়ক এখন গ্ৰন্থ আজি বৰপেটা জিলা পুথিভঁড়ালত উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট লেখক, চিন্তাবিদ ময়ূৰ বৰাই। অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে বৰপেটাৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে। উক্ত সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে একশৰণ ভাগৱতী সমাজ, অসমৰ উপাচাৰ্য কুশেশ্বৰ দাস আতা, বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰ, আৰু বৰপেটাৰ প্ৰাক্তন বিধায়ক গুনীন্দ্ৰ নাথ দাসে। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূচালে । সভাৰ পূৰ্বে সাধুচৰণ দাস আতাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা তৰ্পণ কৰে সাধুচৰণ দাসৰ সহধৰ্মিনী যুতি দাসে।

# অসম-মেঘালয় ৰাজ্যিক স্কাউড আৰু গাইডৰ সন্মিলন



**গুৱাহাটী, ২৪ এপ্ৰিল ঃ** প্ৰথম অসম-মেঘালয় স্কাউড গাইডৰ আজি সোণাপুৰত এক সন্মিলন অনুষ্ঠিত হয়। সোণাপুৰৰ ভাৰত স্কাউড আৰু গাইডৰ ৰাজ্যিক প্ৰশিক্ষণ কেন্দ্ৰত দুয়োখন ৰাজ্যৰ জ্যেষ্ঠ স্কাউড আৰু গাইডসকলে অংশগ্ৰহণ কৰে। পুৱা পতাকা উত্তোলনৰে কাৰ্যসূচী আৰম্ভ হয়। ইয়াৰ পাছতে প্ৰতিনিধিসকলৰ মাজত দুয়োখন ৰাজ্যৰ স্কাউড সম্পৰ্কে মত বিনিময় হয়। উক্ত অনুষ্ঠানত অৰণ্যকৰ মুখ্য বিষয়া ড° দিলীপ চেত্ৰীয়ে বন্যপ্ৰাণী আৰু জৈৱি বৈচিত্ৰ্য সংৰক্ষণ তথা গৱেষণাৰ সন্দৰ্ভত ব্যাখ্যা কৰে। উক্ত অনুষ্ঠানত ড° চি ভাৰ্গিছ, এমেলি ছয়েং, অৰুণিমা দেৱী, আজাহাৰুদ্দিন আদিয়ে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানত জ্যেষ্ঠ নাগৰিকৰ লগতে ড্ৰাগছ বিৰোধী অভিযানত নেতৃত্ব দিয়া সকলক মেঘালয় ৰাজ্যিক স্কাউড আৰু গাইডে সম্বৰ্ধনা জ্ঞাপন কৰে।

# জ্যেষ্ঠ শিল্পীক আজিৰ প্ৰজন্মৰ স'তে চিনাকি কৰাই দিয়াটো শিল্পীৰ কৰ্তব্য

## পাঠশালাৰ হৰিপুৰৰ ৰঙালী বিহুত মানস ৰবিন

**বিশেষ সংবাদদাতা**

**পাঠশালা, ২৪ এপ্ৰিল ঃ** 'সময়ৰ উত্তৰণৰ লগে লগে আমি নতুনক আকোৱালি ল'বই লাগিব। কিন্তু নতুনক আকোৱালি লোৱাৰ স্বাৰ্থত যদি আমি পুৰণিক পাহৰি যাওঁ, তেতিয়া হ'লে আমাৰ জাতিৰ অস্তিত্ব সংকটাপন্ন হ'ব।' এই মন্তব্য বিশিষ্ট সংগীতকাৰ, গীতিকাৰ, কণ্ঠশিল্পী মানস ৰবিনৰ। যোৱা নিশা পাঠশালাৰ হৰিপুৰৰ ৩৩ সংখ্যক মধ্য বজালী ৰঙালী বিহুৰ সাংস্কৃতিক সন্ধিয়াত সংগীত পৰিবেশন কৰি তেওঁ কয় যে আজিৰ বিহুৰ ডাঙৰ মঞ্চসমূহত বিহু সম্ৰাট খগেন গগৈ, বিপুল চেতিয়া ফুকনৰ দৰে কণ্ঠশিল্পীসকল উপেক্ষিত হৈ আহিছে। ফলত এনেকুৱা সুললিত কণ্ঠৰ শিল্পীসকল লাহে লাহে হেৰাই যোৱাৰ উপক্ৰম হৈছে। আনকি এনেকুৱা অৱস্থাৰ সৃষ্টি হৈছেগৈ যে বহু জ্যেষ্ঠ শিল্পীক আমি পাহৰিবলৈ লৈছো, বহু জ্যেষ্ঠ শিল্পীৰ জীৱন জাপন কৰা দুৰূহ হৈ পৰিছে। আৰু এনেবোৰ কাৰণতে খগেন গগৈ, বিপুল চেতিয়া ফুকনৰ দৰে নমস্য বিহু শিল্পীক লগত লৈ এইবেলি একেলগে মঞ্চত অনুষ্ঠান কৰিছে বুলি মানস ৰবিনে মন্তব্য কৰে। তেওঁ কয় যে নতুন প্ৰজন্মৰ জনপ্ৰিয় শিল্পীসকলেও যদি বিহু মঞ্চত এনেবোৰ জ্যেষ্ঠ শিল্পীক লগতে লৈ সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে তেন্তে তেওঁলোকে পেটত গামোচা বান্ধিবলগাত নপৰিব আৰু কেতিয়াও অৰুন দাসৰ দৰে হেৰাই যাবলগীয়া নহ'ব। জ্যেষ্ঠ শিল্পীসকলক আজিৰ প্ৰজন্মৰ স'তে চিনাকি কৰাই দিয়াটো প্ৰতিগৰাকী জনপ্ৰিয় শিল্পীৰ কৰ্তব্য হোৱা উচিৎ তেওঁ কয়। ইয়াৰ পূৰ্বে পুৱা মাৰাথান দৌৰ প্ৰতিযোগিতা, আবেলি ভেশচন প্ৰতিযোগিতা আৰু কবিতা আবৃতি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া মুকলি আৰু বঁটা বিতৰণী সভাৰ পাছতে সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হয়। তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই বিহুৰ পহিলা ব'হাগৰ দিনা পতাকা উত্তোলন কৰে সভাপতি মনোজ গোস্বামীয়ে। বিভিন্ন পৰম্পৰাগত খেল ধেমালি উদ্বোধন কৰে সাংবাদিক তথা আনন্দৰাম বৰুৱা একাডেমীৰ প্ৰবক্তা কল্যাণ কলিতাই। গছপুলি ৰোপণ কৰে বজালী জিলা পশু চিকিৎসক ডাঃ হিতেশ পাঠকে। আবেলি বিবাহিত আৰু অবিবাহিত পুৰুষসকলৰ মাজত এখন প্ৰীতি ফুটবল অনুষ্ঠিত হয়। আনহাতে আঠ ব'হাগৰ পুৱাৰ ভাগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কে'বাটাও শাখাত চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে আবেলি অসমীয়া গীতৰ ভিত্তিত আধুনিক নৃত্য প্ৰতিযোগিতা আৰু স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়।

# ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তিনিদিনীয়া মহাৰজত জয়ন্তীৰ সামৰণি

## চৰকাৰী বিদ্যালয়ৰ প্ৰতি অহা প্ৰত্যাহ্বান ওফৰোৱাৰ নেতৃত্ব লওক ৰামপুৰে

**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ২৪ এপ্ৰিল ঃ** দক্ষিণ কামৰূপৰ অন্যতম শিক্ষানুষ্ঠান ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ যোৱা ২২ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত মহাৰজত জয়ন্তীৰ আজি সফল সামৰণি পৰে। এই উপলক্ষে আজি পুৱা গুৰু শিষ্য সন্মিলন মুকলি কৰে বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষক প্ৰিয়নাথ দাসে। এই সন্মিলন সঞ্চালনা কৰে প্ৰাক্তন অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে। সন্মিলনত প্ৰাক্তন ছাত্ৰ ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱকে অংশগ্ৰহণ কৰি পুৰণি স্মৃতি ৰোমন্থন কৰে। প্ৰসেনজিৎ কলিতা আৰু ৰূপম চন্দ্ৰ কলিতাই আঁতধৰা এই সন্মিলনত সঞ্চালকৰ আসনত থকা ড° অধিকাৰীয়ে চৰকাৰী বিদ্যালয়ৰ প্ৰতি অহা প্ৰত্যাহ্বান ওফৰোৱাৰ ক্ষেত্ৰত ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে প্ৰথমে নেতৃত্ব লোৱাৰ আহ্বান জনায়। গুৰু আৰু শিষ্য লগ লাগিলে কোনো কাম বিফল নহয় বুলি তেওঁ কয়।



বিয়লি সমিতিৰ সভাপতি ড° অৰণী চন্দ্ৰ দাসৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। অসম সংগীতেৰে আৰম্ভ হোৱা মুকলি সভাত কবি তথা প্ৰাক্তন ছাত্ৰ মিলন মজুমদাৰৰ ৰচিত ভঙা জীৱনৰ আধাৰশিলা নামৰ সমবেত সংগীত পৰিবেশন কৰে বিদ্যালয়ৰ ছাত্ৰী-ছাত্ৰীয়ে। আদৰণি ভাষণ আগবঢ়াই নিলোৎপল ডেকাই। সভাত বিশিষ্ট অতিথিৰূপে প্ৰাক্তন মন্ত্ৰী তথা প্ৰাক্তন ছাত্ৰ ডাঃ কমলা কলিতাই অংশগ্ৰহণ কৰি নতুন শিক্ষানীতিয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত সঠিক শিক্ষা প্ৰদান কৰাৰ আশা কৰে। অৰ্হতাৰ প্ৰমাণ পত্ৰই শিক্ষাৰ একমাত্ৰ মান নিৰ্ণয় হ'ব নোৱাৰে বুলি তেওঁ কয়। দক্ষিণ কামৰূপত চলি থকা ভূমিপুত্ৰৰ ভূমি ক্ৰয়ৰ প্ৰতিযোগিতাৰ বাবে কমলা কলিতাই আক্ষেপ প্ৰকাশ কৰে। ৰামপুৰৰ পূৰ্বৰ একোটা, উৎসাহ, শক্তি বৰ্তমান নাইকীয়া হোৱাত তেওঁ দুখ কৰে। বিধায়ক হেমাংগ ঠাকুৰীয়াই অংশগ্ৰহণ কৰি এই মহাৰজত জয়ন্তীৰ সফল হোৱাৰ কামনা কৰি নতুন শিক্ষানীতিৰ ওপৰত বক্তব্য প্ৰদান কৰে। নিমন্ত্ৰিত অতিথি হিচাপে পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অংশগ্ৰহণ কৰি স্মৃতিগ্ৰন্থ স্মৃতি সফুৰা উন্মোচন কৰে। এই স্মৃতিগ্ৰন্থ উন্মোচন কৰিবলৈ পাই তেওঁ সুখী হোৱা বুলি কৈ আমাক এটি বাস্তৱধৰ্মী শিক্ষা ব্যৱস্থাৰ প্ৰয়োজন আছে বুলিও কয়। সভাত আন কেইবাজনো বিশিষ্ট লোক উপস্থিত থাকে।

# কঠীয়াতলিত নগাঁও জিলা কবি সন্মিলনৰ 'কাব্যধ্বনি' অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ২৪ এপ্ৰিল ঃ** সদৌ অসম কবি সন্মিলনৰ অন্তৰ্ভুক্ত নগাঁও জিলা কবি সন্মিলনৰ ধাৰাবাহিক কাব্যানুষ্ঠান 'কাব্যধ্বনি' অনুষ্ঠানটো আজি কঠীয়াতলি শাখা কবি সন্মিলনৰ সহযোগত কঠীয়াতলীত অনুষ্ঠিত হয়। নগাঁও জিলা কবি সন্মিলনৰ সভাপতি দ্বিজেন্দ্ৰ নাথ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত 'কাব্যধ্বনি' অনুষ্ঠানটোৰ পৰ্যালোচনা কৰে কামপুৰ আঞ্চলিক কবি সন্মিলনৰ সভাপতি গুণ কাকতিয়ে। উক্ত অনুষ্ঠানৰ আৰম্ভণিতে এটি বিহুনৃত্য প্ৰদৰ্শন কৰে কণমানি কল্পি ডেকাৰজাই। অনুষ্ঠানত উপস্থিত থাকি কবিতা পাঠ কৰে নগাঁও জিলা কবি সন্মিলনৰ সভাপতি দ্বিজেন্দ্ৰ নাথ হাজৰিকা, কামপুৰ আঞ্চলিক কবি সন্মিলনৰ সভাপতি গুণ কাকতি, নগাঁও জিলা কবি সন্মিলনৰ উপ-সভাপতি ক্ৰমে কৰবী লিগিৰা, অশোকৰাম ভট্টাচাৰ্য, সদৌ অসম কবি সন্মিলনৰ সাংগঠনিক সম্পাদক সঞ্জীৱ সাগৰ চৌধুৰীয়ে। সাংবাদিক ঘনকান্ত বৰাৰ পৰিয়ালৰ ফালৰ পৰা প্ৰতিগৰাকী কবিক একোখনকৈ বিহুৱানেৰে সম্বৰ্ধনা জনায়।

# মেৰামতিৰ নামত লাখ লাখ টকা লুণ্ঠন

## ■ ৰাইজৰ ক্ষোভ ■ উচ্চ পৰ্যায়ৰ তদন্তকাৰী সংস্থাৰ উপযুক্ত তদন্তৰ দাবী

**অগ্ৰদূত বাৰ্তা**
**আঠখেলীয়া, ২৪ এপ্ৰিলঃ** গোলাঘাট জিলাৰ লোক নিৰ্মাণ বিভাগৰ অধীনস্থ গোলাঘাট ৰাষ্ট্ৰীয় ঘাইপথ সংমণ্ডলত বিগত বহুদিন ধৰি বিভাগটোৰ বাবে অ' আৰ আৰু এফ ডি আৰ শিতান দুটা সোণৰ কণী দিয়া হাঁহলৈ পৰ্যবসিত হোৱাৰ অভিযোগ তুলি গোলাঘাটৰ সচেতন মহলে এই প্ৰসংগত অসম চৰকাৰৰ শীৰ্ষ পৰ্যায়ৰ তদন্তকাৰী সংস্থাৰ উপযুক্ত তদন্তৰ দাবী জনাইছে। এই বিভাগটোৱে যোৱা ২০১৯-২০ আৰু ২০-২১ বৰ্ষ দুটাত ক্ৰমে ন লাখ ১০ হেজাৰ ৫০ লাখ আৰু ৭৫ লাখ টকা আঁচনিৰ মেৰামতি আৰু বান ক্ষতিগ্ৰস্ত মেৰামতিৰ শিতানত লাভ কৰে। উক্ত শিতানত কাম নোহোৱাকৈ বা নকৰাকৈ ঠিকাদাৰে ধন লাভ কৰা জনৰৱৰ প্ৰকৃত তথ্য উদ্‌ঘাটনৰ স্বাৰ্থত চৰকাৰৰ দ্বাৰা প্ৰদান কৰা উক্ত ধন ৰাশি ব্যৱহাৰৰ প্ৰসংগ সময়মতে ঠিকা দিয়াৰ বাবে বিজ্ঞাপন প্ৰকাশ আৰু ঠিকাদাৰসকলৰ তথ্য বিচাৰি দিয়া তথ্য জনাৰ অধিকাৰ আইন ২০০৫ৰ আবেদনৰ উত্তৰত প্ৰাপ্ত তথ্য অনুযায়ী বিভাগটোৰ কাৰ্যবাহী অভিযন্তা নিৰুপম বৰঠাকুৰে যোৱা ১৩ মাৰ্চত জনোৱা মতে এফ ডি আই আৰু অ' আৰ শিতানৰ উক্ত ধন ৰাশিৰ ঠিকা দিবৰ বাবে প্ৰচাৰ মাধ্যমত বিজ্ঞাপন দিয়া নাই। এনে শিতানৰ কামসমূহ এই বিভাগত পঞ্জীয়নভুক্ত ঠিকাদাৰসকলক ভাগ বাটোৱোৰা কৰি দিয়া হয়। তেওঁ উল্লেখ কৰা মতে ঠিকাদাৰসকলক উক্ত কাম চৰকাৰৰ পৰা ধন আৰু ধনৰ প্ৰশাসনীয় অনুমোদন অহাৰ পূৰ্বেই আবন্টন দি প্ৰশাসনীয় অনুমোদন চৰকাৰৰ পৰা অহাৰ পাছত নিয়মীয়া কৰা হয়। এই প্ৰসংগত ৰাইজৰ প্ৰশ্ন চৰকাৰৰ পৰা অনুমোদন লাভ কৰা ধনৰ অনুমোদন নোপোৱাকৈ আঁচনি বিহীনভাৱে ঠিকাদাৰক কামৰ আবন্টন দিয়াটো আৰু ঠিকাদাৰৰ ঠিকা প্ৰাপ্তি ৰেগুলাৰ কৰাটো এক লুণ্ঠন প্ৰক্ৰিয়া নে কৰ্তব্য আৰু দায়িত্ব পালন? উল্লিখিত এক কোটি ৩৪ লাখ ১০ হেজাৰ টকা উক্ত বিষয়াগৰাকীয়ে অতি জৰুৰীভাৱে উল্লিখিত প্ৰক্ৰিয়াৰে খৰচ কৰিবলৈ জিলা প্ৰশাসনৰ মুৰব্বী বিষয়াৰ পৰা প্ৰয়োজনীয় অনুমোদন পাইছিল নে? প্ৰকৃত পক্ষে চৰকাৰৰ পৰা ধনৰ অনুমোদন পাইছিল নে? প্ৰকৃত পক্ষে চৰকাৰৰ পৰা টকাৰ অনুমোদন নোপোৱাকৈ, কামৰ আঁচনি বিভাগীয়ভাৱে প্ৰস্তুত নোহোৱা পৰ্যন্ত ঠিকাদাৰক আগতীয়াকৈ ঠিকা প্ৰদান কৰি পাছত ৰেগুলাৰ কৰাটো বিষয়াগৰাকীৰ লগতে বিভাগটোৰ চৰকাৰী ধনৰহে ভাগবটোৱাৰা বুলি গোলাঘাটৰ সচেতন মহলে মন্তব্য কৰি এই কাৰ্যালয়টোৰ ভিতৰ চ'ৰাৰ এক ৰাজ্যৰ শীৰ্ষ মহলৰ তদন্তৰ দাবী জনাইছে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত। অন্যথা এই বিভাগটো সোণৰ কণী দিয়া হাঁহলৈ পৰ্যবসিত হৈছে।



সদৌ গহপুৰত কেন্দ্ৰীয় বিহু সন্মিলনীত বৃক্ষৰোপণ, দেওবাৰে।

## কমলপুৰৰ বৰুৱাজানীত ৰঙালী বিহু সন্মিলনী

**অগ্ৰদূত বাৰ্তা**
**কমলপুৰ, ২৪ এপ্ৰিল ঃ** কামৰূপ জিলাৰ কমলপুৰৰ সমীপৱৰ্তী বৰুৱাজানীৰ পুবপাৰ মদাৰতলা হাইস্কুল খেলপথাৰ প্ৰাংগণত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে এইবেলি বৰুৱাজানী আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ আয়োজন কৰা হৈছে। বৰুৱাজানী আঞ্চলিক যুৱক কৃষক সংঘৰ সৌজন্যত উদ্‌যাপন কৰিবলগীয়া বিহু কাৰ্যসূচী অনুসৰি কাইলৈ বিহুৰ পতাকা উত্তোলন, সংঘৰ পতাকা উত্তোলন, ছহিদ তৰ্পণ, স্মৃতি তৰ্পণ, বৃক্ষৰোপণ, খেল-ধেমালি প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, কবিতা আবৃত্তি প্ৰতিযোগিতা, বিয়লি স্থানীয় শিশুসকলৰ অনুষ্ঠান, সন্ধিয়া বন্তি প্ৰজ্বলন, সাংস্কৃতিক প্ৰতিযোগিতাত আধুনিক নৃত্য আৰু বিহু নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আধুনিক নৃত্য প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৫০০১ টকা আৰু দ্বিতীয় পুৰস্কাৰ ৩০০১ টকা। আনহাতে, বিহু নৃত্য প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৩০০১ টকা আৰু দ্বিতীয় পুৰস্কাৰ ২০০১ টকা, প্ৰতিযোগিতাৰ মাজতে কে'বাগৰাকী স্থানীয় আৰু আমন্ত্ৰিত শিল্পীৰ বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান ৰূপায়িত কৰা হ'ব। আনহাতে, ২৫ এপ্ৰিলত দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা সম্বৰ্ধনা অনুষ্ঠান। ভেশচন প্ৰতিযোগিতা, মুকলি কুইজ প্ৰতিযোগিতা পথ সুৰক্ষা সম্পৰ্কীয় সভা, সন্ধিয়া বন্তি প্ৰজ্বলন, বিহু হুঁচৰি প্ৰদৰ্শন, বঁটা বিতৰণী অনুষ্ঠান, আধুনিক নৃত্য আৰু বিহু নৃত্য প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলৰ অনুষ্ঠানৰ পাছত আমন্ত্ৰিত বিহু হুঁচৰি দলৰ বিহু হুঁচৰি প্ৰদৰ্শন, লোক নৃত্য প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলৰ অনুষ্ঠানৰ পাছত আমন্ত্ৰিত বিহু হুঁচৰি প্ৰদৰ্শন, লোক নৃত্য প্ৰদৰ্শনৰ লগতে কণ্ঠশিল্পী কুমাৰ ভবেশ আৰু কবিতা বৈশ্যৰ সংগীতানুষ্ঠান ৰূপায়িত কৰা হ'ব। সন্মিলনীৰ দুয়োটা দিনৰ কাৰ্যসূচীতে ৰাইজৰ সহায় সহযোগিতা আৰু উপস্থিতি বিচাৰিছে সন্মিলনীৰ সম্পাদক বসন্ত কোঁৱৰে।

## টিপমীয়াৰ বাগৰদিয়াত ৰঙালী বিহু উদ্‌যাপন



**বিশেষ সংবাদদাতা**
**নগাবাট, ২৪ এপ্ৰিলঃ** তিতাবৰ মহকুমাৰ টিপমীয়া-বাগৰদিয়া সমন্বয় সমিতিৰ উদ্যোগত 'শিৰীষ' আৰু মাধপুৰৰ এইটফৰ্ড জুনিয়ৰ কলেজৰ সহযোগত কালি বৰ্ণাঢ্য কাৰ্যসূচীৰে বাগৰদিয়া চাহ জনগোষ্ঠী সাংস্কৃতিক বিকাশ কেন্দ্ৰত অনুষ্ঠিত হয় ৰঙালী বিহু। কে'বাযোৰা জেং বিহু, হুঁচৰি আদিৰ লগতে মৌ বিহুৱতী, সৰু বিহুৱতী আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ নাচ প্ৰদৰ্শনৰে ৰজনজনাই উঠে বাগৰদিয়াৰ জনগোষ্ঠী সাংস্কৃতিক বিকাশ কেন্দ্ৰ। অঞ্চলটোৰ শতাধিক ৰাইজৰ উপস্থিতিত দিনৰ ভাগৰ পৰা বিহুস্থলীত উখল-মাখল পৰিৱেশ বিৰাজ কৰে। বিহু অনুষ্ঠানৰ মাজতে উদ্‌যাপন সমিতিয়ে অঞ্চলটোৰ ২০ জন লোকক সমন্বয় বঁটা প্ৰদানেৰে সন্মান জনায়। উদ্‌যাপন সমিতিৰ সভাপতি মঃ মইনুদ্দিন আহমেদ, সম্পাদকদ্বয় ক্ৰমে ভাস্কৰজ্যোতি শইকীয়া ঠেঙাল, দাদু কছাৰীৰ লগতে যুৱকৰ্মী প্ৰবীণ কুৰ্মী, যদুমণি চুতীয়া, এইটফৰ্ড জুনিয়ৰ কলেজৰ সঞ্চালিকা সন্ধ্যা মাইঅ' আদিৰ প্ৰচেষ্টাত সফলৰূপ পোৱা এই বিহু সন্মিলনৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন, বৃক্ষৰোপণৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়।

## মৰাণত আন্তৰ্জাতিক শ্ৰমিক দিৱস আয়োজন

**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ২৪ এপ্ৰিলঃ** বিগত বৰ্ষসমূহৰ দৰে এইবাৰো অহা এক মে'ত অসম চাহ মজদুৰ সংঘ আৰু চাহ মজদুৰ মহিলা সমিতি মৰাণ শাখাৰ সৌজন্যত তিলৈজান চাহ বাগিচাৰ খেলপথাৰত আন্তৰ্জাতিক শ্ৰমিক দিৱসৰ প্ৰস্তুতি চলোৱা হৈছে বুলি মৰাণ শাখা চাহ মজদুৰ সংঘৰ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে এক বিবৃতিযোগে জনাইছে। সেই উপলক্ষে কালি মৰাণ শাখা চাহ মজদুৰ সংঘৰ প্ৰেক্ষাগৃহত মনোজ তাঁতীৰ সভাপতিত্বত অনুষ্ঠিত এখন ৰাজহুৱা সভাত মাইলেচ কুমাৰক সভাপতি, মনোজ তিৰ্কীক কাৰ্যকৰী সভাপতি, আনন্দ কলেদ আৰু ইয়ুৰ হৰপালক যুটীয়া সম্পাদকৰূপে লৈ ১১ খন উপ-সমিতিৰে এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। সেইদিনা পতাকা উত্তোলন স্মৃতি তৰ্পণ, বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱাৰ পাছতে মুকলি সভা অনুষ্ঠিত হ'ব।

## শিক্ষাবিদ-সমাজকৰ্মী শ্যামচৰণ ডেকাৰ স্মাৰকগ্ৰন্থ উন্মোচন

**পাটাছাৰকুছি, ২৪ এপ্ৰিল ঃ** পাটাছাৰকুছি বিদ্যাপীঠৰ অৱসৰী উপাধ্যক্ষ, বিশিষ্ট লেখক তথা সমাজকৰ্মী বজালী জিলাৰ হেলনাৰ প্ৰয়াত শ্যামচৰণ ডেকাৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ উপলক্ষ্যত প্ৰস্তুত কৰা স্মাৰকগ্ৰন্থ 'স্মৃতিকথা' কালি শিক্ষাবিদ গৰাকীৰ হেলনাস্থিত বাসগৃহত উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে সাহিত্যিক তথা শিক্ষাৰত্ন অক্ষয় কুমাৰ মিশ্ৰই। মিশ্ৰই কয় যে ডেকাই নৈতিক আৰু আদৰ্শগত শিক্ষা-দিক্ষা দিছিল কিন্তু বৰ্তমানৰ শিক্ষকে শিক্ষাহে দিয়ে দীক্ষা নিদিয়ে। মাধ্যমিক শিক্ষাৰ সচিব তথা লেখক, সমালোচক ভাৰত ভূষণ দেৱচৌধুৰীয়ে বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ডেকাৰ সান্নিধ্যৰ দলিল এক ৰসাল মনোগ্ৰাহী ভাষণেৰে প্ৰকাশ কৰি তেওঁক এখন স্কুলৰেই নহয় এখন সমাজৰেই শিক্ষক আছিল বুলি উল্লেখ কৰে। ডেকাৰ বৰপুত্ৰ ড° মৃদুল কুমাৰ ডেকাই আদৰণি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত কে'বাগৰাকী সতীৰ্থ শিক্ষক উপস্থিত থাকে। পাটাছাৰকুছি বিদ্যাপীঠৰ অৱসৰী বিষয় শিক্ষক সুৰেন্দ্ৰ নাথ লউজাৰীয়ে ডেকাৰ জীৱনৰ সম্পৰ্কে আলোকপাত কৰি ভাষণ প্ৰদান কৰে। পূব কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বলেন দেৱচৌধুৰীয়ে ডেকাৰ কৃতিত্বৰ কথা আমি ৰক্ষা কৰি যিমান সম্ভৱ সেইখিনি উঠি অহা চামৰ মাজত প্ৰবাহিত কৰিব পাৰিব লাগিব বুলি উল্লেখ কৰে। অনুষ্ঠানত অৱসৰী শিক্ষক ভৱকান্ত কলিতাই ডেকাৰ স্মৃতি ৰোমন্থন কৰি চমু ভাষণ দিয়ে।

## ইটাখোলাত বিশেষ ইফ্‌টাৰ পাৰ্টি

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২৪ এপ্ৰিল ঃ** চতিয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি লক্ষীকান্ত বৰাৰ বিশেষ তৎপৰতাত আৰু জামুগুৰিহাটৰ নিকটৱৰ্তী ইটাখোলা বিজেপিৰ যুৱ মৰ্চাৰ সহযোগত বৃহত্তৰ ইটাখোলাত অঞ্চলটোৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ উপলক্ষে কালি সন্ধিয়া বিশেষ ইফ্‌টাৰ পাৰ্টিৰ আয়োজন কৰা হয়। উল্লেখ্য যে উক্ত ইফ্‌টাৰ পাৰ্টিত অঞ্চলটোৰ সকলো শ্ৰেণীৰ লোকে অংশগ্ৰহণ কৰে। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন ভূমি হিচাপে খ্যাত ইটাখোলাত কালি আয়োজন কৰা বিশেষ এই পাৰ্টিয়ে হিন্দু মুছলমানৰ মাজৰ সমন্বয়ৰ এক বিশেষ বাৰ্তা ৰাজ্যখনৰ সকলো শ্ৰেণীৰ ৰাইজলৈ কঢ়িয়াই আনিব বুলি উক্ত পাৰ্টিত উপস্থিত ৰাইজে মন্তব্য কৰিছে।

## বিধায়ক ভট্টাচাৰ্যৰ বিহু সম্বন্ধীয় মন্তব্যক গৰিহণা গৰিয়া-মৰিয়া-দেশী পৰিষদৰ

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২৪ এপ্ৰিল ঃ** প্ৰাক্তন মন্ত্ৰী তথা বৰ্তমানৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যই বিহু সন্দৰ্ভত কৰা মন্তব্যক তীব্ৰ গৰিহণা দিছে গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে। এই সন্দৰ্ভত পৰিষদৰ সাধাৰণ সম্পাদক হাচিবুল ইছলামে কয় যে প্ৰাক্তন মন্ত্ৰী তথা এতিয়াৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ ভেটি নোহোৱা হৈছে। এনে ক্ষেত্ৰত আগন্তুক সময়ত বিজেপিৰ পৰা প্ৰাৰ্থিত্ব নাপাবও পাৰে। কাৰণ কাম-কাজত কোনো দক্ষতাও দেখুৱাব পৰা নাই। গতিকে এনে ধৰণৰ সাম্প্ৰদায়িক মন্তব্য দি সমাজখন ভাগ ভাগ কৰাৰ ষড়যন্ত্ৰ ৰচিছে। সেয়ে পৰিষদৰ পৰা অসমীয়া জাতিক বিভেদ কৰা মন্তব্য দিয়াৰ পৰা বিৰত থাকিবলৈ বিধায়কজনক আহ্বান জনায়। হাচিবুল ইছলামে পুনৰ কয় যে গৰিয়া-মৰিয়া-দেশীসকলে বিহু পালন কৰে। অতিথি হৈ নাযায়। বিহু গৰিয়া-মৰিয়া-দেশীসকলৰো প্ৰাণ। গতিকে বিহুক লৈ বিধায়কজনে কৰা মন্তব্য দুৰ্ভাগ্যজনক বুলিও কয়। উল্লেখ্য যে বিধায়ক ভট্টাচাৰ্যই পৰহি বিহু হিন্দুসকলৰ ধৰ্মীয় উৎসৱ বুলি মন্তব্য কৰাৰ পাছতো ৰাজ্যৰ সৰ্বত্ৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## দৰঙত কৰ্কট সজাগতা সভা

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ২৪ এপ্ৰিল ঃ** দৰঙৰ মঙলদৈ সনাতন ধৰ্মসভা প্ৰাংগণত কালি ভাৰতীয় ৰেডক্ৰছ ছ'চাইটি দৰং জিলা শাখা আৰু স্বেচ্ছাসেৱী সংগঠন প্ৰতিশ্ৰুতি কেন্সাৰ আৰু পালিয়েটিভ ট্ৰাষ্ট, ডিব্ৰুগড়ৰ উদ্যোগত এক কেণ্ঞাৰ সজাগতা সভা অনুষ্ঠিত হয়। অনুষ্ঠানত ৰেডক্ৰছৰ জন্মদাতা জন হেনৰি ডোণ্ডানৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অসম চৰকাৰৰ মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসে আৰু প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে দৰঙৰ আৰক্ষী অধীক্ষক ৰাজমোহন ৰয়ে। ভাৰতীয় ৰেডক্ৰছ ছ'চাইটি দৰং জিলা শাখাৰ উপাধ্যক্ষ গোবিন্দ উপাধ্যায় সভাপতিত্ব কৰা সভাত কেন্সাৰ সজাগতাৰ ওপৰত বক্তব্য আগবঢ়াই দৰঙৰ উপায়ুক্ত তথা ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ জিলা শাখাৰ সভাপতি প্ৰণৱ কুমাৰ শৰ্মা, দৰং জিলাৰ অতিৰিক্ত যুটীয়া স্বাস্থ্য সঞ্চালক ড° পানেছাৰ সিং সুৰী, অসম আৰক্ষীৰ মহিলা আৰক্ষী সন্থাৰ বিষয়া স্বপ্নালী মহন্তৰ লগতে কে'বাগৰাকী অভিজ্ঞ চিকিৎসক, ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ দৰং জিলা শাখাৰ কে'বাগৰাকী বিষয়ববীয়া, স্বেচ্ছাসেৱী সংগঠন প্ৰতিশ্ৰুতি কেন্সাৰ আৰু পালিয়েটিভ ট্ৰাষ্টৰ বিষয়ববীয়াসকল। অনুষ্ঠানৰ আঁত ধৰে ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ দৰং জিলা শাখাৰ বিষয়ববীয়া জয়ন্ত শৰ্মাই।

## অভয়াপুৰীত দিন দুপৰতে গৰু চুৰি

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২৪ এপ্ৰিল ঃ** গৃহস্থ নিশা গভীৰ টোপনিত লালকাল হৈ থকা সময়ত চোৰে গোহালিৰ পৰা পশুধন চুৰি কৰি নিয়া কাৰ্য সাধাৰণ ঘটনাত পৰিণত হোৱাৰ বিপৰীতে বঙাইগাঁও জিলাৰ অভয়াপুৰীত দিন দুপৰতে পথাৰত বান্ধি দিয়া দুটাকৈ পশুধন চুৰি কৰি নিয়া কাৰ্যই পশুধন পালকসকলক হতবাক কৰিছে। যোৱা ২১ এপ্ৰিলৰ দিনা অভয়াপুৰী চহৰৰ বাসন্তীপাৰা নিৱাসী বাবুল চন্দ্ৰ দে নামৰ ব্যক্তিজনে নিজৰ পোহনীয়া দুটাকৈ মাইকী গৰু নিকটতে থকা ৰাজবাৰী দুৰ্গামন্দিৰ পথাৰত ঘাঁহ খাবলৈ বান্ধি দিছিল। কিন্তু দুপৰীয়া সময়ত গৰু দুজনীক গৃহস্থই পথাৰত নেদেখি হতবাক হৈ পৰে। বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰি কোনো সম্ভেদ নোপোৱাৰ পাছত গৰুৰ গৰাকীয়ে কোনো দুষ্টচক্ৰই চুৰি কৰি নিয়াৰ সন্দেহ কৰে। এই সন্দৰ্ভত পৰহি বাবুল চন্দ্ৰ দেই সংশ্লিষ্ট আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে।

## বাসুগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপকক বিদায় সম্বৰ্ধনা ঃ বিহু পালন



**অগ্ৰদূত বাৰ্তা**
**গৰুভাষা, ২৪ এপ্ৰিল ঃ** চিৰাং জিলাৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান বাসুগাঁও মহাবিদ্যালয়ৰ তিনিজন অধ্যাপক-অধ্যাপিকাক বিদায় সম্বৰ্ধনা জনোৱা হয়। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক প্ৰবীণ ভূঞা, অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা আৰতি কুমাৰী আৰু অসমীয়া বিভাগৰ খনিন্দ্ৰ কুমাৰ চক্ৰৱৰ্তীক একেদিনাই একেলগে মহাবিদ্যালয় শিক্ষক গোট, ছাত্ৰ-ছাত্ৰী আৰু গভৰ্ণিং ব'ডীৰ পৰা বিদায় সম্বৰ্ধনা জনোৱা হয়। বাসুগাঁও মহাবিদ্যালয় গভৰ্ণিং ব'ডীৰ চেয়াৰমেন তথা বিটিচি পৰিষদৰ নিৰ্বাচিত সদস্য দেৰহাছাৎ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত থাকে বিটিচিৰ কাৰ্যবাহী সদস্য ফেৰেংগা ওৰফে ৰঞ্জিত বসুমতাৰী। তেওঁ অৱসৰপ্ৰাপ্ত অধ্যাপক, অধ্যাপিকাৰ সুস্বাস্থ্য, শাৰীৰিক-মানসিক উন্নতি কামনা কৰি মহাবিদ্যালয়খন উন্নয়নত তেওঁলোকৰ অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰে। ইয়াৰ বিপৰীত আজি অসমৰ জাতীয় উৎসৱ বিহু, বৈশাগু বা বিষুৱাৰ কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ লোৱা কাৰ্যকো তেওঁ শলাগ লয়। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে বিদ্যায়তনিক পাঠ্যপুথিৰ বাহিৰেও জাতীয় কৃষ্টি-সংস্কৃতিৰ বিষয়ে হৃদয়ংগম কৰিব পাৰিব বুলিও কয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ৰণেন চন্দ্ৰ মুছাহাৰীয়ে আঁত ধৰা অতীজৰে পৰা বিহু বা বৈশাগু সাত দিনীয়াকৈ পালন কৰি অহা বুলি উল্লেখ কৰি নিজৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতি চেতনাবোধ জাগি উঠক আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি ইয়াৰ ওপৰত শিক্ষাগ্ৰহণ কৰক বুলি উদ্দেশ্য ব্যাখ্যাত দাঙি ধৰে। বিদায়ী দুখৰ মাজত কিছু আনন্দ, কিছু সুখ অনুভৱ কৰক বুলিয়ে আজি একেলগে বিদায় আৰু বিহু বিষুৱা-বৈশাগুৰ আয়োজন কৰাৰ কথা ব্যক্ত কৰে তেওঁ। উল্লেখ্য যে বিহু, বৈশাগু, বিষুৱা আৰু ৰবীন্দ্ৰ সংগীতৰ তালে তালে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে একাংশ অধ্যাপিকায়ো অংশগ্ৰহণ কৰি পৰিবেশক অন্য মাত্ৰা প্ৰদান কৰে।

## কৰ্মব্যস্ততাৰ মাজতো কঁকাল ঘূৰাই নাচিলে নগাঁৱৰ আৰক্ষীয়ে



**বিশেষ সংবাদদাতা**
**নগাঁও, ২৪ এপ্ৰিল ঃ** ৰঙালীৰ আনন্দই প্ৰতিজন অসমীয়াৰেই দেহ-মন ৰাইজাই কৰে। ইয়াৰ ব্যতিক্ৰম নহ'ল নগাঁৱৰ আৰক্ষী জোৱানসকলো। কৰ্তব্যৰ ব্যস্ততাৰ মাজতো হেঁপাহৰ ৰঙালী বিহুত কঁকাল ঘূৰাই নাচিলে নগাঁৱৰ আৰক্ষীয়ে। সৰ্বসাধাৰণ ৰাইজৰ নিৰাপত্তা আৰু অপৰাধজনিত ঘটনা ৰোধৰ কামত সদা ব্যস্ত থকা আৰক্ষীয়ে বিহু-পূজাকে ধৰি বিভিন্ন উৎসৱ আদিত আমোদ প্ৰমোদৰ সুবিধা সাধাৰণতে লাভ নকৰে। আনকি এই সময়ছোৱাত পৰিয়ালৰ লোককো সময় দিবৰ বাবে আহৰি নাপায় আৰক্ষীৰ লোকসকলে। এনে ব্যস্ততাৰ মাজতো যোৱা ২২ এপ্ৰিলৰ সন্ধিয়া নগাঁও আৰক্ষীয়ে উদ্‌যাপন কৰিলে ৰঙালী বিহু উৎসৱ। মহিলা আৰক্ষী আৰু পুৰুষ আৰক্ষী জোৱানসকলে এপাক বিহু নাচি অনাবিল আনন্দ উপভোগ কৰে। কালি সন্ধিয়া নগাঁও আৰক্ষী ছাউনীত থকা অতিৰিক্ত আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰাৰ বাসভৱনত বঢ়মপুৰৰ নৱম আৰক্ষী বেটেলিয়নৰ জোৱানসকলে বিহু, হুঁচৰি প্ৰদৰ্শন কৰে। এই বিহু প্ৰদৰ্শনৰ সময়ত নগাঁও আৰক্ষীৰ ছাউনীত থকা আৰক্ষী বিষয়া, জোৱান আৰু তেওঁলোকৰ পৰিয়ালবৰ্গই বিহু উপভোগ কৰে।

## বৰভাগত জ্যেষ্ঠজনলৈ বিহুৰ ওলগ

**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ২৪ এপ্ৰিলঃ** নলবাৰী জিলাৰ বৰভাগত কালি জিএম ডিএৰ অধ্যক্ষ নাৰায়ণ ডেকাৰ উদ্যোগত আৰু বিজেপিৰ বৰভাগ মণ্ডলৰ সহযোগত জ্যেষ্ঠজনলৈ বিহুৰ ওলগ শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে প্ৰাক্তন বিধায়ক ডেকাই অঞ্চলটোৰ পাঁচ শতাধিক জ্যেষ্ঠজনলৈ বিহুৰ ওলগ শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে প্ৰাক্তন বিধায়ক ডেকাই অঞ্চলটোৰ পাঁচ শতাধিক জ্যেষ্ঠলোকক বিহুৱান প্ৰদান কৰি সেৱা লোৱাৰ লগতে কনিষ্ঠসকলক বিহুৰ শুভেচ্ছা জনায়। শিক্ষক মুকুল লহকৰে আঁত ধৰা অনুষ্ঠানত বহুকেইটা আমন্ত্ৰিত বিহু দলে বিহুনাচ পৰিৱেশন কৰে। বিজেপিৰ বৰভাগ মণ্ডলৰ কাৰ্যালয় বাকৰিত আয়োজিত অনুষ্ঠানৰ পুৱাৰ ভাগত পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ আৰম্ভ কৰে।

## টিংখাঙত সম্প্ৰীতি ৰঙালী বিহু সন্মিলনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**টিংখাং, ২৪ এপ্ৰিল ঃ** বিগত বছৰৰ দৰে এই বছৰো ডিব্ৰুগড় জিলাৰ টিংখাঙৰ সম্প্ৰীতি ৰঙালী বিহু সন্মিলন অহা ২৮ আৰু ২৯ এপ্ৰিলত বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত হ'ব। ৰাইডংগীয়া, বেতনি, উত্তমপুৰ, শিহুমৰা বামচুক, দুই নম্বৰ টিপমীয়া গাঁৱৰ সমূহ ৰাইজৰ উদ্যোগত আৰু টিংখাং আঞ্চলিক বিহু সুৰক্ষা সমিতিৰ সহযোগত আয়োজন কৰা বিহু সন্মিলন সাফল্যমণ্ডিত কৰিবলৈ ক্ষীৰোদ গগৈক সভাপতি, ভৱকান্ত গগৈক কাৰ্যকৰী সভাপতি, বিকাশ গগৈ আৰু দেৱজিৎ গগৈক যুটীয়া সম্পাদক হিচাপে লৈ গঠন কৰা বিহু উদ্‌যাপন সমিতিয়ে বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। কাৰ্যসূচী অনুসৰি ২৮ এপ্ৰিলত সামূহিক চাফাই অভিযানেৰে কাৰ্যসূচী আৰম্ভ কৰি বিহু পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি ক্ষীৰোদ কুমাৰ গগৈয়ে। স্মৃতি তৰ্পণ কৰিব টিংখাং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° জ্যোতিমালা গোসাঁই ফুকনে। বৃক্ষৰোপণ কৰিব স্থানীয় ২০ গৰাকীতকৈ অধিক বিশিষ্ট ব্যক্তিয়ে। সাংস্কৃতিক শোভাযাত্ৰাৰ অন্তত বিহু মঞ্চ উদ্বোধন। দলীয় বিহুৰ অন্তত সন্ধিয়ালৈ স্থানীয় শিল্পীসকলৰ দ্বাৰা লোকসংগীতৰ অনুষ্ঠান। ২৯ এপ্ৰিলত একক বিহুৰ অনুষ্ঠান। সন্ধিয়ালৈ প্ৰয়াস অসীম গগৈ, ৰঞ্জন বুঢ়াগোহাঁই আৰু গৌতম গগৈ সোৱৰণী সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হ'ব। সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত শিল্পীৰূপে যোগদান কৰিব জনপ্ৰিয় কণ্ঠশিল্পী ৰমেন দানহে।

## পকিমুৰীত ভাগৱত পাঠৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ২৪ এপ্ৰিলঃ** যোৰহাট জিলাৰ পশ্চিম যোৰহাটৰ পকিমুৰী হাবিগাঁও বৰ নামঘৰত স্থানীয় ৰাইজৰ সহযোগত অহা ২৬ এপ্ৰিলৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে ভাগৱতৰ দশম স্কন্ধ পাঠৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা বৰনামঘৰৰ চৌহদ নিকাকৰণ কৰা হ'ব আৰু ২৭ এপ্ৰিলৰ দিনা পুৱা ১১ বজাত মাংগলিক ধ্বনিৰে ভাগৱত পাঠ আৰম্ভ কৰা হ'ব। অন্তিম দিনা ভাগৱত পাঠ সামৰণিৰ পাছত কেন্দুগুৰি চেঙেলী গাঁও নাট্যগোষ্ঠীৰ দ্বাৰা 'নৃসিংহ যাত্ৰা' ভাওনা প্ৰদৰ্শন কৰা হ'ব।

## বলদিয়াবাথানত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বিষুৱা উৎসৱ সম্পন্ন



**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২৪ এপ্ৰিল ঃ** সমগ্ৰ অসমৰ লগতে কোকৰাঝাৰ জিলাৰ বলদিয়াবাথানত কোচ ৰাজবংশী জনগোষ্ঠীয় লোকসকলে কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে জাতীয় উৎসৱ বিষুৱা উদ্‌যাপন কৰে। বিষুৱা উৎসৱৰ পুৱাৰ কাৰ্যসূচী অনুসৰি মন্দিৰত বন্তি প্ৰজ্বলন কৰে টিকি ৰাম ৰায়ে। বিষুৱাৰ পতাকা উত্তোলন কৰে বিষুৱা সমিতিৰ সভাপতি বৃন্দাৱন ৰায়ে, সাংস্কৃতিক পতাকা উত্তোলন কৰে বিষুৱা উদ্‌যাপন সমিতিৰ উপদেষ্টা লক্ষীন্দ্ৰ ৰায়ে। সাত বিষুৱাৰ পতাকা উত্তোলন কৰে বলদিয়াবাথানৰ সাতগৰাকী যুৱতীয়ে। ছহিদ তৰ্পণ কৰে বিষুৱা সমিতিৰ সম্পাদক দ্বীপজ্যোতি ৰায়ে, বৃক্ষৰোপণ কৰে সাংবাদিক কৃষ্ণ বৰ্মনে। বিষুৱাৰ কাৰ্যসূচী অনুসৰি দুপৰীয়া ল'ৰা-ছোৱালীৰ মাজত বিভিন্ন খেল প্ৰতিযোগিতা উদ্বোধন কৰে বিজেপিৰ কোকৰাঝাৰ জিলাৰ সাধাৰণ সম্পাদক মানস প্ৰতিম ৰায়ে। ছবি ঁকা প্ৰতিযোগিতা উদ্বোধন কৰে শক্তিআশ্ৰম ভিচিডিচিৰ সভানেত্ৰী মীনা বৰ্মনে আৰু নিশা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ উদ্বোধন কৰে কেএচিৰ ই এম কৰ্মেশ্বৰ ৰায়ে। ইপিনে আজি আবেলি পুৰস্কাৰ বিতৰণিৰ লগতে সাংস্কৃতিক মঞ্চ মুকলি কৰে বিটিআৰৰ ই এম অৰূপ কুমাৰ দেই।

## সমাজকৰ্মী-ধৰ্মপ্ৰাণ শুক্লেশ্বৰ কছাৰীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ২৪ এপ্ৰিলঃ** মৰিয়নিৰ সমীপৰ খৰিকটীয়া টকৌবাৰী অঞ্চলৰ নিবাসী, সমাজকৰ্মী, সৰবৰহী, ধৰ্মপ্ৰাণ ব্যক্তি, ডাক-তাঁৰ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী শুক্লেশ্বৰ কছাৰী (৮৮)ৰ কালি দিনৰ দুই বজাত মৃত্যু হয়। বিগত কিছুদিন তেওঁ অসুখত ভুগি আছিল। মৰিয়নিৰ মুখ্য কাৰ্যালয়ত তেওঁ কৰ্মজীৱনৰ অধিক কাল চাকৰি কৰাৰ অন্তত তিতাবৰলৈ বদলি হৈছিল আৰু তাৰ পৰাই তেওঁ অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ বিভিন্ন অনুষ্ঠানৰ স'তে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে এজন পুত্ৰ, দুগৰাকী কন্যা এৰি যায়।

## নগাঁৱত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ যোগাসনৰ শিবিৰ



**বিশেষ সংবাদদাতা**
**নগাঁও, ২৪ এপ্ৰিল ঃ** নগাঁও চহৰৰ সমীপৱৰ্তী কাটিমাৰীস্থিত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ৩৪ নম্বৰ বেটেলিয়নৰ উদ্যোগত কালি চহৰখনৰ খ্ৰীষ্টজ্যোতি স্কুলত এটি যোগাসন শিবিৰ অনুষ্ঠিত কৰে। বিদ্যালয়খনৰ প্ৰায় আঠাশ শিক্ষাৰ্থীক যোগাসনৰ প্ৰশিক্ষণ প্ৰদান কৰা অনুষ্ঠানত কেন্দ্ৰীয় সংৰক্ষিত বাহিনীটোৰ অধিনায়ক আৰ কে শ্ৰীবাস্তৱ, উপ-অধিনায়ক সত্যবীৰ সিং, সহকাৰী অধিনায়ক সুৰেন্দ্ৰ সিং, এন ডি সিং আৰু সঞ্জীৱ কুমাৰকে ধৰি কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ জোৱানসকল উপস্থিত থাকে। বাহিনীটোৰ বিশেষভাৱে প্ৰশিক্ষিত জোৱান এছ কে মিশ্ৰ আৰু নিপুণ জ্যোতিয়ে যোগাসন শিবিৰটোত শিক্ষাৰ্থীসকলক যোগৰ প্ৰশিক্ষণ প্ৰদান কৰে।

### ■ শীঘ্ৰে বেদখলমুক্ত কৰিবলৈ প্ৰশাসনৰ হস্তক্ষেপৰ দাবী ৰাইজৰ

# ঐতিহ্যমণ্ডিত ভেৰুৱাদলৰ খামচা বিলত বেদখল

অগ্ৰদূত বাৰ্তা

**দুনী, ২৪ এপ্ৰিল ঃ** ৰাজ্য চৰকাৰে চৰকাৰী ভূমি বেদখল মুক্ত কৰাৰ সময়তে দৰঙৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত ভেৰুৱাদলস্থিত ঐতিহ্যমণ্ডি খামচা বিল কালি বেদখলৰ কৱলত। ৫০ বিঘা চৰকাৰী মাটিৰে আবৰা বিলখন সম্প্ৰতি বিলখনৰ কাষতে লাগি থকা একাংশ মাটিৰ মালিকে নিজাববীয়াকৈ পুখুৰী খান্দি লোৱাৰ লগতে বেদখল কৰি খেতি পথাৰ কৰাত নিশ্চিহ্ন হ'ব ধৰিছে বিলখন। উক্ত বিলখনত প্ৰতিবছৰে বাৰিষাকালত বৃহত্তৰ অঞ্চলটোৰ প্ৰায় ১০-১২খন গাঁৱৰ হিন্দু-মুছলমান সহস্ৰাধিক লোকে মাছ মৰা বিৰল দৃশ্য আজি যেন পাহৰণীৰ গৰ্ভত। থকুৰা পুঠি, গৰৈ, খলিহনা, কাৰৈ, ৰৌ, ভকুৱা আদি মাছৰ উপৰি প্ৰতিবছৰে আগমন হৈছিল বিভিন্ন দেশী-বিদেশী পৰিভ্ৰমী পক্ষীৰ। তাদুপৰি উক্ত বিলখন বেদখল কৰাত কৃষক ৰাইজৰ ওপৰত পৰিছে ৰামটাঙোন। কিয়নো অঞ্চলটোৰ ৯০ শতাংশ কৃষিজীৱী লোকৰ খেতিপথাৰৰ অতিৰিক্ত পানী এই বিলখনৰে ওলাই গৈ দিমীলা নদীত পৰে। সম্প্ৰতি পথাৰৰ অতিৰিক্ত পানী বিলখনৰে নিষ্কাসন হ'ব নোৱাৰাত কৃষকৰ ধাননি পথাৰ সপ্তাহ পৰ্যন্ত ডুবি থাকে পানীত। বিলখন বেদখল মুক্ত কৰিবৰ বাবে অঞ্চলটোৰ ৰাইজে প্ৰশাসনক বহুবাৰ দাবী জনাই অহাৰ পাছতো আজিকোপতি কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে।



# বিহু অকল ৰং-ৰহইচৰ উৎসৱ নহয়

## নাকেৰবাৰী তৰুণ যুৱক সংঘৰ ৬৫ সংখ্যক বাৰ্ষিক অধিৰেশন আৰু ৰঙালী বিহু সম্পন্ন

অগ্ৰদূত বাৰ্তা

**টিহু, ২৪ এপ্ৰিল ঃ** টিহুৰ বালি গাঁৱৰ সমীপৱৰ্তী নাকেৰবাৰী তৰুণ যুৱক সংঘৰ ৬৫ সংখ্যক বাৰ্ষিক অধিৰেশন আৰু ৰঙালী বিহুৰ মুকলি সভাখন কালি সন্ধিয়া সম্পন্ন হয়। এই উপলক্ষে নাকেৰবাৰী তৰুণ যুৱক সংঘৰ সভাপতি গিৰিধৰ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ দি কামৰূপ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক তিলক শৰ্মাই কয় যে সংঘ, পুথিভঁৰাল আদিয়ে এখন সমাজক সুসংগঠিতভাৱে আগুৱাই যোৱাত সহায় কৰে। বিহু সমন্বয়ৰ উৎসৱ। বিহু উপলক্ষে অনুষ্ঠিত প্ৰতিযোগিতাসমূহৰ মাজেৰে অঞ্চলটোৰ যুৱক-যুৱতীসকলে প্ৰতিভা বিকাশৰ সুবিধা পায়। নাকেৰবাৰী তৰুণ যুৱক সংঘৰ সম্পাদক হৰগোবিন্দ হালৈয়ে উদ্দেশ্য ব্যাখ্যা আৰু প্ৰতিবেদন পাঠ কৰা লগতে সাংবাদিক উদ্ধৱ ঠাকুৰীয়া আৰু নাকেৰবাৰী গাঁও সংগঠন সমিতিৰ সম্পাদক মুকুট হালৈয়ে আঁতধৰা সভাখনত মুখ্য অতিথিৰ ভাষণ দি টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েছনৰ সভাপতি অজিত কুমাৰ শৰ্মাই কয় যে বিহু অকল ৰং-ৰহইচৰ উৎসৱ নহয়। বিহুৰ পৰম্পৰাৰ মাজত আধ্যাত্মিকতা আৰু ভক্তিমাৰ্গ সংপৃক্ত হৈ আছে। যিসকলে পিতৃ-মাতৃ, গুৰুজন আৰু জ্যেষ্ঠজনক শ্ৰদ্ধা-ভক্তি কৰিব নাজানে তেওঁলোকে বিহুৰ প্ৰকৃত তাৎপৰ্য অনুভৱ কৰিব নোৱাৰিব। উক্ত সভাতে বিভিন্ন প্ৰতিযোগিতাৰ বঁটাসমূহ প্ৰদান কৰা হয়। বিহু উদ্‌যাপন সমিতিৰ সভাপতি দ্বিজেন দাস আৰু সম্পাদক দিবাকৰ হালৈ, নাকেৰবাৰী গাঁও সংগঠন সমিতিৰ সভাপতি হেমচন্দ্ৰ দাস আদিয়ে নিয়াৰিকৈ পৰিচালনা কৰা সভাখনৰ অন্তত সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰা হয়।



উল্লেখ্য যে ১৪ এপ্ৰিলত গৰু বিহুৰ দিনাৰ পৰা নাকেৰবাৰী তৰুণ যুৱক সংঘৰ সৌজন্যত আৰম্ভ হোৱা ৰঙালী বিহু উপলক্ষে বিহু পতাকা উত্তোলন, গছপুলি ৰোপণ, প্ৰৌঢ় লোকৰ মাজত প্ৰীতি ফুটবল খেল আৰু ল'ৰা- ছোৱালীৰ মাজত বিভিন্ন খেল- ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে বিয়ানাম প্ৰতিযোগিতা, অ'ন ব্ৰীজ প্ৰতিযোগিতা, স্মৃতি পৰীক্ষা, কুইজ, চিত্ৰাংকন, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, ভেশচন প্ৰতিযোগিতা, বিহু নাচ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। তদুপৰি প্ৰাচীৰ পত্ৰিকা এখনো উন্মোচন কৰা হয়।

# যোৰহাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন সম্পন্ন

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৪ এপ্ৰিলঃ** প্ৰতিবৰ্ষৰ দৰেই এইবাৰো যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত ২১ আৰু ২২ এপ্ৰিলত অনুষ্ঠিত হয় যোৰহাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন। যোৱা ২২ এপ্ৰিলৰ নিশা সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰে নৱপ্ৰজন্মৰ অতিকে জনপ্ৰিয় উদীয়মান কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰই। ইয়াৰ পূৰ্বে পাঞ্চজন্য সুৰ বাহিনীৰ শিল্পীসকলৰ থলুৱা বাদ্য-গীত-নৃত্য পৰিৱেশন আছিল আকৰ্ষণীয়। সাংসদ তপন কুমাৰ গগৈয়ে উদ্বোধন কৰা সাংস্কৃতিক সন্ধিয়াত বহুকেইজন স্থানীয় শিল্পীয়ে পৰিৱেশন কৰে। আনহাতে, পুৱা যোৰহাট চহৰৰ মাজেৰে এক বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা বাহিৰ কৰা হয়। বিহু সন্মিলন থলীৰ পৰা ওলোৱা এই শোভাযাত্ৰা চহৰৰ মাজেৰে গড়আলি হৈ পুনৰ বিহু সন্মিলন থলীত অন্ত পৰে। ইফালে, বিয়লি এক বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। উক্ত সভাতে ২১ এপ্ৰিলত অনুষ্ঠিত চিত্ৰাংকন, বিহুৱতী আৰু বৰবিহুৱতী প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক বঁটা আৰু নগদ ধনৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। উল্লেখ্য যে ২১ এপ্ৰিলৰ পুৱা কেন্দ্ৰীয় বিহু উদ্‌যাপন সমিতিৰ সভাপতি হেমন্ত কলিতাই পতাকা উত্তোলন কৰাৰ পাছতে স্মৃতি তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। আনহাতে, নিশালৈ স্থানীয় শিল্পীৰ দ্বাৰা এক বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়।

# অসম ভিত্তিত 'অসম প্ৰৱাহ'ৰ সাহিত্য প্ৰতিযোগিতাৰ আয়োজন

বিশেষ সংবাদদাতা

**নগাঁও, ২৪ এপ্ৰিলঃ** সাপ্তাহিক 'অসম প্ৰৱাহ' কাকতৰ উদ্যোগত অসম ভিত্তিত এখন সাহিত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। কবিতা, গল্প, প্ৰবন্ধ, চিঠি আৰু সাধু লিখা মুঠ পাঁচটা বিষয় সামৰি আয়োজন কৰা প্ৰতিযোগিতাখনত কবিতা, সাধু আৰু গল্প এই তিনিটা বিষয় অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সীমাবদ্ধ ৰখাৰ বিপৰীতে প্ৰবন্ধ আৰু চিঠি লিখা প্ৰতিযোগিতা সকলোৰে বাবে মুকলি ৰখা হৈছে। অসমীয়া মাধ্যমত আয়োজিত সাহিত্য প্ৰতিযোগিতাখনত সপ্তম শ্ৰেণীৰ পৰা দশম শ্ৰেণী ছাত্ৰ-ছাত্ৰীৰ মাজত 'তোমালোকৰ অঞ্চলত প্ৰচলিত বা ককা-আইতাৰ মুখত শুনা সাধু' শীৰ্ষক বিষয় নিৰ্বাচন কৰা হৈছে। উচ্চতৰ মাধ্যমিক শাখাৰ পৰা মহাবিদ্যালয় পৰ্যায়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ বাবে কবিতা আৰু স্নাতকোত্তৰ শাখাত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰতিযোগিতাৰ বিষয় হৈছে গল্প। গল্পৰ শব্দ সংখ্যা সৰ্বাধিক দুহেজাৰৰ ভিতৰত হ'ব লাগিব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীসকলে লিখনিৰ লগত শিক্ষানুষ্ঠানৰ মুৰব্বীৰ দ্বাৰা অধ্যয়নৰ প্ৰমাণপত্ৰ প্ৰেৰণ কৰিব লাগিব। আনহাতে, সকলোৰে যোগদান কৰিব পৰাকৈ মুকলি ৰখা 'জনচেতনা বৃদ্ধিত সংবাদ পত্ৰৰ ভূমিকা' শীৰ্ষক প্ৰবন্ধৰ বাবে আঢ়ৈ হেজাৰ আৰু 'চিঠি' লিখা প্ৰতিযোগিতাৰ বাবে শব্দ সংখ্যা সাতশৰ ভিতৰত হ'ব লাগিব। উল্লিখিত প্ৰতিটো বিভাগৰ প্ৰতিযোগিতাতে প্ৰথম, দ্বিতীয় আৰু তৃতীয়ৰূপে নিৰ্বাচিত হোৱা তিনিজনকৈ প্ৰতিযোগীক অসমৰ বৰেণ্য সাহিত্যিকৰ দ্বাৰা নিৰ্বাচিত কৰাৰ লগতে কবিতা, গল্প, প্ৰবন্ধ আৰু চিঠি লিখা প্ৰতিযোগিতাত বিজয়ীসকলক ক্ৰমে চাৰি হেজাৰ, তিনি হেজাৰ আৰু দুহেজাৰকৈ নগদ ধন আৰু মানপত্ৰ প্ৰদান কৰা হ'ব ।

আনহাতে, সাধু লিখা প্ৰতিযোগিতাৰ বিজয়ী তিনিগৰাকী প্ৰতিযোগীক গ্ৰন্থৰ টোপোলা আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হ'ব বুলি অসম প্ৰৱাহ কাকতৰ সম্পাদক প্ৰণতি বৰাই জানিবলৈ দিছে। উল্লিখিত প্ৰতিযোগিতাসমূহৰ বঁটা নগাঁৱৰ প্ৰয়াত বিশিষ্ট কবি বুদ্ধীন্দ্ৰ কুমাৰ বৰুৱা, প্ৰয়াত লেখিকা, কবি বিউটি ৰহমান, প্ৰয়াত যুৱ লেখক-সাংবাদিক মানসজ্যোতি মহন্ত আৰু বিশিষ্ট সমাজকৰ্মী ৰাজেন বৰাৰ সোঁৱৰণত প্ৰদান কৰা হ'ব বুলি কাকতখনৰ কাৰ্যবাহী সম্পাদক প্ৰাঞ্জল বৰদলৈয়ে জনাইছে।

# মাজুলীগড় চাহ বাগিচাত বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰা জব্দ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৪ এপ্ৰিল ঃ** যোৱা ২২ এপ্ৰিলৰ নিশা বিশ্বনাথ জিলাৰ মাজুলীগড় চাহ বাগিচাত আৰক্ষীয়ে আৰমান আলীৰ ঘৰৰ পৰা বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰা আৰু অৰুণাচলী বিয়েৰ জব্দ কৰে। আৰক্ষীয়ে অবৈধ সুৰা ব্যৱসায়ী আৰমান আৰু তেওঁৰ পৰিয়ালৰ দুজন সদস্যক গ্ৰেপ্তাৰ কৰে। দুদিন পূৰ্বেও বিশ্বনাথ সদৰ আৰক্ষীয়ে বিশ্বনাথ নগৰত কাৰ্টন অৰুণাচলী সুৰা জব্দ কৰিছিল।

# চাহ জনজাতি জাতীয় সন্মিলনী অসমৰ মেৰাপানী মহকুমা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ২৪ এপ্ৰিলঃ** গোলাঘাট জিলাৰ মেৰাপানী সাংবাদিক সংস্থাৰ প্ৰেক্ষাগৃহত কালি চাহ জনজাতি জাতীয় সন্মিলনীৰ মেৰাপানী মহকুমা সমিতিখন গঠন কৰা হয়। মেৰাপানী মহকুমাৰ অধীনস্থ চাহ মজদুৰ সংঘ, চাহ জনজাতি ছাত্ৰ সংগঠন, চাওতাল সমাজ আৰু চাহ জনজাতি সাহিত্য সভাৰ প্ৰতি নিধিৰ উপস্থিতিত এখন পূৰ্ণাংগ সমিতি গঠন কৰা হয়। গোলাঘাট জিলাৰ চাহ জনজাতি জাতীয় সন্মিলনীৰ সভাপতি মুনিন গৌতম চাওৰাৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভাৰ আঁত ধৰে জিলা সমিতিৰ জাতীয় মহাসভাৰ সভাপতি কৃষ্ণ বাঢ়ৈয়ে। কালি এই প্ৰতিনিধি সভাত সংগঠনটোৰ সাংগাঠনিক ভেটি সবল কৰাৰ সম্পৰ্কে বিশেষ আলোচনা আৰু সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে চাহ জনজাতি জাতীয় সন্মিলনীৰ মেৰাপানী মহকুমা সমিতিখন গঠন কৰে। প্ৰায় শতাধিক প্ৰতিনিধিৰ উপস্থিতিত অমৰ দ্বীপ উৰাঙক সভাপতি, খগেন মাহত্ব আৰু উমেশ্বৰ উৰাওক উপ-সভাপতি, গোলাপ গোৱলাক সাধাৰণ সম্পাদক, পনৰ গড় আৰু লিয়েণ্ডাৰ তপ্পক যুটীয়া সম্পাদকৰূপে লৈ ১১ জনীয়া এখন সমিতি গঠন কৰা হয়।

# কৃষ্ণাই আঞ্চলিক মটৰ শ্ৰমিক সন্থাৰ সম্পাদকৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ২৪ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আঞ্চলিক মটৰ শ্ৰমিক সন্থাৰ সাধাৰণ সম্পাদক ৰহমান আলীৰ কালি পুৱা ৮-১০ বজাত গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। তেওঁ উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ বিগত পাঁচ মাহে চিকিৎসাধীন হৈ আছিল। উল্লেখ্য যে কৃষ্ণাই আঞ্চলিক মটৰ শ্ৰমিক সন্থা প্ৰতিষ্ঠা হৈছিল ১৯৯২ৰ ২০ জুলাইত। আলীয়ে সেই প্ৰতিষ্ঠা হোৱা দিন ধৰি প্ৰথমে সহকাৰী সম্পাদক আৰু পৰৱৰ্তী সময়ত সাধাৰণ সম্পাদকৰ দায়িত্বত বিগত ৩২ বছৰ কাল কাৰ্যভাৰ বহন কৰি আছিল। তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰিছে কৃষ্ণাই আঞ্চলিক মটৰ শ্ৰমিক সন্থাৰ সভাপতি পৰিতোষ সাহাই।

# পহিলা মে'ত কাকজান কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন

অগ্ৰদূত বাৰ্তা

**কাকজান, ২৪ এপ্ৰিল ঃ** অহা পহিলা মে'ত কাকজান খেলপথাৰত ৩৭ সংখ্যক কাকজান কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। যোৱা দুটা বছৰ মহামাৰী কৰ'নাৰ হেতুকে বিহু সন্মিলন আয়োজন কৰিব নোৱাৰাৰ পাছত এইবাৰ বৃহত্তৰ কাকজানবাসী ৰাইজৰ সহযোগত বিহু সন্মিলন উদ্‌যাপন কৰিবলৈ ৰাতুল বৰঠাকুৰক সভাপতি, বসন্ত দত্তক কাৰ্যকৰী সভাপতি, দিপু কাকতি আৰু অভিজিৎ বৰুৱাক যুটীয়া সম্পাদকৰূপে লৈ এখন সমিতি গঠন কৰা হয়। পুৱা পতাকা উত্তোলনৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, 'বৰদেউতা' শীৰ্ষক আশীৰ্বাদ অনুষ্ঠান, প্ৰাইজমানি দলীয় বিহু প্ৰতিযোগিতা, আৰু সন্ধিয়া বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰিছে। সাংস্কৃতিক অনুষ্ঠানত স্থানীয় শিল্পীসকলৰ লগতে উদীয়মান গায়ক ৰমেন দানহৰ গীতৰ শৰাই আগবঢ়োৱা হ'ব। সকলো কাৰ্যসূচী সহায়-সহযোগিতা সফল কৰিবৰ বাবে ৰাইজৰ সহযোগত উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

# টিহুৰ বিষ্ণুপুৰৰ বলদেৱ ভট্টাচাৰ্যৰ মৃত্যুত শোকৰ ছাঁ

অগ্ৰদূত বাৰ্তা

**টিহু, ২৪ এপ্ৰিল ঃ** টিহু মহকুমাৰ ৰতনপুৰ ৰাজহ গাঁৱৰ বিষ্ণুপুৰৰ সৰবৰহী সমাজপ্ৰাণ কষ্টসহিষ্ণু আদৰ্শ কৃষক বলদেৱ ভট্টাচাৰ্য(৮৬)ৰ যোৱা ২২ এপ্ৰিলৰ নিশা বিষ্ণুপুৰস্থিত নিজাবাসভৱনত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। সমাজপ্ৰাণ লোকজনৰ মৃত্যুত ৰতনপুৰ দৌল উৎসৱ সমিতি, বিষ্ণুপুৰ জগন্নাথ মন্দিৰ সমিতি, ৰতনপুৰ গাঁও উন্নয়ন সমিতি, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েছন আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে তিনি পুত্ৰ আৰু তিনিগৰাকী জীয়ৰীসহ বহু আত্মীয়ক এৰি যায়। কালি ভালে সংখ্যক গুণমুগ্ধৰ উপস্থিতিত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

# যোৰহাটৰ ৰূপৰেখা বৰুৱালৈ সাহিত্য সন্মান

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২৪ এপ্ৰিল ঃ** ভাৰতীয় দলিত সাহিত্য একাডেমীৰ 'বাবা চাহেব ড° ভীমৰাও আম্বেদকাৰ নেচনেল সাহিত্যশ্ৰী এৱাৰ্ড ২০২০' সন্মানেৰে সন্মানিত যোৰহাটৰ লেখিকা, কবি ৰূপৰেখা বৰুৱাক 'নিউজ ২৪ অসমে' যোৰহাটৰ ম'হবন্ধাৰ ভকত পমুৱাৰ শ্ৰীমন্ত শংকৰদেৱ সাংস্কৃতিক প্ৰকল্পত 'বৰ্ষশ্ৰেষ্ঠ সাহিত্য সন্মান' প্ৰদান কৰে। সৰুৰে পৰাই সাহিত্যৰ স'তে জড়িত লেখিকাগৰাকীৰ জন্ম যোৰহাট জিলাৰ মেলেঙীয়াল আহোম গাঁৱত। ২০২০ত যোৰহাটৰ দিগদৰ্শন প্ৰকাশনৰ গোষ্ঠীৰ পৰা 'দিগদৰ্শন সাহিত্য সন্মান'ৰে সন্মানিত ৰূপৰেখাৰ সাফল্যত যোৰহাটবাসীৰ সাহিত্যপ্ৰেমী ৰাইজ উৎফুল্লিত হৈছে।

# কামপুৰ বুঢ়াপতিয়া গাঁৱৰ নামঘৰ শতবাৰ্ষিকী উৎসৱ

অগ্ৰদূত বাৰ্তা

**কামপুৰ, ২৪ এপ্ৰিল ঃ** কামপুৰ বুঢ়াপতিয়া গাঁৱৰ নামঘৰ শতবাৰ্ষিকী উৎসৱ আজিৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। এই উপলক্ষে অন্যান্য কাৰ্যসূচীৰ ভিতৰত আছে বন্তি প্ৰজ্বলন, ধৰ্মধ্বজা উত্তোলন, ধৰ্মীয় শোভাযাত্ৰা, নাম-প্ৰসংগ, ভাগৱত পাঠ, স্মৃতিগ্ৰন্থ উন্মোচন, অসমীয়া ভাওনা, গাঁৱৰ বিবাহিতা জীয়ৰীসকলৰ অন্তৰংগ আলাপ আৰু কে'বাখনো ধৰ্মীয় আলোচনা সভা অনুষ্ঠিত হ'ব। শতবাৰ্ষিকী অনুষ্ঠানৰ তৃতীয় দিনাৰ ধৰ্মালোচনী সভাত উপস্থিত থাকিব উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামী। শতবাৰ্ষিকী অনুষ্ঠান সাফল্যমণ্ডিত কৰি তুলিবৰ বাবে উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি ভক্তপ্ৰাণ ৰাইজলৈ আহ্বান জনাইছে।

# বাতৰি কাকতৰ এজেন্টৰ কাকত চুৰি

**জালাহ, ২৪ এপ্ৰিল ঃ** বাগ্‌সা জিলাৰ জালাহৰ বাতৰি কাকতত এজেন্ট দ্বীপেন দাসৰ (দীপক) 'দৈনিক অগ্ৰদূত' কাকতৰ টোপোলাৰ পৰা দৈনিক কাকত চোৰে চুৰি কৰি নিয়ে বুলি এই এজেন্টজনে অভিযোগ কৰে। উল্লেখ্য যে গুৱাহাটীৰ পৰা প্ৰকাশক গোষ্ঠীয়ে তেওঁৰ কাকতৰ টোপোলা পাঠশালাৰ চৌধুৰী এজেন্সীত পুৱতি নিশা থৈ যায়। তাৰ পৰা দ্বীপেন দাসৰ হকাৰে আনিবলৈ গৈ সদায় খোলা অৱস্থাত পায়। বিগত ১৫ দিন একেলেথাৰিয়ে সাত-আঠখনকৈ কাকত অন্তৰ্ধান হৈ থকাত দাসে বহু পৰিমাণে লোকচানৰ সন্মুখীন হৈছে। তদুপৰি তেওঁৰ স্থায়ী গ্ৰাহকসকলে কাকত নোপোৱাত তেওঁক কটু কথাও শুনোৱা বুলি আক্ষেপ কৰিছে। সেয়েহে কাকতৰ চোৰক শীঘ্ৰে কৰায়ত্ত কৰিবলৈ পাঠশালা আৰক্ষীক তেওঁ আহ্বান জনাইছে।

# খনামুখ মধ্য ইংৰাজী বিদ্যালয় গৃহ ভঙাক লৈ ৰাইজৰ মাজত ক্ষোভ

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ২৪ এপ্ৰিল ঃ** ১৯৪৯ত প্ৰতিষ্ঠা হোৱা খনামুখ মধ্য ইংৰাজী বিদ্যালয়খন ২০১৭ত অসম চৰকাৰৰ নিৰ্দেশনা অনুসৰি খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগত একত্ৰীকৰণ কৰা হৈছিল। উল্লেখ্য যে পিছপৰা অঞ্চলটোৰ যাতায়াতৰ দুৰ্গমতাৰ মাজতো তেজক পানী কৰি ভুবন চন্দ্ৰ হাতীবৰুৱাৰ নেতৃত্বত এদল শিক্ষানুৰাগী স্থানীয় ৰাইজৰ সপোনৰ ফচল আছিল খনামুখ মধ্য ইংৰাজী বিদ্যালয়খন। যিখন শিক্ষানুষ্ঠানে শিৱসাগৰ জিলাৰ জকাইচুক মৌজা আৰু যোৰহাট জিলাৰ শিমলুগুৰি মৌজাৰ এটা বৃহৎ গ্ৰাম্য প্ৰধান অঞ্চলৰ শৈক্ষিক উত্তৰণত প্ৰভূত অৰিহণা যোগাবলৈ সক্ষম হৈছিল। শিক্ষানুষ্ঠানখনৰ ভূমিদাতা পৰিয়াল আছিল কদুৰাম দত্ত, চন্দ্ৰ নাথ দত্ত আৰু ভোগেশ্বৰ দত্ত। ৰাইজৰ সহায়- সহযোগিতাত প্ৰাক্তক প্ৰধান শিক্ষক ক্ৰমে প্ৰাক্তন ভুবন চন্দ্ৰ হাতীবৰুৱা, গোলাপ কলিতা, চন্দ্ৰ দত্ত, নিপেন গগৈকে ধৰি বহুজনৰ কষ্টৰ বিনিময়ত অনুষ্ঠানটো জাকত জিলিকা হৈ পৰিছিল। কিন্তু একত্ৰীকৰণৰ অচিলাতে আৰু সমাগত খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ বাবে কোনো ৰাজহুৱা সিদ্ধান্ত নোলোৱাকৈ যোৱা ১৯ এপ্ৰিলত খনামুখ মধ্য ইংৰাজী বিদ্যালয়ৰ মূল গৃহটো এক্সাকেভেটৰেৰে ভাঙি মাটিত মিহলি কৰা ঘটনাই অঞ্চলটোৰ শিক্ষানুৰাগী ৰাইজৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিভিন্ন চৰকাৰী অনুদানেৰে নিৰ্মিত গৃহটো কোনটো চৰকাৰী নিৰ্দেশ নতুবা ৰাজহুৱা সিদ্ধান্ত অনুসৰি ভাঙি দিয়া হ'ল বিদ্যালয় কৰ্তৃপক্ষই ৰাজহুৱা নকৰাক লৈ অঞ্চলটোৰ একাংশ সচেতন লোক অসন্তুষ্ট হৈ পৰিছে। উত্থাপিত অভিযোগ মতে হীৰক জয়ন্তী উৎসৱ উদ্‌যাপন আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ উদ্যোক্তা সমিতিৰ বহুজন বিষয়ববীয়াই এক সভাত গৃহটোৰ সম্পৰ্কত আলোচনা কৰিবলৈ ৰাজহুৱা সভা আয়োজনৰ পৰামৰ্শ দিছিল যদিও পৰৱৰ্তী সময়ত এই বিষয়ত কি সিদ্ধান্ত হ'ল সেই বিষয়তো বিদ্যালয় কৰ্তৃপক্ষই হেমাহি প্ৰদৰ্শন কৰি আহিছে।



আনহাতে, বিদ্যালয় গৃহটো ভাঙি দিয়াৰ পাছত বহুজনে বিদ্যালয়ৰ বহু সামগ্ৰী, চাইকেল, ঠেলা আদিত ঘৰলৈ কঢ়িয়াই থকা দৃশ্যই সেই সময়ত সেই স্থানত উপস্থিত থকা বহু লোকৰ চকু কঁপালত তোলাৰ লগতে ৰাইজক আশ্চৰ্যান্বিত কৰি তুলিছে। সেয়ে ৰাইজে বিদ্যালয় কৰ্তৃপক্ষক বিষয়টোৰ সম্পৰ্কত অৱলম্বন কৰি অহা মৌনতা ভংগ কৰিবলৈ দাবী জনাইছে।

# মাজুলী জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতিৰ পদত্যাগ

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৪ এপ্ৰিল ঃ** মাজুলী জিলা ছাত্ৰ সন্থাৰ বৰ্তমানৰ উপ-সভাপতি, কমলাবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি, সংগঠনৰ বাবে যোৱা ১৫ বছৰে সেৱা আগবঢ়াই অহা দীপক নেওগে ছাত্ৰ সন্থাৰ সাধাৰণ সদস্য পদৰ পৰা যোৱা ২২ এপ্ৰিলত পদত্যাগ কৰিছে। সম্পূৰ্ণ ব্যক্তিগত কাৰণত ছাত্ৰ সন্থাৰ পৰা পদত্যাগ কৰাৰ কথা উল্লেখ কৰি যোৱা ২২ এপ্ৰিলত পদত্যাগ পত্ৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অজিত হাজৰিকাক অৰ্পণ কৰে। ছাত্ৰ সন্থাৰ বহু ঘাত-প্ৰতিঘাতৰ সাক্ষী, ছাত্ৰ সন্থাৰ দুৰ্বল হৈ পৰা সময়ত মাজুলীত সংগঠনৰ স্থিতি সৱল কৰি মহকুমাৰ পৰা জিলালৈ উন্নীত কৰিছিল। নেওগৰ অবিহনে বিশেষকৈ ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয় তথা কমলাবাৰীত কাৰ্যসূচী গ্ৰহণ কৰা সম্ভৱ হৈ উঠা নাছিল। তেনে এজন সতীৰ্থক বিদায় দিব লগা হোৱাটো অতি কষ্টকৰ আৰু ছাত্ৰ সন্থাই দীপক নেওগৰ দৰে ছাত্ৰ নেতৃত্বৰ অভাৱ সদায় অনুভৱ কৰিব লাগিব বুলি প্ৰাক্তন ছাত্ৰ হিচাপে নেতা বীৰেন শইকীয়া, দুলাল ভূঞা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সূৰ্য ভূঞা, পৱিত্ৰ গোস্বামী, জিলা ছাত্ৰ সন্থাৰ সভাপতি অজিত হাজৰিকা, সম্পাদক বিতুপন শৰ্মাই আবেগিক হৈ মন্তব্য কৰে।

# ধিঙত স্বাস্থ্য বিভাগৰ ব্যতিক্ৰমী স্বাস্থ্য মেলা

অগ্ৰদূত বাৰ্তা

**ধিং, ২৪ এপ্ৰিল ঃ** ধিঙত নগাঁও জিলা স্বাস্থ্য বিভাগৰ ব্যতিক্ৰমী স্বাস্থ্য মেলা। একেলগে অনুষ্ঠিত কৰা হৈছে স্বাস্থ্য সেৱা আৰু সাংস্কৃতিক অনুষ্ঠান। আজাদি কা অমৃত মহোৎসৱৰ অংশ স্বৰূপে ভাৰত চৰকাৰৰ স্বাস্থ্য মন্ত্ৰণালয়ৰ নিৰ্দেশত ৰাইজৰ পদূলিত আহি উপস্থিত হ'ল স্বাস্থ্য বিভাগ। গ্ৰামাঞ্চলৰ জনসাধাৰণক চৰকাৰৰ অভিলাষী স্বাস্থ্য আঁচনি, স্বাস্থ্য সেৱা আৰু বিভিন্ন ৰোগ-ব্যাধি সম্পৰ্কে সজাগ আৰু সচেতন কৰাই স্বাস্থ্য বিভাগৰ মূল লক্ষ্য। ধিঙৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনত নগাঁও জিলা স্বাস্থ্য বিভাগে অনুষ্ঠিত কৰা এই স্বাস্থ্য মেলালৈ ৰাইজে জনালে বিপুল সহাঁৰি। বিদ্যালয়খনত স্বাস্থ্য বিভাগে ৰাইজৰ মাজত দেখা দিয়া প্ৰতিটো ৰোগৰ বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা ৰাইজৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। লগতে মধুমেহ, উচ্চ ৰক্তচাপ, হৃদপিণ্ড, দেহৰ বিভিন্ন অংগত দেখা দিয়া কৰ্কটৰোগৰ বিষয়ে ৰাইজক সজাগ কৰিবলৈ বিশেষ আলোচনা চক্ৰও আয়োজন কৰে। লগতে ঠেলি মেডিচিনৰ দ্বাৰা ৰোগীয়ে কেনেদৰে ঘৰতে বহি বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিব পাৰে তাৰ বিষয়ে ৰাইজক প্ৰশিক্ষণ দিয়াৰ লগতে পঞ্জীয়নৰো ব্যৱস্থা কৰে। ৰাইজক আকৰ্ষিত কৰিবলৈ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শন কৰা হয়।

# নিকাছিৰ ছাত্ৰৰ 'মিষ্টাৰ অসম' খিতাপ লাভ মডেলিঙত

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২৪ এপ্ৰিল ঃ** 'মন কৰিলেই ছন, বাকৰি মাটিতো ধন' শীৰ্ষক কথাষাৰ পুনৰ প্ৰমাণিত হ'ল। ঠাইখন পিছপৰা হ'ব পাৰে মন পিছে ডাঠ। নিজৰ শক্তি সামৰ্থ্যৰে জগত জিনাৰ হেঁপাহ। হয় মডেলিঙৰ জৰিয়তে জগত জিনিবলৈ প্ৰয়াস কৰিছে বাগ্‌সা মুছলপুৰৰ এগৰাকী ছাত্ৰই। ছাত্ৰজনৰ নাম আশীষ গজমেৰ। ঘৰ মুছলপুৰৰ নিকাছিত। সৰুৰে পৰা যুৱকজনৰ মডেলিঙৰ প্ৰতি অগাধ ৰাপ। ছাত্ৰ অৱস্থাৰ পৰা স্কুল আৰু কলেজত মডেলিং কৰি জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। নিকাছি, মুছলপুৰ, পাঠশালা, বৰপেটাৰোড, নলবাৰী আদি যিমান ঠাইত তেওঁ মডেলিং প্ৰতিযোগিতাত অংশ লৈছিল সকলোতে প্ৰথম হৈছিল । সেয়া আছিল তেওঁৰ অনুপ্ৰেৰণা আৰু সেই অনুপ্ৰেৰণাকে বুকুত বান্ধি পৰৱৰ্তী সময়ত তেওঁ পাছলৈ ঘূৰি নাচাই আগবাঢ়ি গৈছিল। বৰ্তমান নলবাৰী মহাবিদ্যালয়ত ইংৰাজী বিষয়ত স্নাতক শ্ৰেণীত অধ্যয়ন কৰি থকা এইজন যুৱকে কিছুদিন পূৰ্বে মিষ্টাৰ বাগ্‌সা আৰু মিষ্টাৰ ডেইজিং খিতাপ লাভ কৰে। শেহতীয়াভাৱে এসপ্তাহ পূৰ্বে গুৱাহাটীত অনুষ্ঠিত ফেশ্বন শ্ব'ত 'মিষ্টাৰ অসম' খিতাপ লাভ কৰিবলৈ সক্ষম হয়। বিভিন্ন পুৰস্কাৰেৰে, মেডেলেৰে টেবুল ভৰিছে এইজন প্ৰতিভাবান যুৱকৰ। 'মিষ্টাৰ অসম' হোৱাত সংস্থাটোৱে তেওঁক নগদ ধন, এখন স্কুটী আৰু হিমাচল প্ৰদেশলৈ ট্যুৰ আগবঢ়াইছে। এইজন যুৱকৰ এতিয়া ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মডেলিং কৰি খিতাপ অৰ্জন কৰাৰ দুৰ্বাৰ হেঁপাহ। পিছে পিতৃহাৰা এইজন যুৱক থমকিব লগা হৈছে আৰ্থিক দুৰৱস্থাৰ বাবে। মাতৃ জয়ন্তী বৰকলাই বৰ কষ্টৰে এইখিনি পৰ্যায়লৈ আনিছে। যদি চৰকাৰে এইজন যুৱকক আৰ্থিকভাৱে সহায় কৰে তেন্তে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম অৰ্জন কৰিব পাৰিব। এই সন্দৰ্ভত আশীষে সাংবাদিকক কয়, 'মই মডেলিঙত মিষ্টাৰ ইউনিভাৰ্চ হ'ব বিচাৰো। মই পাৰিম বুলি দৃঢ় মন এটা আছে। পিছে এখোজ আগুৱাই দুখোজ পিছ পৰিব লগা হৈছে ধনৰ চিন্তা কৰি। অসম চৰকাৰে মোৰ দৰে ছাত্ৰক যদি সহায় কৰে তেন্তে মোৰ কামৰ জৰিয়তে অসম চৰকাৰক মই প্ৰতিদান দিম।



# ভূমি বিবাদক কেন্দ্ৰ কৰি সংঘাত ঃ কে'বাজনো আহত

**কলগাছিয়া, ২৪ এপ্ৰিলঃ** ভূমি বিবাদক কেন্দ্ৰ কৰি কালি কলগাছিয়াৰ সেওঁৰাচৰা গাঁৱত সংঘটিত হয় ভয়ংকৰ মাৰপিটৰ ঘটনা। সেওঁৰাচৰাস্থিত ১০৯৫ নম্বৰ জনপ্ৰিয় সেওঁৰাচৰা প্ৰাথমিক বিদ্যালয়ৰ নামত ৭০ বছৰ পূৰ্বে দান কৰিছিল ভূমি। কিন্তু নদীৰ খহনীয়াৰ ফলত বিদ্যালয়খন স্থানান্তৰ কৰা হয়। আৰু দানকৃত ভূমি সম্প্ৰতি বিদ্যালয়ৰ নামত নাই। তাৰ কাৰণে ভূমি দাতাৰ সতি-সন্ততিসকলে উক্ত ভূমিৰ দখললৈ যায়। এই কাণ্ডত খঙত অগ্নিশৰ্মা হৈ ওৱাহাৰ আলী, কাশেম আলী, ছামচুল হক, মোনছেৰ আলী, আছেৰ আলী, ৰফিকুল ইছলাম, জাবেদ আলী, আনোৱাৰ হুছেইন, আলী আকবৰ, আজাহাৰ আলী আৰু হাকিম উদ্দীনে দাৰে ঘপিয়াই ৰেজ্জাক আলী, আজুফা খাতুন, জয়নাল আবদিন, ইদ্ৰিচ আলী, শ্বহীদুল ইছলাম আৰু ৰুকিয়া খাতুনক গুৰুতৰভাৱে আহত কৰাৰ অভিযোগ উত্থাপিত হৈছে। আহত ব্যক্তিসকল সম্প্ৰতি বৰপেটা অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। মাৰপিট কৰা সকলে ভূমি দাতাসকলৰ ঘৰত অগ্নিসংযোগ কৰাৰো অভিযোগ উঠিছে। ঘটনা সন্দৰ্ভত আজগৰ আলীয়ে কাশেম আলী, ওৱাহাব আলী, ছামচুল হককে ধৰি ১২জন লোকৰ বিৰুদ্ধে কলগাছিয়া আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে।

# গোসাঁইগাঁৱৰ মাছানডোবা গাঁৱত ধুমুহাত বিস্তৰ ক্ষতি

অগ্ৰদূত বাৰ্তা

**দোতমা, ২৪ এপ্ৰিল ঃ** সমগ্ৰ ৰাজ্যৰ লগতে কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাতো যোৱা ১৫ এপ্ৰিলৰ মাজনিশা ধুমুহাত তচনচ হয় বহু গাঁও। সমান্তৰালকৈ গোসাঁইগাঁও মহকুমাৰ অংশপুৰ ভিচিডিচিৰ অন্তৰ্গত মাছানডোবা গাঁওখনতো এশ শতাংশ ক্ষতি হয়। ফলত একমাত্ৰ বাঁহৰ দলংখনৰো ক্ষতিসাধন হয়। ফলত বিপদ সংকুলভাৱে যাতায়াত কৰি আছে ৰাইজে। কিন্তু আজিলৈকে কোনো এজন জনপ্ৰতিনিধি তথা বিভাগীয় ফালৰ পৰা খবৰ ল'বলৈ যোৱা নাই বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। ফলত অতি পিছপৰা গাঁওবাসীয়ে দুৰ্ভোগত দিন কটাবলগীয়া হৈছে। মুকলি আকাশৰ তলত থাকিব লগা হৈছে গাঁওবাসী।

# লৌহমানৱৰ শিশু উদ্যান-প্ৰতিমূৰ্তি স্থাপনৰ আহ্বান

## ■ হাজোত বিষ্ণুৰাম মেধিৰ ১৩৫ সংখ্যক জন্ম- জয়ন্তী উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৪ এপ্ৰিল ঃ** তীৰ্থনগৰী হাজোৰ সু-সন্তান লৌহমানৱ বিষ্ণুৰাম মেধিৰ ১৩৫ সংখ্যক জন্ম জয়ন্তীৰ দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰ আজি সামৰণি পৰে। লৌহমানৱ বিষ্ণুৰাম মেধি স্মৃতি সৰক্ষা সমিতিৰ উদ্যোগত আয়োজিত জন্ম জয়ন্তী উপলক্ষে সামৰণিৰ দিনা বিয়লি হাজো বিষ্ণুৰাম মেধি প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় এক স্মৃতিচাৰণ আৰু ৰাজহুৱা সভা। স্মৃতি ৰক্ষা সমিতিৰ সভাপতি মোহন চন্দ্ৰ মালাকাৰৰ পৌৰোহিত্যত অনুস্থিত স্মৃতিচাৰণ আৰু ৰাজহুৱা সভাত নিৰ্দিষ্ট বক্তা মাধ্যমিক শিক্ষা বিভাগৰ সচিব ভাৰত ভূষণ দেৱচৌধুৰী, সন্মানীয় অতিথি হাজোৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, বিশিষ্ট অতিথিদ্বয় ক্ৰমে সাহিত্যিক তথা সমালোচক ড° দয়ানন্দ পাঠক, হাজো সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই অসমৰ দ্বিতীয়জন মুখ্যমন্ত্ৰী তথা ৰাজস্থানৰ প্ৰাক্তন ৰাজ্যপাল লৌহমানৱ বিষ্ণুৰাম মেধিৰ কৰ্মময় জীৱনৰ ভিত্তিত যিমানখিনি সম্ভৱ হৈ উঠিব লাগিছিল, সেয়া অদ্যাপি হৈ উঠা নাই বুলি। অতিথিসকলে নিজৰ ভাষণ প্ৰসংগত লৌহমানৱ মেধিৰ জীৱন আৰু কৃতি সম্পৰ্কে আলোকপাত কৰি তেওঁৰ স্মৃতি সুৰক্ষিত কৰিবলৈ হ'লে তীৰ্থনগৰী হাজোত এখন শিশু উদ্যান আৰু এটি পূৰ্ণ অৱয়ৱ প্ৰতিমূৰ্তি স্থাপনৰ পোষকতা কৰে। স্মৃতি সুৰক্ষা সমিতিৰ সম্পাদক অজিত কুমাৰ মেধিয়ে উদ্দেশ্য ব্যাখ্যা কৰা আৰু শৰৎ নায়কে আঁত ধৰা এই স্মৃতিচাৰণ আৰু ৰাজহুৱা সভাতে হাজোৰ চাৰিজনকৈ বিভিন্ন ক্ষেত্ৰত অৰিহণা যোগোৱা ক্ৰমে লোক সংস্কৃতিৰ গৱেষক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহৰ অৱসৰী সচিব ড° প্ৰবীণ দাস, উদ্যোগ বিভাগৰ অৱসৰী পৰিচালন সঞ্চালক নুৰ মহম্মদ, জল পৰিবহণ নিগমৰ অৱসৰী সঞ্চালক নিৰোদ চন্দ্ৰ দাস আৰু ভাৰতীয় খাদ্য নিগমৰ অৱসৰী বিষয়া ইমদাদ আলীক এখন ফুলাম গামোচা, জাপি আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। উক্ত সভাতে বিশিষ্ট সাহিত্যিক তথা সমালোচক ড° দয়ানন্দ ১৩ পৃষ্ঠাত চাওক

# চন্দ্ৰেশ্বৰ বৰুৱাক শতাধিক অনুষ্ঠান-সংগঠনৰ সম্বৰ্ধনা

## ■ অভিনন্দন গ্ৰন্থ উন্মোচন



**অগ্ৰদূত বাৰ্তা**

**নামতি, ২৪ এপ্ৰিল ঃ** নামতি তাই ভাষা সংস্কৃতি বিকাশ কেন্দ্ৰ, নামতি প্ৰেছ গীল্ড আৰু ৰাইজৰ উদ্যোগত বৃহত্তৰ নামতি অঞ্চলৰ পুৰোধা ব্যক্তি, অঞ্চলটোৰ গণিত আৰু বিজ্ঞান শিক্ষা প্ৰসাৰৰ অন্যতম কাণ্ডাৰী, বিশিষ্ট সমাজ সংগঠক, প্ৰাক্তন খেলুৱৈ তথা অভিনেতা, নামতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ চন্দ্ৰেশ্বৰ বৰুৱাক কালি ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই উপলক্ষে নামতি বালক উচ্চতৰ ১৩ পৃষ্ঠাত চাওক

# অসম কৃষি বিশ্ববিদ্যালয়ৰ নীতিহাব'ৰ উদ্যোগত চেক বিতৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২৪ এপ্ৰিল ঃ** অসম কৃষি বিশ্ববিদ্যালয়ত অৱস্থিত নীতিহাব তথা অটল ইনকুবেছন চেন্টাৰে ২০২০-২১ ৰ কৃষি আৰু আনুষংগিক খণ্ডৰ ১৭ জন সম্ভাৱনাপূৰ্ণ উদ্যোগীক এক কোটি ৫১ লাখ টকাৰ অৰ্থসাহায্য প্ৰদান কৰিছে। ভাৰত চৰকাৰৰ কৃষি সমবায় তথা কৃষক কল্যাণ মন্ত্ৰণালয়ৰ তৰফৰ পৰা ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ দ্বাৰা কৃষি আৰু আনুষংগিক খণ্ডসমূহৰ পুনৰ উজ্জীৱিত উদ্দেশ্যে প্ৰৱৰ্তিত 'ৰাফটাৰ'ৰ অধীন আপ এই অৰ্থসাহায্যৰ চেক প্ৰদান কৰা হয়। উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনৰ ভিতৰত নিৰ্বাচিত সম্ভাৱনাপূৰ্ণ উদ্যোগীসকলক ইশ্বান্যাৰ আঁচনিৰ অধীনত আঠজনক প্ৰত্যেককে পাঁচ লাখ টকাৰ চেক আৰু স্বাৰেন্যা অধীনত নজনক ২০ লাখ টকাকৈ এই ধনৰাশিৰ চেক বিতৰণ কৰা হয়। বিশ্ববিদ্যালয়ৰ নীতিহাবৰ কাৰ্যালয়ত অনুষ্ঠিত বিশেষ অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি বিজ্ঞানগুৰু ড° জয়ন্ত ডেকা আৰু সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকে চেকসমূহ বিতৰণ কৰে। নীতিহাবৰ সঞ্চালক ড° ডানিছ তামুলীয়ে আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানটোত মুখ্য অতিথিৰূপে বক্তব্যত ড° ডেকাই উদ্যোগীসকলক নিয়োগকৰ্তাৰূপে নিজকে প্ৰতিষ্ঠিত কৰি নিৰনুৱা সমস্যা সমাধানৰ দিশত পদক্ষেপ ল'বলৈ আহ্বান জনায়। নতুন উদ্যোগী সৃষ্টিৰ ক্ষেত্ৰতো আগভাগ ল'বলৈ আহ্বান জনায়। সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকে উত্তৰ-পূৰ্বাঞ্চলক কলাসন্মত উদ্যোগ ক্ষেত্ৰৰূপে আগবঢ়াই নিয়াৰ বাবে পদক্ষেপ ল'বলৈ আহ্বান জনায়। উক্ত অনুষ্ঠানত কেন্দ্ৰৰ মুখ্য কাৰ্যবাহী বিষয়া ড° কে কাৰ্তিকায়নেও বক্তব্য আগবঢ়ায়। উল্লেখ্য যে নীতিহাবে ইশ্বান্যাৰ আৰু স্বাৰেন্যা আঁচনিৰ জৰিয়তে উত্তৰ-পূবৰ কৃষি আৰু আনুষংগিক ক্ষেত্ৰৰ সম্ভাৱনাপূৰ্ণ উদ্যোগীক সকলো ধৰণৰ সহায়-সহযোগিতাৰে উদ্যোগৰ আন্তঃগাঁথনি সবল কৰাত চেষ্টা চলাই আহিছে।

# অসম জাতীয় পৰিষদৰ পৰা নিলম্বন

**তিতাবৰ, ২৪ এপ্ৰিল ঃ** অসম জাতীয় পৰিষদৰ তিতাবৰ আঞ্চলিক তদৰ্থ সমিতিৰ সাধাৰণ সম্পাদক আমান হুছেইনক তাৎক্ষণিকভাৱে দলীয় পদবীৰ পৰা নিলম্বন কৰা হৈছে। অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই এই সন্দৰ্ভত এক বিবৃতিত উল্লেখ কৰে যে দলৰ সংবিধান বিৰোধী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত হুছেইনক দলৰ পৰা নিলম্বন কৰা হৈছে। বিবৃতিটোত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ তত্ত্বাৱধায়ক অনুপ ফুকনক অহা সাত দিনৰ ভিতৰত হুছেইনৰ বিৰুদ্ধে উত্থাপিত হোৱা সকলো অভিযোগৰ তদন্ত কৰি প্ৰতিবেদন দাখিল কৰিবলৈও নিৰ্দেশ দিছে। তদন্তৰ প্ৰতিবেদনৰ ভিত্তিতে পৰৱৰ্তী সিদ্ধান্ত গ্ৰহণ কৰিব। উল্লেখ্য যে নিলম্বিত সদস্যজনে তিতাবৰৰ এজন সংবাদকৰ্মীক ব্লেকমেইলিঙ কৰি পাঁচ লাখ টকা দাবী কৰিছিল। কিন্তু সংবাদকৰ্মীজনে এই সম্পৰ্কত তিতাবৰ আৰক্ষীক অৱগত কৰাত যোৱা ২৪ এপ্ৰিলত ধনৰ লেনদেন কৰি থাকোতেই কৌশলেৰে তিতাবৰ মহকুমাৰ আৰক্ষী বিষয়া নৰনীতা শৰ্মাই অসামৰিক পোছাকত হাতে-লোটে কৰায়ত্ত কৰে।।

# নগাঁৱৰ খেতিপথাৰ পৰিদৰ্শন টাইৱানৰ প্ৰতিনিধিৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৪ এপ্ৰিল ঃ** বিশ্ব বেংকৰ সাহায্যত 'অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ' 'এপাৰ্ট' আঁচনিৰ অধীনত নগাঁও জিলাত ৰূপায়ণ হৈ থকা আঁচনিসমূহ আজি পৰিদৰ্শন কৰে বিশ্ব শাক-পাচলি কেন্দ্ৰ, টাইৱানৰ এটা প্ৰতিনিধি দলে। টাইৱানৰ জ্যেষ্ঠ উদ্যান শস্যবিদ ড° পাওলা কাৰডনা আৰু পতংগবিদ ড° চোপানা ইয়লে জিলাখনৰ ডাকৰঘাটৰ উদ্যমী কৃষক পলাশ প্ৰকাশ শইকীয়াৰ পথাৰত 'আত্মা'ৰ দ্বাৰা ৰূপায়ণ ১৩ পৃষ্ঠাত চাওক

# যোগ্যজনক সন্মান দিব জানে নলবাৰীৰ লোকে ঃ ড° চৌধুৰী

## ■ বৰভাগত যোগেন্দ্ৰ গোস্বামীক ৰাজহুৱা সম্বৰ্ধনা-অভিনন্দন গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ২৪ এপ্ৰিল ঃ** 'অসমৰ ভিতৰত নলবাৰী জিলাতে অভিনন্দন গ্ৰন্থ, স্মৃতি গ্ৰন্থ সৰ্বাধিক প্ৰকাশ পায় । ই এইটোকে বুজাই যে নলবাৰীত মানুহে যোগ্যজনক সন্মান দিব জানে।' এই মন্তব্য গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা সাহিত্যিক ড° অমৰজ্যোতি চৌধুৰীৰ। আজি নলবাৰী জিলাৰ বৰভাগ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্য-সংস্কৃতি সেৱী তথা বৰভাগ জ্যেষ্ঠ নাগৰিক মঞ্চৰ প্ৰতিষ্ঠাপক সভাপতি মৌৰা গাঁও নিবাসী যোগেন্দ্ৰ গোস্বামীক ৰাজহুৱা সম্বৰ্ধনা আৰু অভিনন্দন গ্ৰন্থ উন্মোচনী সভাত চৌধুৰীয়ে এইদৰে কয়। বৰভাগ শাখা সাহিত্য সভাৰ উদ্যোগত স্থানীয় মৌৰা গোপাল গোসাই ঘৰ প্ৰাংগণত আয়োজিত



অনুষ্ঠানটোত ভবেশ চন্দ্ৰ শৰ্মা আৰু প্ৰকাশ কলিতাৰ দ্বাৰা সম্পাদিত অভিনন্দন গ্ৰন্থ 'অভিযাত্ৰী' উন্মোচন কৰি ড° চৌধুৰীয়ে পুনৰ কয় যে গোস্বামীৰ আলোকময় ব্যক্তিত্ব এতিয়া আৰু এই অঞ্চলতে সীমাবদ্ধ নহয়, ৰাজ্যখনৰে এগৰাকী অনন্য সমাজ হিতৈষীৰূপে পৰিচিত। তেওঁ বৰভাগ অঞ্চলৰ প্ৰাকৃতিক দৃশ্যত মুগ্ধ হৈ পৰা বুলিও কয়। বৰভাগ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা যোগেন্দ্ৰ গোস্বামী অভিনন্দন গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি ৰজত চন্দ্ৰ কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত মুখ্য অতিথিৰূপে উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰাজেন্দ্ৰ নাথ শৰ্মাই ভাষণ দি কয় যে আজিৰ ১৩ পৃষ্ঠাত চাওক

# যোৰহাট থিয়েটাৰত বিশিষ্ট শিল্পী হেম গগৈক সম্বৰ্ধনা



**চেলেংহাট, ২৪ এপ্ৰিল ঃ** যোৰহাট থিয়েটাৰৰ ১২৫ বছৰীয়া জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি চেলেংহাটৰ বিশিষ্ট শিল্পী হেম গগৈক সম্বৰ্ধনা জনোৱাত চেলেংহাটৰ শিল্পী সমাজ উৎফুল্লিত হৈছে। উল্লেখ্য যে যোৰহাট জিলাৰ ১২৫ গৰাকী বিশিষ্ট শিল্পী আৰু সাংস্কৃতিক কৰ্মীক যোৰহাট থিয়েটাৰৰ ১২৫ বছৰীয়া জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ উপলক্ষত আজি বিশেষ সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধিত শিল্পী হেম গগৈয়ে ১৯৮৭ত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স'তে মঞ্চ আৰু কে'বাখনো কেছেটত বাঁহী আৰু পেঁপা পৰিৱেশন কৰিছিল। সেই সময়ত গৃহৰক্ষী বাহিনীৰ কৰ্মচাৰীৰূপে কৰ্মৰত গগৈয়ে ড° ভূপেন হাজৰিকাৰ উপৰি শিল্পী মহানন্দ মজিন্দাৰ বৰুৱা, মুনীন বৰুৱাৰ স'তে বাঁহী বজাই ৰাইজৰ পৰা প্ৰশংসা লাভ কৰিছিল। গগৈয়ে বাঁহী বাদন কৰা গীতৰ কেছেটৰ ভিতৰত অন্যতম লাহৰী, গগনা আৰু জেতুকা।

# আমগুৰি লেখিকা সমাৰোহ সমিতিৰ চাৰিখনকৈ গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ২৪ এপ্ৰিল ঃ** আমগুৰি লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত আমগুৰিস্থ মাৰোৱাৰী পঞ্চায়ত ভৱনত কালি এক গ্ৰন্থ উন্মোচনী আৰু বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। সমাৰোহৰ আমগুৰি শাখাৰ সভাপতি দীপালী শইকীয়া বৰুৱাৰ পৰিচালনাত অনুষ্ঠিত অনুষ্ঠানটোত প্ৰাক্তন সভাপতি ৰেণুপমা বৰগোহাঞিৰ জীৱনৰ আধাৰত দুখন গ্ৰন্থ ক্ৰমে 'স্বৰ্ণোদ্দীপ্ত উপলব্ধি' আৰু 'ৰেণু বাইদেউৰ সান্নিধ্যত' নামৰ গ্ৰন্থখন উন্মোচন কৰে ক্ৰমে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° পল্লৱী ১৩ পৃষ্ঠাত চাওক

# মিছামৰাত সামাজিক সজাগতা সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱা বামুণগাঁও, ২৪ এপ্ৰিল ঃ** গোলাঘাট জিলাৰ মিছামৰা বাগানত যোৱা ২২ এপ্ৰিলত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান, গোলাঘাটৰ উদ্যোগত মুহিৰাম হাজৰিকা হাইস্কুল, সমাজ কল্যাণ বিভাগ আৰু নৱ প্ৰভাত কৃষ্টি বিকাশ মঞ্চৰ সহযোগত বাল্য বিবাহ প্ৰতিৰোধ শীৰ্ষক এখন সামাজিক সভা অনুষ্ঠিত হয়। উক্ত সভাত দুই শতাধিক চাহ শ্ৰমিক কৰ্মচাৰী উপস্থিত থাকে। সভাখন অনুষ্ঠিত কৰাত সহায় কৰে মিছামৰা বাগিচাৰ জ্যেষ্ঠ পৰিচালক প্ৰদীপ গগৈৰ লগতে কে'বাটাও সংগঠনৰ বিষয়ববীয়াই।

# বিদ্যালয়ৰ খিৰিকীৰ গ্ৰীল সুলকি পৰি তিনি ছাত্ৰী আহত

## ■ অঞ্চলজুৰি প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ২৪ এপ্ৰিলঃ** বস্ত্ৰনগৰী শুৱালকুছিৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান 'শুৱালকুছি এঞ্জেলচ ইংলিছ স্কুলৰ খিৰিকীৰ গ্ৰীল সুলকি পৰি এটা শ্ৰেণীৰ তিনি গৰাকীকৈ ছাত্ৰী আহত হয়। কালি বিদ্যালয়খনত চতুৰ্থ শ্ৰেণীত চতুৰ্থ ঘন্টাৰ ক্লাছ চলি থকা অৱস্থাতে হঠাতে কোঠাটোৰ খিৰিকীৰ গ্ৰীল এখন সুলকি আহি শেষৰ ছীটত বহি থকা তিনিগৰাকী ছাত্ৰী ক্ৰমে মেঘনা কলিতা, ময়ূখী মড়ল আৰু অভিলাষা ওজাৰ মূৰত পৰে। লগে লগে ছাত্ৰীকেইগৰাকী আহত হৈ পৰাত বিদ্যালয় কৰ্তৃপক্ষই শুৱালকুছি মহাত্মা গান্ধী এফ আৰ ইউ চিকিৎসালয়ত ভৰ্তি কৰোৱায়। পাছত ছাত্ৰীকেইগৰাকীক উন্নত চিকিৎসাৰ বাবে অভিভাৱকসকলে গুৱাহাটীলৈ নিয়ে। বিদ্যালয় কৰ্তৃপক্ষৰ গুৰুত্বহীনতা আৰু হেমাহিৰ বাবেই এই কাৰ্য সংঘটিত হোৱা বুলি অভিভাৱকসকলে অভিযোগ উত্থাপন কৰিছে। অভিভাৱকসকলে কামৰূপ জিলা প্ৰশাসনক উক্ত ঘটনাৰ তদন্ত কৰিবলৈ দাবী জনাইছে।

# আমিনগাঁও সংকট মোচন সেৱাশ্ৰমত ৰক্তদান শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ২৪ এপ্ৰিল ঃ** কামৰূপ জিলা সদৰ আমিনগাঁও মহাবাহু বৰলুইতৰ পাৰত অৱস্থিত সংকট মোচন সেৱাশ্ৰমত আজি ব'হাগ বিহুৰ স'তে সংগতি ৰাখি ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। সংকট মোচন সেৱাশ্ৰমৰ উদ্যোগত আৰু আশ্ৰম প্ৰধান দীপক পণ্ডিতৰ নেতৃত্বত আৰু আমিনগাঁও অঞ্চলৰ ৰাইজৰ সহযোগত অনুষ্ঠিত ৰক্ত দান শিবিৰত ২০ জনে লোকে ৰক্তদান কৰে। ৰক্তদান শিবিৰ অনুষ্ঠিত কৰাৰ পূৰ্বেই দীপক পণ্ডিতৰ মংগল ধ্বনি আৰু মন্ত্ৰোচ্চাৰণেৰে পুষ্পাঞ্জলি অৰ্পণ কৰি উপস্থিত সকলোৰে আশীষ লয়। নিতুপম মেধিয়ে আঁত ধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে সমাজ কৰ্মী শংকৰ কুমাৰ দাসে। আনহাতে, শিবিৰটো মুকলি কৰে সমাজকৰ্মী কেশৱ কলিতাই। ইফালে, সংকট মোচন সেৱাশ্ৰম প্ৰধান দীপক পণ্ডিতে সভাপতিত্ব কৰা সভাত ভাষণ প্ৰদান কৰি আই আই টি গুৱাহাটীৰ ড° সুৰজীত চৌধুৰীয়ে কয় যে মানৱ ধৰ্মৰ সমান ভক্তি এই পৃথিৱীত একোৱেই নাই। ৰক্তদান শিবিৰ অনুষ্ঠানত উপস্থিত থাকে দীপ, ডিম্বেশ্বৰ দাস, পাপু, বিনয় শৰ্মা, বাবু, শৰৎ নাথ, ব্ৰজেন ১৩ পৃষ্ঠাত চাওক

# বিল্বেশ্বৰত অবিভক্ত কামৰূপ সাহিত্য লোক-সংস্কৃতি মঞ্চৰ বিশেষ সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**চামতা, ২৪ এপ্ৰিলঃ** পশ্চিম নলবাৰীৰ বিল্বেশ্বৰ গাঁৱৰ বিষ্ণু দাইনাপালি ক্ষেত্ৰত আজি অবিভক্ত কামৰূপ সাহিত্য লোক-সংস্কৃতি মঞ্চৰ এখন বিশেষ সভা তথা সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। পশ্চিম নলবাৰী অঞ্চলৰ সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক উদয় বৰ্মনৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে লোক-সংস্কৃতি মঞ্চৰ প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ হালৈয়ে। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজকৰ্মী পুলক কুমাৰ শৰ্মাই। উক্ত সভাত ওজাপালি কলা-কৃষ্টিৰ বিশিষ্ট শিল্পী প্ৰভাত চন্দ্ৰ হালৈ, মহিলা ওজাপালি শিল্পী ৰাউলীৰ সবিতা নাথ, সমাজকৰ্মী পুলক কুমাৰ শৰ্মা, উদয় বৰ্মন, লক্ষ্মী পাটোৱাৰী, বসন্ত মহন্ত দেবেন ডেকা, শৰৎ হালৈ, প্ৰমোদ কলিতা, অজিত বৰ্মন, উমেশ মেধি, হৰিচৰণ হালৈ, বিশিষ্ট নাট্যকাৰ অভিনেতা ৰমেশ কুমাৰ হালৈ, ওজাপালি শিল্পী সোণাৰাম বৈশ্য, প্ৰবীণ সাংবাদিক ৰাজেন বৈশ্য, সমাজকৰ্মী ৰূপম বৰ্মন, মঞ্জু হালৈ, সংবাদ কৰ্মী পৰাগমণি দাসক লোক-সংস্কৃতি মঞ্চই সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ পাছতে সভাত লোক-সংস্কৃতি মঞ্চৰ ভৱিষ্যৎ কাৰ্যপন্থা বিষয়ে আলোচনা কৰা হয়।

# বানিয়াৰাপাৰাত ড্ৰাগছৰ বিৰোধিতা কৰাৰ প্ৰতিশোধত আক্ৰমণ ঃ গোচৰ

**কলগাছিয়া , ২৪ এপ্ৰিল ঃ** চৰকাৰৰ নিৰ্দেশ ক্ৰমে আৰক্ষী প্ৰশাসন ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ হৈ পৰাৰ সময়তে অভিযুক্তৰ ৰোষত পৰি ৰফিকুল ইছলাম আৰু তেওঁৰ আত্মীয় গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হ'বলগীয়া ঘটনা এটি পোহৰলৈ আহিছে। ৰাইজৰ অভিযোগ মতে, বৰপেটা সদৰ আৰক্ষী থানাৰ অন্তৰ্গত গৰেমাৰীৰ বানিয়াৰাপাৰাত গাঁৱৰ মেহেৰ আলীয়ে ড্ৰাগছ সৰবৰাহৰত জড়িত থকাত গঞা ৰাইজ আৰক্ষীক জনোৱাত ২১ এপ্ৰিলত মেহেৰ আলীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। কিন্তু ড্ৰাগছৰ খবৰ দিয়া বুলি সন্দেহত ইয়াত প্ৰতিশোধ লোৱাৰ উদ্দেশ্যে ২৩ এপ্ৰিলত মেহেৰ আত্মীয়ই পৰিকল্পিতভাৱে বাটৰ কাষত লাঠি, ৰড, ডেগাৰলৈ বৈ থাকে আৰু ৰফিকুল গৰেমাৰী বজাৰৰ পৰা নিজ গৃহ অভিমুখে আহি থকাৰ পথত আক্ৰমণ কৰে। ইয়াৰ খবৰ পাই ককায়েক মোক্তাৰ আলী বাধা দিবলৈ অহাত তেওঁকো আক্ৰমণ কৰে। তেনে সময়ত মোক্তাৰৰ কন্যা মহাবিদ্যালয়লৈ গৈ থকা অৱস্থাত বাটৰ মাজত পিতৃক আক্ৰমণ কৰা ১৩ পৃষ্ঠাত চাওক

# উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ত 'ৰঙালী ৰং' শীৰ্ষক মুকলি বিহু উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ২৪ এপ্ৰিল ঃ** যোৰহাট জিলাৰ উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ৰ বাকৰিত কালি ৰঙালী বিহুৰ স'তে সংগতি ৰাখি ৰঙালীৰ ৰং শীৰ্ষক মুকলি বিহু উদ্‌যাপন কৰা হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ শইকীয়াই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ দ্বাৰা প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকা জাগৰণৰ দ্বিতীয় বৰ্ষৰ প্ৰথম সংখ্যাৰ উন্মোচন কৰা হয়। ৰঙালী ৰং কাৰ্যসূচী মুকলি কৰে চিকিৎসক তথা সাংস্কৃতিককৰ্মী গোলাপ ডেকাই। তেওঁ অসমীয়া জাতীয় জীৱনৰ আয়ুস ৰেখা বাপতি সাহোন বিহুক ধৰি ৰাখিবলৈ উপস্থিত সকলোকে আহ্বান জনায়। বিদ্যালয়খনৰ অধ্যক্ষ মুকুল বৰুৱা, সমাজকৰ্মী ডিম্বেশ্বৰ বৰা উপস্থিত থকা কাৰ্যসূচীত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক ৰূপায়ণ কৰে। বিদ্যালয়খনৰ শৈক্ষিক সঞ্চালক শ্ৰীমন্ত মাধৱ অনুষ্ঠানটোৰ আঁত ধৰে।

# টীয়কৰ হাস্পতাল পথত তীব্ৰ যানজঁট ঃ নীৰৱ প্ৰশাসন

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ২৪ এপ্ৰিল ঃ** যোৰহাট জিলাৰ টীয়ক নগৰৰ সদা ব্যস্ত টীয়ক হাস্পতাল পথটোৰেই আহ-যাহ হয় টীয়ক এফ আৰ ইউৰ লগতে চাৰিখনকৈ বিদ্যালয়, তিনি-চাৰিটা অঞ্চলৰ ৰাইজ। পথটো অপৰিকল্পিতভাৱে নিৰ্মাণৰ লগতে একাংশ ৰাজনৈতিক নেতাৰ স্বাৰ্থ পূৰণৰ বাবে আজিও কদৰ্যময় পথৰেই অহা-যোৱা কৰিবলগীয়া হৈছে ৰোগী, ছাত্ৰ-ছাত্ৰীৰ লগতে অঞ্চলবাসী। তদুপৰি টীয়ক নগৰৰ তিনি নম্বৰ ৱাৰ্ডত অৱস্থিত টীয়ক হলি ফ্লাৱাৰ ছিনিয়ৰ ছেকেণ্ডাৰীৰ ১৫০০ ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনত নাই যান-বাহন ৰখা ঠাই। ফলত



বিদ্যালয়লৈ অহা-যোৱা কৰা বাহনসমূহৰ বাবে যানজঁটৰ সৃষ্টি হৈ ৰোগী কঢ়িওৱা এম্বুলেঞ্চকে ধৰি পথচাৰী আৱদ্ধ হ'বলগীয়া হয় ঘণ্টাৰ উপৰি ঘণ্টা। অথচ কাণসাৰ নাই প্ৰশাসন কি স্কুল স্বত্বাধিকাৰীৰ। নগৰৰ মাজ মজিয়াত এখন বিদ্যালয় খুলিবলৈ থাকিবলগীয়া সুবিধাসমূহ নথকাকৈ কি ৰহস্যত এখন স্কুল খোলাৰ অনুমতি টীয়ক নগৰ সমিতিয়ে প্ৰদান কৰিলে তাক লৈয়ো চৰ্চা হৈছে। বিদ্যালয়খনৰ পৰা সৃষ্টি হোৱা সমস্যাৰ ক্ষেত্ৰত টীয়ক পৌৰসভাৰ নতুন পৌৰপতিয়ে কি পদক্ষেপ গ্ৰহণ কৰে তাক লৈয়ো চৰ্চা হৈছে সচেতন মহলত। ইফালে, লোক নিৰ্মাণ বিভাগৰ যোৰহাটৰ কাৰ্যালয়ৰ একাংশ বিষয়াৰ টোঘলকী কাণ্ডত ১৩ পৃষ্ঠাত চাওক

# সাংস্কৃতিক শোভাযাত্ৰাৰে শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ৰূপালী জয়ন্তী আৰম্ভ

**অগ্ৰদূতবাৰ্তা**

**শুৱালকুছি, ২৪ এপ্ৰিল ঃ** বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰে আৰম্ভ হ'ল শুৱালকুছিৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ বৰ্ষজোৰা ৰূপালী জয়ন্তীৰ প্ৰথম কাৰ্যসূচী। বিভিন্ন সাংস্কৃতিক বেশভূষাৰে প্ৰায় এক কিলোমিটাৰ দৈৰ্ঘ্যৰ সাংস্কৃতিক শোভাযাত্ৰাই শিক্ষানুষ্ঠানখনৰ গুণ-গৰিমাৰে শোভাযাত্ৰাৰ নান্দনিক পৰিৱেশৰ সৃষ্টি কৰে। কণ কণ ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক সজাগতাৰ প্লেকাৰ্ড হাতে হাত লৈ শিক্ষাই জীৱনৰ মূলমন্ত্ৰ মূলধন বুলি শোভাযাত্ৰাটোৰ জৰিয়তে সজাগতাৰ সৃষ্টি কৰা দেখা যায়। গায়ন বায়ন, বিয়া, বিহুনাম, খঞ্জুৰি নাম, থিয়নাম, হুঁচৰি, সাতভনীৰ বাৰেৰহণীয়া সংস্কৃতিয়ে




শোভাযাত্ৰাটোৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। ইয়াৰ পূৰ্বে স্কুল প্ৰাংগণত পুৱা ন বজাত মাংগলিক ধ্বনিৰে শিক্ষাবৰ্ষৰ গৌৰৱোজ্জ্বল ২৫ বৰ্ষ সোঁৱৰণ কৰি ২৫ খন পতাকা উত্তোলন কৰে। মূল পতাকা উত্তোলন কৰে সভাপতি পৰেশ চন্দ্ৰ কলিতাই, স্মৃতি তৰ্পণ কৰে উদ্‌যাপন সমিতিৰ উপদেষ্টা ৰাজেন্দ্ৰ নাথ কলিতা, ভাৰত মাতাৰ বেদীত মাল্যাৰ্পণ কৰে উপদেষ্টা দীনেশ চন্দ্ৰ বৈশ্য আৰু শোভাযাত্ৰা উদ্বোধন কৰে হাজো সংকুলৰ প্ৰমুখ টংকেশ্বৰ তালুকদাৰে। স্কুলখনৰ গৌৰৱময় ২৫ বছৰীয়া জয়যাত্ৰাক অভিনন্দন জনায় শুৱালকুছিৰ দল- সংগঠনে।





# আই পি এলত পাঁচবাৰ ‘গোল্ডেন ডাক’ বিৰাটৰ




মাষ্টাৰ-ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰৰ ৪৯ সংখ্যক জন্মদিনত ৰাজপথত ছবি অংকন কৰি এইদৰে শুভেচ্ছা এগৰাকী অনুৰাগীৰ।

**মুম্বাই, ২৪ এপ্ৰিল ঃ** দীৰ্ঘদিন ধৰি টীম ইণ্ডিয়াৰ প্ৰাক্তন অধিনায়ক বিৰাট কোহলীৰ বেট নাই আকাংক্ষিত ৰান। বিৰাট কোহলীৰ বেটৰ পৰা এইবাৰ ভাল ৰান আহিব বুলি আশা পালি ৰৈ আছিল ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ অনুৰাগীয়ে। ভাবিছিল ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে সফল প্ৰত্যাৱৰ্তন কৰিব বিৰাটে। কিন্তু পুনৰবাৰ প্ৰথম বলতে আউট হৈ পেভিলিয়নলৈ উভতিল বিৰাট (০)। দক্ষিন আফ্ৰিকাৰ মাৰ্কো জানছেনে বিদায় দিলে বিৰাটক। আইপিএলৰ ইতিহাসত কোহলীৰ এয়া পঞ্চমটো ‘গোল্ডেন ডাক’। আনহাতে, চলিত আই পি এলত এয়া ক্ৰমাগত দ্বিতীয়টো ‘গোল্ডেন ডাক’। ইয়াৰপূৰ্বৰ মেচখনতো লক্ষ্ণৌ ছুপাৰ জায়ান্টছৰ বিৰুদ্ধে শ্ৰীলংকাৰ দুষ্মন্ত চামিৰাৰ বলত কোহলীয়ে দীপক হুডাৰ হাতত কেচ দি ‘গোল্ডেন ডাক’ৰ লজ্জা পাইছিল। উল্লেখ্য যে ২০০৮ ৰ আইপিএলত মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে প্ৰথমটো ‘গোল্ডেন ডাক’ পাইছিল কোহলীয়ে। পৰৱৰ্তী ২০১৪ ত কিংছ ইলেভেন পাঞ্জাৱৰ বিৰুদ্ধে পুনৰ ‘গোল্ডেন ডাক’। তাৰ পাছত ২০১৭ ৰ আইপিএলত ইডেনত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে। ঐতিহাসিক এই খেলখনত আৰচিবিয়ে মাত্ৰ ৪৯ ৰানতে সামৰিছিল ইনিংছ। পাঁচ বছৰ পাছত অনুৰাগীৰ মানসপটত পুনৰবাৰ সজীৱ হৈ উঠিল ইডেনৰ স্মৃতি। যোৱানিশা আৰচিবিয়ে মাত্ৰ ৬৮ ৰানতে ইনিংছ সামৰে আৰু ন উইকেটত পৰাস্ত হয় হায়দৰাবাদৰ বিৰুদ্ধে। ছানৰাইজাৰ্ছৰ হৈ তিনিটাকৈ উইকেট পায় জানছেন আৰু নটৰাজনে। প্ৰত্যুত্তৰত অভিযেক শৰ্মাৰ ৪৭ ৰাণৰ সহায়ত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে আঠ অভাৰত এক উইকেট হেৰুৱাই জয় অৰ্জন কৰে।



# বিৰাটক জিৰণি লোৱাৰ পৰামৰ্শ শাস্ত্ৰীৰ

**মুম্বাই, ২৪ এপ্ৰিল ঃ** আইপিএলৰ চলিত ছিজনত একেৰাহে বিফলতাৰ সন্মুখীন হৈছে বিৰাট কোহলী। প্ৰাক্তন ভাৰতীয় অধিনায়কৰ ক্ৰমাগত বিফলতাৰ বিষয়ে এইবাৰ মুখ খুলিছে ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন প্ৰশিক্ষক ৰবি শাস্ত্ৰীয়ে। বিৰাটক পৰামৰ্শ দি শাস্ত্ৰীয়ে বিশ্ৰাম লোৱাৰ প্ৰয়োজন হোৱা বুলি কয়। ভাৰতীয় দলৰ প্ৰাক্তন প্ৰশিক্ষকগৰাকীৰ মতে, মানসিকভাৱে বিধ্বস্ত বিৰাট। পূৰ্বৰ দৰে প্ৰদৰ্শন কৰিব বিচাৰিলে তেওঁ কিছু সময়ৰ বাবে ক্ৰিকেটৰ পৰা আঁতৰি থাকিব লাগিব বুলি কয় শাস্ত্ৰীয়ে। উল্লেখ্য যে আইপিএলৰ ইতিহাসত কোহলীয়ে পঞ্চমটো ‘গোল্ডেন ডাক’ পাইছে। আনহাতে, চলিত আই পি এলত ক্ৰমাগত দ্বিতীয়টো ‘গোল্ডেন ডাক’ যোৱানিশাৰ মেচত কোহলীৰ কেৰিয়াৰত অন্তৰ্ভুক্ত হয়। ক্ৰিকেটাৰসকলে ক’ভিডৰ পাছৰ সময়ছোৱাত জৈৱ-সুৰক্ষাৰ মাজত থাকিবলগীয়া হোৱা বাবে মানসিকভাৱে ক্লান্ত হৈ পৰিছে। বিৰাটৰ দৰে ক্ৰিকেটাৰৰ ক্ষেত্ৰত, সংযোগ হয় প্ৰত্যাশাৰ চাপ আৰু সমালোচনা। সৰ্বোপৰি, মানসিক চাপ বৃদ্ধি পায় আৰু ইয়াৰ প্ৰভাৱ পৰে খেলত। সেইকাৰণে ৰবি শাস্ত্ৰীয়ে



বিৰাট কোহলীক অলপ সময়ৰ বাবে বিৰতি লোৱাৰ পৰামৰ্শ দিছে। বিৰাটে ভাৰতীয় দলৰ আগন্তুক ইংলেণ্ড ভ্ৰমণত বিৰাটে বিশ্ৰাম লোৱাটো দৰকাৰ বুলি সদৰী কৰিছে তেওঁ। মন কৰিবলগীয়া যে, মহামাৰীৰ পাছত যেতিয়া পুনৰ ক্ৰিকেট আৰম্ভ হৈছিল সেইসময়ত শাস্ত্ৰী ভাৰতীয় দলৰ প্ৰশিক্ষক আছিল। তেওঁ কয়, ‘মই প্ৰথম কথাটো কৈছিলো যে এই সময়ত, সকলোৱে সহানুভূতিশীল হ’ব লাগিব। কাৰোবাৰ ওপৰত জোৰ কৰিলে হিতে বিপৰীত হ’ব পাৰে। অত্যাধিক চাপৰ ফলত মনঃসংযোগ নষ্ট হ’ব পাৰে। তেতিয়া ভাল খেলাৰ সম্ভাৱনা কমি আহে। সেইবাবে এই সময়ত অতি সাৱধান হ’ব লাগিব আটায়ে।’ তেওঁ লগতে কয়, ‘যদি কোনোবাই বিশ্ৰাম ল’ব লগা হয়, সেইজন হৈছে বিৰাট কোহলী। তেওঁ ডেৰ বা দুই মাহৰ বাবে বিশ্ৰাম লোৱা উচিত। এতিয়াও আগন্তুক ছয় বা সাত বছৰ ক্ৰিকেট খেলিব পাৰে কোহলীয়ে। কিন্তু তাৰ বাবে অবিলম্বে বিশ্ৰাম ল’ব লাগিব বিৰাটে।’

## ভাৰত-দক্ষিণ আফ্ৰিকা টি-২০ শৃংখলাৰ সূচী প্ৰকাশ

**নতুন দিল্লী, ২৪ এপ্ৰিল ঃ** অহা জুনত ভাৰত ভ্ৰমণলৈ আহিব দক্ষিণ আফ্ৰিকা ক্ৰিকেট দল। এই ভ্ৰমণত দক্ষিণ আফ্ৰিকা ক্ৰিকেট দলে মুঠ পাঁচখন টি-২০ মেচৰ এক শৃংখলা খেলিব টীম ইণ্ডিয়াৰ বিৰুদ্ধে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰন ব’ৰ্ডে আজি দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজত হ’বলগা পাঁচখনীয়া টি-২০ মেচৰ শৃংখলাৰ সূচী প্ৰকাশ কৰিছে। সেই অনুসৰি ন জুনত নতুন দিল্লীতপাঁচখনীয়া টি-২০ মেচৰ শৃংখলাৰ প্ৰথমখন খেল হোৱাৰ পাছত ১২ জুনত কটক, ১৪ জুনত ভিজেক, ১৭ জুনত ৰাজকোট আৰু ১৯ জুনত বাংগালুৰুত পৰৱৰ্তী চাৰিখন মেচ অনুষ্ঠিত হ’ব।

## বি চি চি আইৰ প্ৰতিবেদন লাভ
## নিলম্বিত হ’ব পাৰে ক্ৰীড়া সাংবাদিক বোৰিয়া মজুমদাৰ

**নতুন দিল্লী, ২৪ এপ্ৰিল ঃ** ক্ৰিকেটাৰ ঋদ্ধিমান সাহাক ধমকি দিয়াৰ বাবে দুবছৰ নিলম্বনৰ শাস্তি পাব পাৰে ক্ৰীড়া সাংবাদিক বোৰিয়া মজুমদাৰে। বি চি চি আইৰ এক সূত্ৰত এই কথা প্ৰকাশ। উল্লেখ্য যে ক্ৰিকেটাৰ ঋদ্ধিমান সাহাই সাক্ষাৎকাৰ নিদিয়াৰ বাবে ফোনত ধমকি দিছিল ক্ৰীড়া সাংবাদিক বোৰিয়া মজুমদাৰে। পাছত বিষয়টো পোহৰলৈ অহাত বি চি চি আয়ে এখন কমিটী গঠন কৰি প্ৰতিবেদন দিবলৈ নিৰ্দেশ দিছিল। কমিটীত আছিল ৰাজীৱ শুক্লা, অৰুন সিং ধুমল আৰু প্ৰভতেজ সিং ভাটিয়া। শেহতীয়াকৈ কমিটীয়ে বি চি চি আইৰ ওচৰত প্ৰতিবেদন দিছে আৰু ক্ৰীড়া সাংবাদিক বোৰিয়া মজুমদাৰক দুবছৰলৈ দেশৰ সকলো ক্ৰিকেটৰ পৰা নিলম্বিত কৰাৰ পৰামৰ্শ দিছে। দেশৰ কোনো ক্ৰিকেট ষ্টেডিয়ামতে প্ৰৱেশ কৰিব নোৱাৰে মজুমদাৰে। ইফালে, বি চি চি আয়ে ক্ৰীড়া সাংবাদিক বোৰিয়া মজুমদাৰক ব্লেকলিষ্টেড কৰিবলৈ আই চি চিকো আবেদন কৰিব।

# বাংলাদেশৰ স্পীন বলাৰ মোছাৰফ হুইছেনৰ মৃত্যু

**ঢাকা, ২৪ এপ্ৰিল ঃ** ২৪ টা কেমোথেৰাপিয়েও জীৱন বচাব নোৱাৰিলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটাৰ বাংলাদেশৰ স্পীনাৰ মোছাৰফ হুইছেনৰ ।৪০ বছৰ বয়সতে জীৱন নাট সামৰিলে বাংলাদেশৰ স্পীনাৰ হুইছেনে ।ক্ৰিকেট বিশ্বত শোকৰ ছাঁ । মৃত্যুৰ সৈতে যুঁজি অকালতে নিয়তিৰ ওচৰত হাৰ মানিলে বাংলাদেশৰ ক্ৰিকেটাৰজনে । উল্লেখ্য যে ২০১৯ চনত মস্তিষ্কৰ টিউমাৰ ধৰা পৰিছিল মোছাৰফৰ ।ছিংগাপুৰত কৰা হৈছিল অস্ত্ৰোপচাৰ । ২৪ টা কেমোথেৰাপি লোৱাৰ পাছত ভাঙি পৰিছিল বাংলাদেশৰ তাৰকা স্পীনাৰ জন ।যোৱা মংগলবাৰে শৰীৰৰ অধিক অৱনতি ঘটে আৰু বুধবাৰে বাংলাদেশ ক্ৰিকেট বৰ্ডে বিশ্বক মৃত্যুৰ দিলে দুঃসংবাদ ।ইয়াৰ পাছতেই ক্ৰিকেট বিশ্বত বৈ গ’ল শোকৰ বন্যা । স্মৰ্তব্য যে ২০১৬ চনত ইংলেণ্ডৰ বিৰুদ্ধে অন্তিমবাৰৰ বাবে খেলপথাৰত নামিছিল মোছাৰফ ।বাংলাদেশৰ হৈ তেওঁ খেলা পাঁচখন এদিনীয়াত দখল কৰিছিল চাৰিটা উইকেট । মোছাৰফে প্ৰথম শ্ৰেণীৰ মেচ খেলিছিল ১১২ খন।প্ৰথম শ্ৰেণীৰ মেচত উইকেট দখল কৰিছিল মুঠ ৩৯২ টা ।ইফালে ৫৬ খন ঘৰুৱা টি-২০ত খেলি তেওঁৰ নামত আছে ৬০ টা উইকেট । মোছাৰফৰ অকাল বিয়োগত মৰ্মাহত হৈছে বিশ্বৰ আন আন ক্ৰিকেটৰ মহাতাৰকা সকল ।বহুজনে তেওঁৰ মৃত্যুত কৰিছে দুখ প্ৰকাশ।

## ম্যাদ উকলি যোৱা সমিতিয়ে চলাইছে মঙলদৈ ক্ৰীড়া সন্থা
# বাহিৰৰ খেলুৱৈক দলত অন্তৰ্ভুক্ত কৰি অংশ লৈছে নুৰুদ্দিন ট্ৰফী আন্তঃজিলা ক্ৰিকেটত

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৪ এপ্ৰিল ঃ** ১৯৫১ ত মঙলদৈ ফুটবল সন্থা হিচাপে জন্ম লাভ কৰা এতিয়াৰ মঙলদৈ ক্ৰীড়া সন্থা বৰ্তমান অথাই সাগৰত ডুব যাব ধৰিছে। এই গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন কৰিছে জিলাখনৰ নবীন-প্ৰবীন খেলুৱৈ তথা সচেতন ৰাইজ আৰু ক্ৰীড়াপ্ৰেমীয়ে। বিগত প্ৰায় তিনি বছৰে মঙলদৈ ক্ৰীড়া সন্থাই একমাত্ৰ ক্ৰিকেট খেলকহে গুৰুত্ব প্ৰদান কৰি বাকী খেলসমূহক এলাগী কৰি ৰাখি জিলাখনৰ ৰাইজক ৰামঠগন দিয়া বুলি কেইবাগৰাকী ক্ৰীড়া সংগঠকে মন্তব্য প্ৰকাশ কৰিছে। সন্মানজনক অম্বামেধি সোঁৱৰণী ফুটবল টুৰ্নামেণ্টৰ দৰে এখন সৰ্বভাৰতীয় পৰ্য্যায়ৰ ফুটবল খেল বন্ধ হৈ গৈছে একমাত্ৰ ক্ৰীড়া সন্থাটিৰ একাংশ বিষয়ববীয়াৰ অক্ৰীড়াসুলভ দৃষ্টিভংগীৰ বাবে। তাৰোপৰি ক্লাব পৰ্যায়ৰ কে’বাখনো খেলো ইতিমধ্যে বন্ধ হৈ যোৱাটো দুৰ্ভাগ্যজনক বুলি কেইবাজনো বিশিষ্ট ক্ৰীড়া সংগঠকে মত পোষণ কৰিছে। উল্লেখ্য যে ক্ৰিকেট খেল অনুষ্ঠিত কৰাৰ নামত ১১ খনকৈ উইকেট নিৰ্মান কৰি ৰাজহুৱা ধনৰ অপচয় কৰা হৈছে কিন্তু ১১ জন খেলুৱৈ সৃষ্টি কৰিব পাৰিছে নে বুলি প্ৰশ্ন উত্থাপিত হৈছে। বৰ্তমান মঙলদৈ ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত চলি থকা নুৰুদ্দিন আহমেদ ছিনিয়ৰ



আন্তঃজিলা (উত্তৰ মণ্ডল) ক্ৰিকেটত মঙলদৈ দলটিত স্থানীয় খেলুৱৈক বঞ্চিত কৰি চালানী খেলুৱৈক স্থান দিয়াত সৰহভাগ ক্লাবৰ খেলুৱৈ আৰু বিষয়ববীয়াৰ চকু কপালত উঠিছে। ইপিনে খেলপথাৰৰ অভাৱন বহু যুৱ প্ৰতিভাই বাঁহৰ তলে, গছৰ তলে অনুশীলন কৰিবলগীয়া হৈছে। যাৰ ফলত সেই প্ৰতিভাবান যুৱ খেলুৱৈ সকলৰ সঠিক বিকাশ সম্ভৱ হোৱা নাই। পাঁচজনমান বেপাৰী মানসিকতাৰ ব্যক্তিৰ বাবে ক্ৰীড়া সন্থাটিক এইদৰে মৰহি যাবলৈ দিয়া নহ’ব বুলি বিভিন্নজনে দাবী কৰিছে। উল্লেখ্য যে ১৯৬৭ ত অসম ফুটবল সন্থাৰ স্বীকৃতি লাভ কৰা ক্ৰীড়া সন্থাটি ১৯৯৭ লৈ ফুটবলৰ পঞ্জিয়নতেই চলি আছিল যদিও সকলো প্ৰকাৰৰ খেলক গুৰুত্ব দিয়া হৈছিল। প্ৰত্যেক বছৰে সকলো খেলৰ জিলা দল খেলিবলৈ পঠিওৱা হৈছিল যদিও বিগত তিনিটা বছৰে প্ৰায় সকলো খেলৰ জিলা দল পঠিওৱাটো বন্ধ হৈ পৰিছে। ইপিনে ২০২১ ৰ ৩০ জুনতেই চাৰিবছৰীয়া কাৰ্যকালৰ অন্ত পৰাৰ পিছটো আজিলৈকে সাধাৰণ সভা অনুষ্ঠিত নকৰাৰ আঁৰত বিশেষ ৰহস্য আছে বলিও বহুজনে মন্তব্য কৰিছে। তাৰোপৰি বৰ্তমানৰ ক্ৰীড়া সন্থাৰ সমিতিখন সম্পূৰ্ণ অসাংবিধানিকভাৱে চলি আছে। ক্ৰীড়া সন্থাটিৰ এনে অসাংবিধানিক কাৰ্যকলাপ দূৰ কৰিবলৈ অতি সোনকালে সাধাৰণ সভা অনুষ্ঠিত কৰিবলৈ জিলাখনৰ ক্ৰীড়াপ্ৰেমী, ক্ৰীড়া সংগঠক আৰু সচেতন মহলে দাবী উত্থাপন কৰিছে।

## অভয়াপুৰীত টাইকোৱান-ড’

**অগ্ৰদূত বাৰ্তা,**
**অভয়াপুৰী, ২৪ এপ্ৰিল ঃ** সদৌ অসম টাইকোৱান-ড’ সন্থাৰ পৰামৰ্শমতে এইবেলি বঙাইগাওঁ জিলাৰ প্ৰতিযোগিতাখন অভয়াপুৰীত অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলাইছে । এই উদ্দেশ্যে আজি অভয়াপুৰী জ্যোতি সাংস্কৃতিক অনুষ্ঠানত এখনি সাধাৰণ সভা অনুষ্ঠিত হয় ।সমাজকৰ্মী উৎপল নাথৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত সদৌ অসম টাইকোৱান-ড’ সন্থাৰ চি ই অ’ ভাস্কৰ দাস ,সভাপতি অৰ্জুন চন্দ্ৰ বৰ্মন , কোষাধ্যক্ষ অমল কুমাৰ দাস , মুখ্য প্ৰশিক্ষক লাচিত বসুমতাৰী , ৰেফাৰী বোৰ্ডৰ চেয়াৰমেন প্ৰফুল্ল মুচাহাৰী আদি লোক উপস্থিত থাকে । সভাখনতে প্ৰাক্তন বিধায়ক ভূপেন ৰায়ক সভাপতি , হিমানী অধিকাৰীক উপসভাপতি , উৎপল নাথ, ৰীতু কুমাৰ দাস, শৈলেশ চৌধুৰী ,পূৰ্নেন্দু বনিক্যক কাৰ্যকৰী সভাপতি, হিল্লোল নাৰায়ণ দেৱক সাধাৰণ সম্পাদক , ৰূপেশ অধিকাৰীক কোষাধ্যক্ষ হিচাবে লৈ এখন আয়োজক সমিতি গঠন কৰে।



ক্ৰমাগত দশমবাৰলৈ জাৰ্মান ফুটবল লীগৰ খিতাপ নিশ্চিত কৰিলে বেয়াৰ্ণ মিউনিখে।

# আন্তৰ্জাতিক কিক বক্সিং-কুংফুত জামুগুৰিহাটৰ খেলুৱৈৰ ১৫ টা পদক

**অগ্ৰদূতবাৰ্তা**
**নদুৱাৰ, ২৪ এপ্ৰিল ঃ** আন্তৰ্জাতিক কিক বক্সিং আৰু কুংফু প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি জামুগুৰিহাটলৈ গৌৰৱ কঢ়িয়াই আনিছে ১৫ গৰাকীকৈ বিভিন্ন বয়সৰ কিশোৰ কিশোৰীৰ লগতে যুৱক যুৱতীয়ে। গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক অল মাৰ্টিয়েল প্ৰতিযোগিতাত শোণিতপুৰ জিলা চাইনিজ চাওলিন কুংফু একাডেমীৰ ১৫ গৰাকীকৈ খেলুৱৈয়ে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হয় । ১৫ গৰাকী খেলুৱৈৰ ভিতৰৰে ১০ গৰাকীয়ে সোণ আৰু পাঁচ গৰাকীয়ে ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয় । শোণিতপুৰ জিলা চাইনাজ চাওলিন কুংফু একাডেমীৰ পৰা প্ৰতিনিধিত্ব কৰি কিক বক্সিং আৰু কংফু প্ৰতিযোগিতাত স্থান লাভ কৰা খেলুৱৈসকলক উষ্ম অভিনন্দন জ্ঞাপন কৰে একাডেমীৰ প্ৰশিক্ষক নাৰায়ন শৰ্মা আৰু সিমা দেৱীয়ে ।ইয়াৰ পূৰ্বে শোণিতপুৰ জিলা চাইনিজ চাওলিন কুংফু একাডেমীৰ ১১ গৰাকী শিক্ষাৰ্থীয়ে কোচবিহাৰৰ তুফানগঞ্জত অনুষ্ঠিত ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক প্ৰতিযোগিতাত পদক লাভ কৰিবলৈ সক্ষম হয়।

# ৪৪ সংখ্যক পাঞ্জা চেম্পিয়নশ্বিপ
# সৌৰভজ্যোতিৰ চেম্পিয়ন অৱ চেম্পিয়নছৰ খিতাপ

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৪ এপ্ৰিল ঃ** নগাঁও চহৰৰ মৰিকলং প্ৰগতি সংঘত আজি দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয় ৪৪ সংখ্যক নগাঁও জিলা ভিত্তিত পাঞ্জা প্ৰতিযোগিতা। বহু সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনৰ পৰাই ডিমা হাছাও জিলাত অনুষ্ঠিতব্য ৰাজ্যিক চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰাৰ বাবে নগাঁও জিলা পাঞ্জা দলটো নিৰ্বাচন কৰা হয়। উল্লেখ্য যে, আজি অনুষ্ঠিত প্ৰতিযোগিতা খনত ক্ৰমে ৫৫ কিলোগ্ৰাম শাখাত কৌশিক শইকীয়া, ৬০ কিলোগ্ৰাম শাখাত কিষান ৰয়, ৬৫ কিলোগ্ৰাম শাখাত ৰোমান হাজৰিকা, ৭০ কিলোগ্ৰাম শাখাত মিতুল আহমেদ, ৭৫ কিলোগ্ৰাম শাখাত পৰাগজ্যোতি বৰা, ৮০ কিলোগ্ৰাম শাখাত ছাহজাহান আলি, ৮৫ কিলোগ্ৰাম শাখাত সৌৰভজ্যোতি হাজৰিকা আৰু ১০০ কিলোগ্ৰাম শাখাত মাধুৰ্য ডেকাই চেম্পিয়নৰ খিতাপ অৰ্জন কৰাৰ বিপৰীতে সৌৰভজ্যোতি হাজৰিকা চেম্পিয়ন অৱ চেম্পিয়নৰ খিতাপ দখল কৰে। উল্লেখ্য যে, ৰাষ্ট্ৰীয় পাঞ্জা চেম্পিয়নশ্বিপখন এইবাৰ নগাঁৱতে অনুষ্ঠিত হ’ব বুলি নগাঁও জিলা পাঞ্জা সংস্থাৰ সহকাৰী সম্পাদক হীৰু ডেকাই জনাইছে।





ভেলেন্সিয়াক পৰাস্ত কৰি কোপা ডেলৰ খিতাপ লাভ ৰিয়েল বেটিছৰ।

# আন্তৰ্জাতিক ক্ৰীড়া দিৱস উপলক্ষে ক্ৰিকেট

**অগ্ৰদূত বাৰ্তা**
**গৰুভাষা, ২৪ এপ্ৰিল ঃ** আন্তৰ্জাতিক ক্ৰীড়া দিৱস উপলক্ষে আয়োজিত ক্ৰিকেট প্ৰতিযোগিতাত আগছুৰ চিৰাং জিলা সমিতিয়ে চেম্পিয়ন ট্ৰফী অৰ্জন কৰিছে। গৰুভাষা খেলপথাৰত অনুষ্ঠিত চূড়ান্ত খেলখনত আগছুই গৰুভাষা ক্ৰীড়া সন্থাক মাত্ৰ এক ৰানত পৰাজিত কৰে। খেলখনত প্ৰথমে বেটিং কৰি আগছুই ৯.৪ অভাৰৰ ৮১ ৰান কৰাৰ বিপৰীতে গৰুভাষা ক্ৰীড়া সন্থাই ৮০ ৰানত ইনিংছ সামৰে। বিজয়ী দলৰ ভূৱন ৰাজ পাঠক মেন অৱ দ্য মেচৰ সন্মান অৰ্জন কৰে। বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকে গৰুভাষা আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত



বিষয়া অমৃত প্ৰীতম দাস, চিৰাং জিলা আগছুৰ সভাপতি নাৰায়ণ উপাধ্যায়, চিদলী আঞ্চলিক এবছুৰ সাধাৰণ সম্পাদক দেৰহাছাৎ দৈমাৰী, শিক্ষক সঞ্জয় চেত্ৰী আৰু জীৱন পাঠক।

# ক্ৰমাগত পঞ্চম মেচত জয়ী ছানৰাইজাৰ্ছ হায়দৰাবাদ

**মুম্বাই, ২৪ এপ্ৰিল ঃ** ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে চলিত আই পি এলত ক্ৰমাগত পঞ্চমখন মেচত জয়লাভ কৰি নিজৰ শক্তিৰ পৰিচয় দিছে। যোৱানিশা খেলা দ্বিতীয়খন মেচক ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ন উইকেটত পৰাস্ত কৰে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলক। পোনতে বেটিং কৰা আৰচিবিয়ে মাত্ৰ ৬৮ ৰানতে ইনিংছ সামৰে। ছানৰাইজাৰ্ছৰ হৈ তিনিটাকৈ উইকেট পায় জানছেন আৰু নটৰাজনে। প্ৰত্যুত্তৰত অভিযেক শৰ্মাৰ ৪৭ ৰাণৰ সহায়ত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে আঠ অভাৰত এক উইকেট হেৰুৱাই জয় অৰ্জন কৰে। উল্লেখ্য যে পূৰ্বৰ মেচত ছানৰাইজাৰ্ছ হায়দৰাবাদে সহজে সাত উইকেটত পৰাস্ত কৰিছিল পঞ্জাৱ কিংছ দলক। পোনতে বেটিং কৰা পঞ্জাৱ কিংছে ১৫১ ৰাণত ইনিংছ সামৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ উমৰান মালিকে চাৰিটা আৰু ভূৱনেশ্বৰ কুমাৰে তিনিটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত, ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৮.৫ অভাৰতে তিনিটা উইকেট হেৰুৱাই ১৫২ ৰাণ কৰি জয় অৰ্জন কৰে। দলৰ হৈ মাৰ্কৰামে ৪১, প’ৰানে ৩৫ আৰু ৰাহুল ত্ৰিপাঠীয়ে ৩৪ ৰাণ কৰে। ইফালে, ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে সাত উইকেটত পৰাস্ত কৰিছিল কলকাতা নাইট ৰাইডাৰ্ছক। পোনতে বেটিং কৰি কলকাতা নাইট ৰাইডাৰ্ছ দলে আঠ উইকেটত ১৭৫ ৰাণ কৰে। প্ৰত্যুত্তৰত, ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৭.৫ অভাৰত তিনি উইকেট হেৰুৱাই ১৭৬ ৰাণ কৰি জয় অৰ্জন কৰে। ইয়াৰপূৰ্বৰ খেলত ছানৰাইজাৰ্ছ হায়দৰবাদৰ বিৰুদ্ধে আঠ উইকেটত পৰাস্ত হৈছিল গুজৰাট টাইটানছ দল। মেচখনত পোনতে বেটিং কৰা গুজৰাট টাইটানছ দলে সাত উইকেটত ১৬২ ৰাণ কৰে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ১৯.১ অভাৰত দুই উইকেটত ১৬৮ ৰাণ কৰি আঠ উইকেটত সহজ জয় অৰ্জন কৰে। আনহাতে, অন্য এখন মেচত চেন্নাই ছুপাৰ কিংছ দলক আঠ উইকেটত পৰাস্ত কৰিছিল ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে। মেচখনত পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে সাত উইকেটত ১৫৪ ৰাণ কৰে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ১৭.৪ অভাৰত দুই উইকেটত ১৫৫ ৰাণ কৰি আঠ উইকেটত সহজ জয় অৰ্জন কৰে।



বিশ্বকাপ আৰ্চাৰীত মিক্সড শাখাত সোণ লাভ কৰা ভাৰতৰ তৰুণ-ৰিদ্ধি।

## বিল্যসন্দন চ'ৰা



# চৌদিশে নিগেটিভ

**চাৰিওফালে** কেনে এটা নিগেটিভ পৰিৱেশ! কাৰোৱে মুখত ভাল কথা এটা নাই। এনে নিগেটিভ পৰিৱেশত কোনো ভাল কথা চিন্তা কৰিবলৈ মন নোযোৱা হৈছে। দিল্লীৰ ৰাজসভাতো ইয়াৰ প্ৰভাৱ পৰিছে। বাদশ্বাহেও লক্ষ্য কৰিছে যে সভাসদসকলৰ মুখত সাংঘাতিক হতাশাৰ এক্সপ্ৰেছন, যি এক্সপ্ৰেছনৰ কোনো ইম্প্ৰেছন নাই জনসমাজত। এনে এক্সপ্ৰেছন দিল্লীৰ বাদশ্বাহে বৰ বেয়া পায়। বাদশ্বাহে সভাসদসকললৈ চাই সুধিলে— 'কি হৈছে তোমালোকৰ?'

ঃ কি হোৱা দেখিলে জাহাপনা?
ঃ আটায়ে মন বেয়া কৰি আছা যে!
ঃ নিগেটিভ জাহাপনা।
ঃ কি নিগেটিভ?
ঃ চৌদিশৰ খবৰবোৰ বৰ নিগেটিভ জাহাপনা!
ঃ কি নিগেটিভ হ'ল?
ঃ বস্তুৰ দাম বাঢ়িয়ে আছে।
ঃ আৰু?
ঃ মানুহে বজাৰ কৰিব যাব নোৱৰা হৈছে।
ঃ আৰু?
ঃ বেকাৰ বাঢ়ি গৈ আছে!
ঃ আৰু?
ঃ চাকৰি-বাকৰি নাপাই মদ-ভাঙত ধৰিছে ল'ৰাবোৰে।
ঃ আৰু?
ঃ আমাক টিভিত দেখিলেই মাক-বাপেকবোৰে গালি পাৰে।
ঃ আৰু?
ঃ যা-তা কথা শুনায়।
ঃ আৰু?
ঃ সৰু-সুৰা কথাতে দাংগা হ'বলৈ লৈছে।
ঃ আৰু?
ঃ আগেয়ে ৰামক লৈ দাংগা হৈছিল।
ঃ এতিয়া কিহক লৈ দাংগা হয়?
ঃ হনুমানক লৈ দাংগা হ'বলৈ লৈছে।
ঃ আৰু?
ঃ সৰ বিনামূলীয়া আঁচনি বন্ধ হ'বলৈ লৈছে যে!
ঃ তাতে কি হ'ল?
ঃ দুখীয়াবোৰৰ খং উঠিছে।
ঃ আৰু?
ঃ মুঠতে কৈছো নহয় জাহাপনা— চৌদিশৰ পৰা কেৱল নিগেটিভ নিউজ! পজিটিভ একো অহা নাই।

বেঁকা হাঁহি এটা মাৰি বাদশ্বাহে দাড়িকোছা পিহি ল'লে আৰু ক'লে, 'ধৈৰ্য ধৰা! মই কৰি আছো।'

ঃ কি কৰিব জাহাপনা?
ঃ মই সৰ পজিটিভ কৰি আছো?
ঃ কেনেকৈ জাহাপনা?



ঃ সন্মুখত ইলেকছন নাই। গতিকে কোনো ৰিস্ক নাই। পজিটিভ কৰিবলৈ সহজ হ'ব।
ঃ কি সহজ হ'ব জাহাপনা?
ঃ অহা এমাহ-দুমাহৰ ভিতৰত একো নিগেটিভ নাথাকে।
ঃ মানে?
ঃ মানে আৰু কি? কোনেও নিগেটিভ কথা নকয়।
ঃ তেন্তে কি ক'ব?
ঃ সৱেই পজিটিভ হোৱাৰ কথা ক'ব?
ঃ সঁচাইনে?
ঃ সঁচাই! মই এৰেঞ্জমেণ্ট কৰি আছো নহয়!
ঃ কিহৰ এৰেঞ্জমেণ্ট?
ঃ পজিটিভ বঢ়াই দিয়াৰ এৰেঞ্জমেণ্ট।
ঃ কেনেকৈ বঢ়াব?
ঃ বঢ়াম নহয়! সৰতো মোৰ হাততেই!
ঃ আপুনি কি পজিটিভ বঢ়াব জাহাপনা?
ঃ ক'ভিড পজিটিভ!

## পাকিস্তানৰ ১৮ বছৰীয়া বিশ্ব অভিলেখ ভংগ কৰিলে ভাৰতে

■ **নিউজ ব্যুৰ'**

**পাটনা, ২৪ এপ্ৰিল ঃ** এটা ক্ষেত্ৰত দীৰ্ঘদিন ধৰি ভাৰতৰ আগত আছিল পাকিস্তান। অৱশেষত বিজেপিৰে উদ্যোগত পাকিস্তানৰ পৰা সেই সন্মানো কাঢ়ি আনিলে ভাৰতে। একেলগে সৰ্বাধিক লোকে জাতীয় পতাকা হাতেৰে জোকৰাৰ বিশ্ব অভিলেখ স্থাপন কৰিলে ভাৰতে। ইমানদিনে পাকিস্তানৰ অধীনত আছিল এই বিশ্ব অভিলেখ। ১৮ বছৰৰ পূৰ্বে পাকিস্তানৰ ৫৬ হেজাৰ মানুহে একেলগে হাতেৰে নিজৰ দেশৰ পতাকা জোকাৰি সেই অভিলেখ স্থাপন কৰিছিল। বিহাৰত বিজেপিৰ উদ্যোগত আয়োজিত এক অনুষ্ঠানত একেলগে ৭৮ হেজাৰ লোকে ত্ৰিৰংগা হাতেৰে জোকাৰি পাকিস্তানৰ সেই পুৰণি অভিলেখ ভংগ কৰে।

বিহাৰৰ ভোজপুৰত 'আজাদী কি অমৃত মহোৎসৱ'ৰ অধীনত বীৰ কোঁৱৰ সিঙৰ

# একেলগে ৭৮ হেজাৰ জাতীয় পতাকা উৰুৱালে বিজেপিয়ে



মৃত্যুবাৰ্ষিকী উপলক্ষে দেওবাৰে এক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। উক্ত অনুষ্ঠানত উপস্থিত আছিল কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। প্ৰায় লক্ষাধিক লোক উপস্থিত থকা অনুষ্ঠানত বিহাৰ বিজেপিৰ শীৰ্ষস্থানীয় নেতা আৰু মন্ত্ৰীসকলেও অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহৰ উপস্থিতিতে ৭৮ হেজাৰ লোকে একেৰাহে পাঁচ মিনিট সময় একেলগে পতাকা জোকাৰি এক নয়নাভিৰাম দৃশ্যৰ সৃষ্টি কৰে। একেলগে জাতীয় পতাকা জোকৰাৰ সমান্তৰালকৈ বাজি আছিল ৰাষ্ট্ৰীয় সংগীত 'বন্দে মাতৰম'। সূত্ৰই জনোৱা মতে, প্ৰাথমিকভাৱে বিজেপিয়ে একেলগে ৭৫ হেজাৰ পতাকা জোকৰাৰ সিদ্ধান্ত লৈছিল। অৱশ্যে পৰৱৰ্তী সময়ত বিজেপি নেতৃত্বই সিদ্ধান্ত সলনি কৰি পতাকাৰ সংখ্যা বৃদ্ধি কৰে। ইয়াৰ পূৰ্বে ২০০৪ত লাহোৰত অনুষ্ঠিত এক অনুষ্ঠানত একেলগে ৫৬ হেজাৰ পাকিস্তানীয়ে জাতীয় পতাকা জোকাৰিছিল।



# মৃতদেহৰ স্তূপৰ মাজেৰে ১২৫ কিলোমিটাৰ খোজকাঢ়িলে চাৰি শিশুসহ মাৰিয়ুপ'লৰ পৰিয়ালে

## স্বদেশৰ ভূমিতেই চাৰি সন্তানক পালন কৰাৰ লক্ষ্য ইউক্ৰেনীয় দম্পতীৰ

■ **নিউজ ব্যুৰ'**

**কিয়েভ, ২৪ এপ্ৰিল ঃ** প্ৰাণৰ মায়া, সন্তানৰ মমতাই মানুহক বহু অসাধ্য সাধন কৰিবলৈ সাহায্য কৰে। তেনে এক কাৰ্যই কৰি দেখুৱালে যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ এক দম্পতীয়ে। নিজৰ চাৰি সন্তানৰ প্ৰাণৰক্ষা আৰু ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই এসপ্তাহ ধৰি ১২৫ কিলোমিটাৰ খোজকাঢ়িলে এই দম্পতীয়ে। লগত আছিল ১২ৰ পৰা ছবছৰ বয়সৰ চাৰি শিশু সন্তান। নিজৰ চাৰি সন্তানক কিদৰে সুৰক্ষিত ভৱিষ্যৎ দিব পাৰে, সেই চিন্তাতে নিদ্ৰা হৰিছিল এই ইউক্ৰেনীয় দম্পতীৰ। এফালে প্ৰিয় চহৰ মাৰিয়ুপ'ল ৰুছ আক্ৰমণত প্ৰতিদিনেই ছিন্নবিচ্ছিন্ন হৈ আছে। ইয়াৰ মাজতে নিজৰ এপাৰ্টমেণ্টৰ বাংকাৰত বহি য়েভগেন টিছচেংক' আৰু তেওঁৰ পত্নী টাটিয়ানাই চিন্তা কৰিছিল কিদৰে এই মৃত্যুপুৰীৰ পৰা জীৱন্তে ওলাই চাৰি সন্তানক লৈ কোনো দূৰ প্ৰান্তলৈ যাব পৰা যায়। ইউক্ৰেইনত ৰাছিয়াৰ আক্ৰমণ আৰম্ভ হোৱাৰ লগে লগেই নিজক বাংকাৰত বন্দী কৰিছিল টিছচেংক' পৰিয়ালে। কেৱল আহাৰ যোগাৰ কৰাৰ বাবেহে বাংকাৰৰ বাহিৰলৈ ওলাইছিল। বিগত দুমাহত মাৰিয়ুপ'লৰ ৰাস্তাত মৃতদেহ সিঁচৰতি হৈ পৰি থকা প্ৰত্যক্ষ কৰাটো তেওঁলোকৰ প্ৰায় অভ্যাসত পৰিণত হৈছিল। অৱশ্যে এসপ্তাহৰ পূৰ্বে তেওঁলোকে স্থিৰ কৰিলে যে মাৰিয়ুপ'লত থকাটো আৰু সম্ভৱ নহয়। দেশৰ পশ্চিম প্ৰান্তৰ কোনো চহৰলৈ গুচি যাব লাগিব গোটেই পৰিয়ালটো। অথচ যাব কেনেকৈ? কিয়নো কোনো পৰিবহণৰ ব্যৱস্থা নাছিল। একমাত্ৰ খোজকাঢ়ি যোৱাই বিকল্প আছিল। মাতৃ টাটিয়ানাই ১২ৰ পৰা বছৰ বয়সৰ চাৰি সন্তানক সেই বিষয়ে বুজনি দিয়ে। টাটিয়ানাই কয়, 'সিহঁতে ইয়াক এডভেঞ্চাৰ বুলি ভাবিছিল। সেয়ে খোজকাঢ়ি যাবলৈ ৰাজি হয়। অৱশ্যে বাংকাৰৰ পৰা প্ৰথমবাৰ ওলাই ৰাস্তাত খোজকাঢ়ি যোৱা অৱস্থাত মৃতদেহৰ স্তূপ দেখি সিহঁত স্তব্ধ হৈ পৰিছিল।' ইয়াৰ লগতে টাটিয়ানাই কয়, 'ভোকত মৰাতকৈ বোমাত মৰি যোৱাই ভাল। মাৰিয়ুপ'লত এতিয়া আৰু খুদকণ এটাও নোহোৱা হৈছে। সেই আমি চহৰ এৰাৰ কোনো বিকল্প নাছিল।' যোৱা ১৭ এপ্ৰিলৰ কাহিলিপুৱাতে সমগ্ৰ সংসাৰখন পিঠিত বান্ধি অনিশ্চিত পৰিস্থিতিকে সাৰোগত কৰি ৰাস্তাত খোজ দিছিল ছজনীয়া পৰিয়ালটোৱে। য়েভগেনে এখন ভগ্নপ্ৰায় ট্ৰলী যোগাৰ কৰিছিল। তাত মালবস্তুবোৰ তুলি লয়। একেবাৰে কনিষ্ঠা কন্যাক নিজৰ খেলনা তিনিচকীয়া চাইকেলত বহুৱাই লৈছিল। গোটেই পথছোৱাত ট্ৰলী ঠেলিছিল য়েভগেনে আৰু টাটিয়ানাই ঠেলি নিছিল চাইকেলখন। একেৰাহে পাঁচ দিন চাৰি নিশা খোজকাঢ়ি ১২৫ কিলোমিটাৰ দূৰত্বৰ পথ অতিক্ৰম কৰে পৰিয়ালটোৱে। মাজত নিশা কোনো বাসগৃহত কটাইছিল। তাত প্ৰতিটো পৰিয়ালে ভালদৰে খাবলৈ দিছিল বুলি জানিবলৈ দিয়ে য়েভগেনে। শনিবাৰে পৰিয়ালটোৱে আহি ইউক্ৰেইনৰ আন এখন চহৰ জাপ'ৰিঝিয়াত উপস্থিত হয়।

১২৫ কিলোমিটাৰ খোজকঢ়াৰ পাছত এজন শস্য বিক্ৰেতাই নিজৰ ট্ৰেলাৰত তুলি পৰিয়ালটোক জাপ'ৰিঝিয়ালৈ নিয়ে। তাৰ পৰা ৰেলৰ ভিৰত ঠেলা-হেঁচা কৰি তেওঁলোক লিভিবত উপস্থিত হয়। অৱশ্যে লিভিভত স্থায়ীভাৱে নাথাকে বুলি য়েভগেনে জনাইছে। তেওঁলোকে ইভান'-প্ৰাংকিভিস্ক চহৰলৈ যাব বিচাৰে। ৩৭ বছৰীয়া য়েভগেনে কয় যে সেই চহৰত উপস্থিত হৈ তেওঁৰ প্ৰথম কাম হ'ব এটা চাকৰি যোগাৰ কৰা। সম্প্ৰতি পত্নীয়ে চাৰি সন্তানক চোৱা-চিতা কৰিব। সিহঁতক কোনো ভাল স্কুলত ভৰ্তি কৰাব বিচাৰে টিছচেংক' দম্পতীয়ে।

ৰুছ বাহিনীয়ে তেওঁলোকক বাধা দিয়া নাছিল নেকি বুলি লিভিভত এক সাংবাদিকে সুধিছিল। ইয়াৰ উত্তৰত য়েভগেনে কয় যে তেওঁলোক অসংখ্য ৰুছ তালাচী চকী পাৰ হ'বলগীয়া হৈছিল। অৱশ্যে ৰুছ সেনাই তেওঁলোকক সহযোগিতাই কৰিছে। য়েভগেনে কয়, 'সকলোৱে প্ৰশ্ন আছিল এটাই। মাৰিয়ুপ'লৰ পৰা আহিছা? তোমালোকে ৰাছিয়াৰ কোনোবা এখন চহৰলৈ গুচি যোৱা। ইউক্ৰেইনতনো আৰু কিয় থাকা?' অৱশ্যে য়েভগেনে জনাইছে যে প্ৰাণৰক্ষাৰ বাবে প্ৰাণৰ চহৰ এৰিছে, কিন্তু কোনোপধ্যেই দেশত্যাগ নকৰে। তেওঁলোকৰ চাৰি সন্তানক ইউক্ৰেইনৰ মাটিতে মানুহ কৰিব। সেই সপোনেই পুহি ৰাখিছে টিছচেংক' দম্পতীয়ে।




**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com